ফেইথ লাইফ মিনিষ্ট্ৰিজ

"বিশ্বব্যাপী মণ্ডলীৰ নেতাসকলক সজ্জিতকৰণ"

# মণ্ডলীৰ নেতাসকলৰ বাবে ব্যৱস্থাপনা™

## প্ৰশিক্ষণ হাতপুথি

### সংখ্যা #১

“মণ্ডলীৰ নেতাসকলক ঈশ্বৰে তেওঁলোকক নেতৃত্ব দিবলৈ আহ্বান কৰা পৰিচৰ্যা পৰিচালনা কৰাত সহায় কৰা”



© ২০১০, ২০০৬, ২০০২ **বেৰী ভচ, ফেইথ লাইফ মিনিষ্ট্ৰিজ,Inc.**

**www.faithlifeministries.net**
**দূৰভাষ: (৭৭০) ৪৯২-৪৯০৩**
**Email: BarryVoss@comcast.net**

# পৰিচয়

এই প্ৰশিক্ষণ হাতপুথিখন পালক, মণ্ডলীৰ কৰ্মচাৰী, আৰু পৰিচৰ্যাৰ নেতাসকলক তেওঁলোকক আহ্বান কৰা পৰিচৰ্যাৰ দায়িত্বসমূহৰ পৰিচালনা আৰু প্ৰশাসনত সহায় কৰিবলৈ প্ৰস্তুত কৰা হৈছে। বহুতো চেমিনাৰী আৰু বাইবেল কলেজে প্ৰচাৰ, শিক্ষাদান আৰু শুভবাৰ্তা প্ৰচাৰৰ বাবে পালক আৰু পৰিচৰ্যাৰ নেতাসকলক প্ৰস্তুত কৰিলেও, তেওঁলোকৰ পাঠ্যক্ৰমত প্ৰায়ে মৌলিক পৰিচালনা দক্ষতাৰ ওপৰত কোনো প্ৰশিক্ষণ অন্তৰ্ভুক্ত কৰা নহয়। যিহেতু বেছিভাগ পালক আৰু মণ্ডলীৰ নেতাই মানুহক নেতৃত্ব দিব লাগিব, সম্পদ পৰিচালনা কৰিব লাগিব আৰু তেওঁলোকৰ মণ্ডলীত প্ৰশাসন কৰিব লাগিব, এই ধৰণৰ প্ৰশিক্ষণ অতি প্ৰয়োজনীয় যাতে তেওঁলোকক তেওঁলোকৰ পৰিচৰ্যাত সংস্থাপিত কৰাৰ পাছত যি যি  কৰিবলৈ আহ্বান জনোৱা হ'ব তাৰ বাবে তেওঁলোকক প্ৰস্তুত কৰিব পৰা যায়।

লেখকে ১৯৯৬ চনৰ পৰাই মিছন ক্ষত্ৰৰ মণ্ডলী আৰু পৰিচৰ্যাৰ নেতাসকলক প্ৰশিক্ষণ দি আহিছে। আমি বিভিন্ন দেশৰ পালকসকলৰ লগত কাম কৰি প্ৰৱন্ধন প্ৰশিক্ষণ বিষয়বস্তু অথবা সমলৰ অভাৱ থকা কথাটো দেখাৰ পৰাই এই হাতপুথিখন গঢ় লৈ উঠিছে। এইটোও দেখা গৈছিল যে এনেকুৱা বিশেষ একো সামগ্ৰী উপলব্ধ নাছিল বা বৰ্তমান শিকাই থকাও হোৱা নাই। গতিকে যিহেতু অনুন্নত দেশসমূহৰ বহুতো পালক আৰু নেতাৰ মৌলিক পৰিচালনা প্ৰশিক্ষণৰ সুবিধা নাই, গতিকে এই প্ৰয়োজনীয়তা পূৰণৰ বাবে ফেইথলাইফ মিনিষ্ট্ৰিজে এই বিষয়-সামগ্ৰী প্ৰস্তুত কৰিছে।

এই প্ৰশিক্ষণ হাতপুথিখন সজোৱা হৈছে এটা খ্ৰীষ্টীয়ান আৰু বাইবেলসন্মত দৃষ্টিভঙ্গীৰে ব্যৱস্থাপনা সঁজুলি আৰু কৌশলৰ মৌলিক পৰ্যায়ৰ ধৰণা এটা দিবৰ বাবে। আমি বিশ্বাস কৰোঁ যে যেতিয়া পৱিত্ৰ আত্মাৰ নিৰ্দেশনা আৰু পৱিত্ৰ আত্মাৰ ওপৰত নিৰ্ভৰ কৰি এই সঁজুলি আৰু কৌশলবোৰ ব্যৱহাৰ প্ৰয়োগ কৰা হয় তেতিয়া "ৰাজ্যৰ অৰ্থে ফলবোৰ" উৎপন্ন হ'ব (কলচীয়া ১:১০)।

© ২০১০, ২০০৬, ২০০২ **বেৰী ভচ, ফেইথ লাইফ মিনিষ্ট্ৰিজ,Inc.**

**সৰ্বস্বত্ব সংৰক্ষিত। এই প্ৰকাশনৰ কোনো অংশই লেখকৰ লিখিত পূৰ্ব অনুমতিবিনে ইলেক্ট্ৰনিক, যান্ত্ৰিক, ফটোকপি, ৰেকৰ্ডিং, বা আন যি কোনো উপায়েৰে, কোনো ধৰণে পুনৰুৎপাদন, উদ্ধাৰ ব্যৱস্থাত সংৰক্ষণ বা কোনো ধৰণে প্ৰেৰণ কৰিব নোৱাৰিব, ইউনাইটেড ষ্টেটছৰ কপিৰাইট আইনে প্ৰদান কৰা অনুমতিৰ বাহিৰে। ব্যতিক্ৰম হ'ল, যেতিয়া সামগ্ৰীখিনি স্থানীয় ব্যৱহাৰৰ বাবে ইয়াৰ ডিজাইনৰ সৈতে সামঞ্জস্যপূৰ্ণভাৱে ব্যৱহাৰ কৰা হয় (কোনো ধৰণৰ মূল্য নোহোৱাকৈ) যি ক্ষেত্ৰত উদাৰভাবে প্ৰতিলিপি কৰাৰ অনুমতি দিয়া হয় আৰু উৎসাহিত কৰা হয়।**

# ফেইথলাইফ মিনিষ্ট্ৰিজৰ বিষয়ে

ফেইথ লাইফ মিনিষ্ট্ৰিজ ২০০১ চনৰ জানুৱাৰী মাহত বেৰী ভছ আৰু কিম ষ্টাৰ ভছে আৰম্ভ কৰিছিল যাতে বিশ্বজুৰি মণ্ডলীৰ নেতাসকলৰ বাবে প্ৰশিক্ষণ আৰু সম্পদ প্ৰদান কৰিব পৰা যায়। বিশেষকৈ পৃথিৱীৰ যিবোৰ অংশত এনে সম্পদৰ বাবে সুবিধা বা বিত্তীয় সাহায্য কম থাকে, সেই ঠাইবোৰৰ ঈশ্বৰৰ লোকসকলক অনুশাসন, সজ্জিতকৰণ আৰু প্ৰশিক্ষণ দিয়াৰ বাবে তেওঁলোকৰ এক আহ্বান আৰু আবেগপূৰ্ণ হাবিয়াস আছে। পৰিচৰ্যা নেতৃত্বৰ দক্ষতা বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁলোকে বিভিন্ন দেশত পালক আৰু শিশুৰ, আৰু প্ৰাপ্তবয়স্ক পৰিচৰ্যা নেতাসকলক প্ৰশিক্ষণ দি আহিছে। প্ৰশিক্ষণ সন্মিলন আৰু কৰ্মশালা অনুষ্ঠিত কৰাৰ উপৰিও তেওঁলোকে নিজাকৈ প্ৰশিক্ষণ সামগ্ৰী আৰু সম্পদৰ সৃষ্টি আৰু বিকাশ কৰে আৰু সকলো বিশ্বাসীক বিশ্বাসৰ জীৱন যাপন কৰিবলৈ উৎসাহিত কৰাৰ প্ৰয়াস কৰে।

কিম আগতে আলফাৰেট্টা, জৰ্জিয়াৰ খ্ৰাইষ্ট দা চেফাৰ্ড মণ্ডলীৰ শিশু শিষ্যত্ব গঠন পৰিচৰ্যাকাৰী আছিল য'ত তেওঁ ৫০০ তকৈ অধিক শিশু আৰু বয়স্ক লোকৰ পৰিচৰ্যা কৰিছিল। তেওঁৰ পৰিচৰ্যা পটভূমিৰ উপৰিও কিমে ১৫ বছৰতকৈও অধিক কাল কেইবাটাও ডাঙৰ কৰ্পোৰেচনত এগৰাকী কম্পিউটাৰ চিষ্টেমচ আৰু প্ৰকল্পৰ প্ৰৱন্ধক হিচাবে কাম কৰিছিল। বেৰীয়ে এতিয়া এই পৰিচৰ্যাত সম্পূৰ্ণ সময় দি কাম কৰি আছে আৰু তেওঁৰো ২০ বছৰতকৈ অধিক ব্যৱসায় প্ৰৱন্ধনৰ অভিজ্ঞতা আছে। তেওঁ তেওঁলোকৰ মণ্ডলীত উপাসনা আৰু পুৰুষৰ পৰিচৰ্যাতো জড়িত হৈ আছে। কিম আৰু বেৰীৰ বৈবাহিক জীৱন ৩৫ বছৰ হৈ গৈছে আৰু তেওঁলোকৰ দুজন প্ৰাপ্তবয়স্ক সন্তান আছে।

# কৃতজ্ঞতা জ্ঞাপন

আমি ঈশ্বৰক ধন্যবাদ জনাইছো, প্ৰথমেই, এই প্ৰকল্পটো সম্ভৱপৰ কৰি তোলাৰ বাবে আৰু এই প্ৰশিক্ষণ হাতপুথিখন প্ৰস্তুত কৰাৰ দৰ্শনটো দিয়াৰ বাবে। এই বিষয়বস্তুখিনি সম্পাদনা আৰু ইনপুট প্ৰদান কৰাত সহায় কৰাৰ বাবে আমি কেন জেক, ডেৰিল হোহ, ডমিং অৰপ্ৰেচিঅ', আয়ুব খায়ো আৰু ডেভিদ কুইম্পিৰ'কাকো ধন্যবাদ জনাইছো।

# মণ্ডলীৰ নেতাসকলৰ বাবে ব্যৱস্থাপনা

## খণ্ড ১

## বিষয়বস্তুৰ তালিকা


**ভাগ ১: পৰিচৰ্যাৰ ব্যৱস্থাপনা**

অধ্যায় ১ পৰিচৰ্যাৰ নেতৃত্ব

অধ্যায় ২ এজন বাইবেলসন্মত নেতা হোৱা

অধ্যায় ৩ নেতৃত্বৰ শৈলী

অধ্যায় ৪ নেতা গঢ়ি তোলা

**ভাগ ২: মানুহ ব্যৱস্থাপনা**

অধ্যায় ৫ আত্মিক বৰসমূহ

অধ্যায় ৬ মানুহ পৰিচালনা কৰা

অধ্যায় ৭ সংঘাতৰ ব্যৱস্থাপনা

অধ্যায় ৮ শিষ্য গঢ়া

**ভাগ ৩: সম্পদ ব্যৱস্থাপনা**

অধ্যায় ৯ কৌশলগত পৰিকল্পনা

অধ্যায় ১০ ধন ব্যৱস্থাপনা

অধ্যায় ১১ সময় ব্যৱস্থাপনা

অধ্যায় ১২ তথ্য ব্যৱস্থাপনা

ভাগ ১

# <u>পৰিচৰ্যাৰ ব্যৱস্থাপনা</u>



## অধ্যায় ১

## <u>পৰিচৰ্যাৰ নেতৃত্ব</u>

***“তোমালোকৰ লগত ঈশ্বৰৰ যি জাক আছে, তাক প্ৰতিপালন কৰা; আৱশ্যকতাৰ কাৰণে নহয়, কিন্তু ইচ্ছাৰে, ঈশ্বৰৰ দৰে; কুচ্ছিত লাভৰ অৰ্থেও নহয়, কিন্তু সন্তুষ্ট মনেৰে; আৰু তোমালোকৰ নিৰূপিত অধিকাৰৰ ওপৰত প্ৰভুত্ব নকৰি, জাকৰ আৰ্হি হৈ, তাৰ তত্ত্বাৱধান কৰা; তাতে প্ৰধান ৰক্ষক প্ৰকাশিত হোৱা কালত, তোমালোকে ঐশ্বৰ্যৰূপ অম্লান কিৰীটি পাবা।”***

**১ পিতৰ ৫:২-৪**

প্ৰতিজন মণ্ডলীৰ নেতাৰ বাবে শক্তিশালী নেতৃত্ব কৌশল গুৰুত্বপূৰ্ণ। তাৰ অবিহনে বহুতো মণ্ডলীৰ নেতাই পৰিচৰ্যাবোৰ আগুৱাই নিয়াত আৰু মানুহক মণ্ডলীৰ মিছনত জড়িত কৰাটো অত্যন্ত কঠিন অনুভৱ কৰে। নেতৃত্বৰ সংজ্ঞা হিচাবে ইয়াক সেই দক্ষতা বুলি ক’ব পাৰি যিয়ে এজন ব্যক্তিক আনক এটা আকাংক্ষিত লক্ষ্য বা ফলাফলত উপনীত হ'বলৈ প্ৰেৰণা দিবলৈ সক্ষম কৰে। কিন্তু নেতৃত্ব মানে হৈছে এটা দৃষ্টিভংগী আৰু এক আচনি থকা, মানুহক বিকশিত কৰা আৰু লক্ষ্য পূৰণ কৰাত মনোনিৱেশ কৰা। এই অধ্যায়ত আমি ফলপ্ৰসূ নেতৃত্বৰ ৫টা চাবিকাঠি চাম।

প্ৰশ্ন: এজন নেতা বুলি বিবেচিত হ’বলৈ প্ৰতিজন নেতাৰ কি থাকিবই লাগিব?

উত্তৰ: **অনুগামী!**

***যদি আপোনাক কোনেও অনুসৰণ নকৰে আপুনি এজন নেতা নহয়।**

### <u>ফলপ্ৰসূ পৰিচৰ্যা নেতৃত্বৰ ৫টা চাবিকাঠি</u>

#### #১. <u>নেতাসকলে প্ৰভাৱ ব্যৱহাৰ কৰে, কৰ্তৃত্ব নহয়</u>

**যোহন ১০:২-৪**

***“কিন্তু যিজন দুৱাৰেদি সোমায়, তেওঁ মেৰৰ ৰখীয়া; দুৱৰীয়ে তেওলৈ দুৱাৰ মেলি দিয়ে, আৰু মেৰবিলাকেও তেওঁৰ মান শুনে; তেৰোঁ নিজৰ মেৰবিলাকক নাম ধৰি ধৰি মাতি বাহিৰলৈ লৈ যায়। যেতিয়া নিজৰ সকলোকে বাহিৰ কৰা হয়, তেতিয়া তেওঁ সেইবিলাকৰ আগে আগে যায়; আৰু মেৰবিলাক তেওঁৰ পাছে পাছে চলে; কিয়নো তেওঁৰ মাত বুজি পায়।"***

- ***<u>নেতৃত্ব মানে হৈছে প্ৰভাৱ</u>***
    ১. আপুনি আনক কাৰ্যলৈ অভিৰোচিত কৰিব লাগিব।
    ২. আস্থা আৰু শ্ৰদ্ধা গঢ়ি তোলাৰ যোগেৰে আপুনি প্ৰভাৱ অৰ্জন কৰে
    ৩. নেতৃত্ব হৈছে আনক আপোনাৰ সিদ্ধান্তবোৰ <u>স্ব-ইচ্ছাই মনাব</u> পৰা ক্ষমতা

- ***কৰ্তৃত্ব*** হৈছে ক্ষমতা

    ১. অভিধানৰ মতে, কৰ্তৃত্ব হৈছে::

    **"চিন্তা, মতামত বা আচৰণক প্ৰভাৱিত কৰা বা আদেশ দিয়াৰ শক্তি""**

    ২. এইটো আপোনাক ঈশ্বৰে দিয়ে

    ***"ঈশ্বৰৰ পৰা নহ'লে কোনো ক্ষমতা নাই; আৰু যি যি আছে সেইবোৰ ঈশ্বৰৰ দ্বাৰাই নিৰূপিত"***

    **- ৰোমীয়া ১৩:১**

    ৩. কৰ্তৃত্ব অতীতৰ পৰা আহৰণ কৰা হয়, বৰ্তমানৰ পৰা নহয়

    ৪. কৰ্তৃত্ব হৈছে আপোনাৰ সিদ্ধান্তবোৰ বলৱৎ কৰাৰ সামৰ্থ

    - আমি আমাৰ কৰ্তৃত্ব কেনেদৰে ব্যৱহাৰ কৰিব লাগে?
        - শিকাবলৈ

          ***"তুমি নিৰাময় শিক্ষাৰ উপযুক্ত কথা কোৱা। সম্পূৰ্ণ ক্ষমতাৰে উদগোৱা আৰু অনুযোগ কৰা।***

          **– তীত ২:১ & ১৫**

        - সেৱা কৰিবলৈ

          ***"তোমালোকৰ লগত ঈশ্বৰৰ যি জাক আছে, তাক প্ৰতিপালন কৰা; আৱশ্যকতাৰ কাৰণে নহয়, কিন্তু ইচ্ছাৰে, ঈশ্বৰৰ দৰে; কুচ্ছিত লাভৰ অৰ্থেও নহয়, কিন্তু সন্তুষ্ট মনেৰে। "***

          **–১ পিতৰ ৫:২**

*****আপোনাৰ কৰ্তৃত্বতকৈ আপোনাৰ প্ৰভাৱ ব্যৱহাৰ কৰি নেতৃত্ব দিয়া বেছি ভাল***

- যেতিয়া আপুনি আপোনাৰ প্ৰভাৱ ব্যৱহাৰ কৰে, মানুহে আপোনাক অনুসৰণ কৰিবলৈ ইচ্ছা কৰে
- যেতিয়া আপুনি আপোনাৰ কৰ্তৃত্ব ব্যৱহাৰ কৰে, মানুহে বাধ্য হৈ আপোনাক অনুসৰণ কৰিব লগা হয়
    - আপুনি প্ৰায়ে আপোনাৰ পৰিচৰ্যাৰ পৰা মানুহ হেৰুৱায়
    - আপুনি বিৰোধী সৃষ্টি কৰে

#**২. নেতাসকলৰ এটা দৰ্শন থাকে**

**হিতোপদেশ ২৯:১৮ –** ***"ঐশ্বৰিক দৰ্শনৰ অভাৱত প্ৰজাবিলাক অবাধ্য হয়া."***

১. নেতা এজনে জানে তেওঁ ক'লৈ যাব বিচাৰিছে

২. দৰ্শন অবিহনে এটা মণ্ডলীৰ কোনো দিশ নাথাকে

- এটা দৰ্শনে এটা দৃষ্টিকেন্দ্ৰ দিয়ে
- ই মণ্ডলীৰ উদ্দেশ্য আৰু লক্ষ্যবোৰ পৰিষ্কাৰ কৰি দিয়ে

৩. এটা দৰ্শনে পৰিচৰ্যাটোৰ লক্ষ্য আৰু উদ্দেশ্যবোৰক পৰিমাণীকৰণ কৰে

- ইয়াৰ চূড়ান্ত উদ্দেশ্য, ই কি সাধন কৰিবলৈ চেষ্টা কৰিছে
- ই কি হ'ব বিচাৰে বা ক'লৈ যাব বিচাৰে
    - **দৰ্শনৰ উদাহৰণ**
        1. ১২ মাহৰ ভিতৰত মণ্ডলীৰ নতুন কিবা এটা নিৰ্মাণ কৰা
        2. সমাজৰ দুখীয়া লোকৰ বাবে খাদ্য পৰিৱেশনৰ ব্যৱস্থা এটা স্থাপন কৰা
        3. সমাজত এখন খ্ৰীষ্টীয়ান স্কুল স্থাপন কৰা
        4. ১০,০০০ লোকলৈ শুভবাৰ্তালৈ যোৱা

৪. এটা দৰ্শনে মণ্ডলী এটাক তেওঁলোকৰ বাবে ঈশ্বৰে দিয়া লক্ষ্য পূৰণ কৰাত সহায় কৰে

- ঈশ্বৰে দিয়া দৰ্শন সাধাৰণতে আমি নিজাববীয়াকৈ সহজে লাভ কৰিব পৰা বস্তু নহয়। **যোহন ১৫:৫** – **"ঈশ্বৰৰ বাহিৰে তোমালোকে একো কৰিব নোৱাৰা।"**

- মণ্ডলীৰ বাবে ঈশ্বৰৰ নেতৃত্ব বিচৰাটো অতি প্ৰয়োজনীয়
  **মথি ১৯:২৬** – **"ই মানুহৰ অসাধ্য, কিন্তু ঈশ্বৰৰ সকলো সাধ্য।"**

৫. মণ্ডলীৰ দৰ্শন এটাই ইয়াক কামত সক্ৰিয় আৰু শক্তিশালী কৰে

- যেতিয়া সদস্যসকল দৰ্শনটোৰ অংশীদাৰ হয় তেতিয়া তেওঁলোক জড়িত হোৱাৰ সম্ভাৱনা বেছি
- এটা দৰ্শনে সদস্যসকলক কাম কৰি অৰ্জন কৰিবলৈ কিবা এটা দিয়ে
- এটা দৰ্শনে মানুহবোৰক বৃহৎ কিবা এটাৰ অংশীদাৰ বুলি অনুভৱ কৰাত সহায় কৰা

****টোকা: <u>দৰ্শন এটা মিছন উক্তি নহয়</u>**

- এটা মিছন উক্তিয়ে আপুনি কি কৰিব সেইটো কয় কিন্তু ক'লৈ গৈ আছে সেইটো নকয়

<u>কেনেকৈ এটা **দৰ্শন** গঢ়ি তুলিব পাৰি</u>

**খোজ** #১: ঈশ্বৰৰ পৰিচালনা আৰু প্ৰকাশৰ বাবে প্ৰাৰ্থনা কৰক

- ঈশ্বৰে আপোনাক আপোনাৰ সমাজ অথবা পৃথিবীত কেনেদৰে ব্যৱহাৰ কৰিব পাৰে সোধক
- আপুনি ঈশ্বৰৰ বাবে কি কৰাটো ঈশ্বৰে বিচাৰে সোধক

**খোজ #২:** কিবা এটা **ডাঙৰ** চিন্তা কৰক

- আপোনাৰ যি আছে তাৰ দ্বাৰা আপোনাক সীমাৱদ্ধ নকৰিব
- আপোনাক লগাখিনি দিবলৈ ঈশ্বৰক সুবিধা দিয়ক

**খোজ #৩:** এইটো গঢ়ি তোলোতে আন নেতাসকলকো জড়িত কৰক

**খোজ #৪:** দৰ্শনটো লিখক আৰু বিকল্প অথবা আন পথৰ কথাও বিবেচনা কৰক

- সেইবোৰৰ বিষয়ে চিন্তা কৰিবলৈ আৰু প্ৰাৰ্থনা কৰিবলৈ সময় লওঁক
- সেইবোৰৰ ওপৰত আনৰ পৰাও মতামত খোজক

**খোজ #৫:** প্ৰাৰ্থনা কৰক আৰু যিটো দৰ্শনৰ বাবে ঈশ্বৰে আপোনাক মাতিছে বুলি অনুভৱ কৰে সেইটো বাছক!

**খোজ** #৬ দৰ্শনটোৰ বিষয়ে আনক জনাওঁক

- সজাগতা আৰু সংপৃক্ততা গঢ়ি তুলিবৰ বাবে নেতাসকলে দৰ্শনটো প্ৰায়ে আনক ক'ব লাগিব
- এজন নেতা হিচাবে, আপুনি দৰ্শনটোৰ প্ৰতি উচৰ্গিত হ'ব লাগিব

#৩. **<u>নেতাসকলৰ এটা আঁচনি থাকে</u>**

**হিতোপদেশ ১৬:৩**

***“তুমি তোমাৰ কাৰ্যৰ ভাৰ যিহোৱাত সমৰ্পণ কৰা; তাতে তোমাৰ অভিপ্ৰায় সিদ্ধ হ’ব৷”***

ক. এজন নেতাই দৰ্শনটোত উপনীত হ’বলৈ আঁচনি কৰে

- আঁচনি অবিহনে আপুনি দৰ্শনটোত উপনীত নোহোৱাৰ সম্ভাৱনা থাকে
- আঁচনি এটাই আপোনাক সমল আৰু কাৰ্যবোৰ দৰ্শনটোৰ দিশত সংগঠিত কৰিবলৈ সহায় কৰে
- এটা দৰ্শন অবিহনে নেতা এজনে আঁচনি কৰিব নোৱাৰে

খ. এজন নেতাই ঈশ্বৰৰ সমলনোৰ ঈশ্বৰৰ দৰ্শনৰ বাবে প্ৰৱন্ধিত কৰে

- ঈশ্বৰে নেতাৰবোৰক ব্যৱহাৰ কৰিবলৈ সমলবোৰ দিয়ে
- ঈশ্বৰে তেওঁৰ সমলবোৰ নেতাসকলে বুদ্ধিমানভাবে ব্যৱহাৰ কৰাটো বিচাৰে
- ঈশ্বৰে তেওঁৰ বিনিয়োগৰ পৰা কিবা লাভ আশা কৰে

গ. এজন নেতাৰ কাম হৈছে কামটোৰ আঁচনি কৰা আৰু আঁচনিমতে কাম কৰা

- এজন নেতাই আঁচনিটো ক্ৰমাগতভাবে আপডেট কৰি থাকিব লাগিব
- এটা ভাল আঁচনিয়ে নেতাসকলক উত্তম সিদ্ধান্ত লোৱাত সহায় কৰে
- এটা ভাল আঁচনিয়ে ঈশ্বৰৰ সমলবোৰ অপচয় হোৱাৰ পৰা বচায়

#৪. **<u>নেতাসকলে মানুহ গঢ়ি তোলে</u>**

**লূক ৯:১-২**

***“যীচুৱে সেই বাৰজন পাঁচনিক মাতি গোটাই, সকলো ভূতৰ ওপৰত, আৰু ৰোগ সুস্থ কৰিবলৈকো শক্তি আৰু ক্ষমতা দি, ঈশ্বৰৰ ৰাজ্যৰ কথা ঘোষণা কৰিবলৈ, আৰু নৰিয়াক ভাল কৰিবলৈ পঠাই দিলে৷ ”***

ক. নেতাসকলে শিষ্য তৈয়াৰ কৰাত সকলোতকৈ গুৰুত্ব দিয়ে (মথি ২৮:১৯-২০)

- বাক্য শিকাবলৈ আৰু ঘোষণা কৰিবলৈ
- তেওঁলোকক বাধ্য হ’বলৈ শিকায়

খ. নেতাসকলে আনক পৰিচৰ্যাৰ বাবে প্ৰশিক্ষণ দিয়ে আৰু সজ্জিত কৰে

- প্ৰতিজনৰ আত্মিক বৰ কি জানে আৰু ব্যৱহাৰ কৰে
- পৰিচৰ্যাত অংশ গ্ৰহণ কৰিবলৈ উৎসাহিত কৰে

গ. নেতাসকলে আন নেতাসকলক নিয়োগ আৰু বিকাশ কৰে

- তেওঁলোকৰ পৰিচৰ্যা বৃদ্ধি কৰিবলৈ
- পৰিচৰ্যা চলাই ৰাখিবলৈ
- যিমানেই বেছি নেতা থাকিব সাফল্যৰ সম্ভাৱনাও বৃদ্ধি পাব

#**৫. <u>নেতাসকলে সাফল্যপ্ৰাপ্তিৰ ওপৰত গুৰুত্ব দিয়ে</u>**

**ৰোমীয়া ১৪:১২**

***“এতেকে আমাৰ প্ৰতিজনে ঈশ্বৰৰ আগত নিজৰ নিজৰ বিষয়ে হিচাব দিবা.”***

ক. নেতাসকলে লক্ষ্য প্ৰাপ্তি আৰু ফলাফল উৎপন্ন কৰাৰ ওপৰত গুৰুত্ব দিয়ে

- নেতাজনে সদায় দৰ্শনটো মনত ৰাখে
- নেতাজনে সাফল্য জোখে উৎপন্ন হোৱা ফলাফলৰ ভিত্তিত

খ. নেতাসকলে তেওঁলোকৰ বিনিয়োগৰ পৰা সৰ্বাধিক লাভ হোৱা ক্ষেত্ৰবোৰত মনোযোগ দিয়ে

- এজন নেতাই সম্পদবোৰ সৰ্বাধিক সফলতাৰ ক্ষেত্ৰলৈ বোৱাই নিয়ে
- এজন নেতাই ফলহীন পৰিচৰ্যাবোৰ পৰিত্যাগ কৰে

গ. কৰ্মব্যস্ততাই সফলতা নহয় বুলি নেতাবোৰে বুজি পায়

- এজন নেতাই পৰিচৰ্যাবোৰ জোখে সেইবোৰৰ কাৰ্যকাৰিতাৰ ভিত্তিত
- এজন নেতাই কাম-কাজবোৰৰ মূল্যায়ন কৰে দৰ্শনৰ ওপৰত সেইবোৰৰ প্ৰভাৱৰ যোগেৰে

**লূক ১০: ৩৮-৪২**

**“পাছে তেওঁলোক যাওঁতে যাওঁতে, তেওঁ এখন গাঁৱত সোমাল; তাতে মাৰ্থা নামেৰে এজনী তিৰোতাই তেওঁক নিজৰ ঘৰত আলহীকৈ ৰাখিলে৷ আৰু মৰিয়ম নামেৰে তেওঁৰ ভনীয়েকে, প্ৰভুৰ চৰণৰ ওচৰত বহি, তেওঁৰ বাক্য শুনি থাকিল৷ কিন্তু মাৰ্থাই অনেক আলপৈচান ধৰি ব্যাকুল হৈ, তেওঁৰ ওচৰলৈ আহি ক’লে, হে প্ৰভু, আলপৈচান ধৰিবলৈ মোৰ ভনীয়ে যে মোক অকলেই এৰিলে, ইয়ালৈ আপুনি মন নকৰেনে? এতেকে মোক সহায় কৰিবলৈ তাইক আজ্ঞা দিয়ক৷ তাতে প্ৰভুৱে উত্তৰ দি তেওঁক ক’লে, মাৰ্থা, মাৰ্থা, তুমি অনেক বিষয়ত চিন্তিত আৰু ব্যস্ত হৈ আছা; কিন্তু প্ৰয়োজনীয় এটাহে৷ কিয়নো মৰিয়মে সেই উত্তম ভাগ মনোনীত কৰিলে; তাক তেওঁৰ পৰা নিয়া নহ’ব ’।”**

(এই শাস্ত্ৰাংশই এই কথাটো দেখুৱাইছে যে মাৰ্থা কাৰ্য্যৰ বিষয়ে চিন্তিত আছিল, আনহাতে মৰিয়ম সফলতাৰ বিষয়ে চিন্তিত আছিল৷)

# মিছন & দৰ্শন

১. **এটা মিছন উক্তি লিখক** (ঈশ্বৰে আপোনাক তেওঁৰ বাবে কি কৰিবলৈ মাতি আছে?)

২. **এটা দৰ্শন উক্তি লিখক** (কি পৰিচৰ্যা লক্ষ্য সম্পূৰ্ণ কৰিবলৈ ঈশ্বৰে আপোনাক কৈ আছে?)

**দৰ্শন উক্তিটোত ইয়াৰ সম্পূৰ্ণতাৰ পৰিমাণ নিৰ্দ্ধাৰণ কৰাৰ এটা উপায় অন্তৰ্ভুক্ত হ'ব লাগে

**অধ্যায় ২**

## <u>এজন বাইবেলসন্মত নেতা হোৱা</u>

***"ময়েই দ্ৰাক্ষালতা, তোমালোক ডাল; যিজন মোত থাকে, আৰু ময়ো যিজনত থাকোঁ, সেইজন বহু ফলৱান হয়; কিয়নো মোৰ বাহিৰে তোমালোকে একো কৰিব নোৱাৰা। কোনোৱে যদি মোত নাথাকে, তেন্তে তাক ডালৰ দৰে বাহিৰলৈ পেলোৱাত, সি শুকাই যায়; আৰু সেইবোৰ গোটাই জুইত পেলাই দিয়া হয়, তাতে পোৰা যায়। তোমালোক যদি মোত থাকা, আৰু মোৰ কথাও যদি তোমালোকত থাকে, তেন্তে যিহকে ইচ্ছা কৰা, তাকে খোজা, তাকে তোমালোকলৈ কৰা হ'ব। ইয়াতে, তোমালোকত অধিক ফল ধৰিবলৈ মোৰ পিতৃ মহিমান্বিত হয়; আৰু ইয়াৰেই তোমালোক মোৰ শিষ্য হৈ হৈ যাবা।"***

**যোহন ১৫:৫-৮**

আনক নেতৃত্ব দিওঁতে বাইবেলসন্মত নীতি মানি চলাটোৱেই সম্ভৱতঃ প্ৰতিজন নেতাই বিচাৰিবলগীয়া সকলোতকৈ প্ৰয়োজনীয় কথা, কাৰণ যীচুৱে আমাক তাকে শিকাবলৈ আহিছিল। যদিও এইটো আমাৰ বাবে সকলো সময়তে অৰ্থপূৰ্ণ যেন নালাগিব পাৰে, যদি আমি আমাৰ পথৰ সলনি ঈশ্বৰৰ পথত চলোঁ, আমাৰ পৰিচৰ্যা অধিক ফলপ্ৰসূ হ'ব। আমাৰ হয়তো প্ৰচণ্ড নেতৃত্বৰ ক্ষমতা থাকিব পাৰে, কিন্তু যদি ই ঈশ্বৰৰ বাক্যৰ ওপৰত আধাৰিত নহয়, তেন্তে আমি আমাৰ অনুগামীসকলক ভুল দিশে লৈ যোৱাৰ সম্ভাৱনা থাকে। এই অধ্যায়ত আমি কাৰ্যকৰী নেতাৰ ১০টা বাইবেলসন্মত বৈশিষ্ট্য আৰু বৰ্তমান যুগত নেতাসকলে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ বিষয়ে চাম।

### I. পৰিচয়

**খ্ৰীষ্টীয়ান নেতাৰ লক্ষ্য কি?**

ই **<u>নহয়</u>** ………….  উপস্থিতি আৰু অংশগ্ৰহণ বঢ়োৱা

ই হৈছে … ............ **<u>আনত খ্ৰীষ্টই গঢ় লোৱা দেখিবলৈ পোৱা!</u>**
***"হে মোৰ বোপাহঁত, যেতিয়ালৈকে তোমালোকত খ্ৰীষ্টৰ আকাৰ উৎপন্ন নহয়, তেতিয়ালৈকে মই তোমালোকৰ নিমিত্তে আকৌ প্ৰসৱ বেদনা ভোগ কৰিছোঁ।"***
**(গালাতীয়া ৪:১৯)**

**এজন খ্ৰীষ্টীয়ান নেতা এজন অখ্ৰীষ্টীয়ান নেতাতকৈ কিহত বেলেগ?**

তেওঁ জানে যে - ***"ঈশ্বৰত লাগি নাথাকিলে তেওঁ একো কৰিব নোৱাৰে!"*** **(যোহন ১৫:৫)**

### II. নেতৃত্বৰ বৈশিষ্ট্য: এজন কাৰ্যকৰী নেতাই নিম্নোক্ত ১০ টা বৈশিষ্ট্য প্ৰদৰ্শন কৰে:

১. এজন কাৰ্যকৰী নেতা হ'ব লাগিব … এজন **<u>স্বপ্নদৰ্শী</u>**

***"ঐশ্বৰিক দৰ্শনৰ অভাৱত প্ৰজাবিলাক অবাধ্য হয়।"*** **হিতোপদেশ ২৯:১৮**

- আপুনি লক্ষ্য নিৰ্দ্ধাৰণ কৰিব লাগিব
- আপুনি ইয়াক এনেকৈ প্ৰকাশ কৰিব লাগিব যাতে আনো আপোনাৰ দৰ্শনটোৰ সমভাগী হয়

উদাহৰণ: **মোচি** (জ্বলন্ত জোপোহাত ঈশ্বৰৰ পৰা দৰ্শন লাভ কৰিছিল – যাত্ৰা পুস্তক ৩)

২. এজন কাৰ্যকৰী নেতা হ'ব লাগিব … **<u>মিছনৰ মন থকা</u>**

***"তেতিয়া তেওঁ নিজৰ শিষ্যবিলাকক ক'লে, শস্য সৰহ, কিন্তু বনুৱা তাকৰ৷ এই হেতুকে নিজৰ শস্যক্ষেত্ৰলৈ বনুৱাবিলাকক পঠাই দিবলৈ, শস্যৰ গৰাকীত প্ৰাৰ্থনা কৰা৷"*** **মথি ৯:৩৭-৩৮**

- অনা-বিশ্বাসীসকলক বাৰ্তা দিয়াত দৃষ্টি কেন্দ্ৰীভূত কৰি ৰাখক৷
- আন বিশ্বাসীসকলৰ শিষ্যত্বৰ বিষয়টো চিন্তা কৰক৷

উদাহৰণ: **পৌল** (মিছনেৰী যাত্ৰা কৰিছিল – পাচঁনিৰ কৰ্ম )

৩. এজন কাৰ্যকৰী নেতা হ'ব লাগিব ….**<u>আবেগিক হাবিয়াসপূৰ্ণ.</u>**

***"কিন্তু ইচ্ছা কৰিবলৈ প্ৰস্তুততা যেনে, তেনেকৈ শক্তি অনুসাৰে সিদ্ধিও যেন হয়, এই নিমিত্তে এতিয়া কাৰ্যও সিদ্ধ কৰা৷"*** ২ **কৰিন্থীয়া** ৮:১১

- আপুনি আপোনাৰ পৰিচৰ্যাৰ কথা গভীৰভাবে ভাবিব লাগিব৷
- আপুনি সফলতাৰ বাবে উচৰ্গিত হ'ব লাগিব (আবেগপূৰ্ণ হাবিয়াস = উচৰ্গিত মনোভাব)৷

উদাহৰণ: **ষ্টিফান** (তেওঁ উদ্দেশ্যৰ প্ৰতি উচৰ্গিত মনোভাবৰ আছিল – পাঁচনিৰ কৰ্ম ৭)

৪. এজন কাৰ্যকৰী নেতা হ'ব লাগিব ….**<u>আত্মাৰে পৰিচালিত৷</u>**

***"কিন্তু যেতিয়া তোমালোকৰ ওপৰলৈ পৱিত্ৰ আত্মা আহিব, তেতিয়া তোমালোকে শক্তি পাবা৷ আৰু যিৰুচালেম আদি কৰি গোটেই যিহূদীয়া আৰু চমৰিয়া দেশত, আৰু পৃথিবীৰ সীমালৈকে তোমালোক মোৰ সাক্ষী হবা৷"*** **পাঁচনিৰ কৰ্ম ১:৮**

- পৱিত্ৰ আত্মাক আপোনাক নিৰ্দেশনা দিবলৈ দিয়ক৷
- সংযোজিত হৈ থাকক আপোনাৰ শক্তিৰ উৎসৰ লগত– পৱিত্ৰ আত্মা!

উদাহৰণ: **দানিয়েল** (তেওঁ তেওঁৰ বিশ্বাস অস্বীকাৰ নকৰে – দানিয়েল ৬)

৫. এজন কাৰ্যকৰী নেতা হ'ব লাগিব ….এজন **<u>দাস৷</u>**

***"তোমালোকৰ মাজত তেনে নহ'ব; কিন্তু যিদৰে মানুহৰ পুত্ৰই সেৱা শুশ্ৰূষা পাবলৈ নহয় , সেৱা শুশ্ৰূষা কৰিবলৈ আৰু অনেকৰ মুক্তিৰ মূল্যৰ অৰ্থে নিজৰ প্ৰাণ দিবলৈহে আহিল, সেইদৰে যিকোনোৱে তোমালোকৰ মাজত মহান হ'বলৈ ইচ্ছা কৰে, তেওঁ তোমালোকৰ পৰিচাৰক হওঁকা৷"*** **মথি ২০:২৬-২৭**

- নেতাজনক তেওঁৰ অনুগামীসকলৰ সেৱা কৰিবলৈ আমন্ত্ৰণ জনোৱা হৈছে তেওঁলোকৰ দ্বাৰা সেৱা পাবলৈ নহয়৷
- এজন দাস নেতাই তেওঁৰ অনুগামীসকলক বৃদ্ধি পাবলৈ আৰু সফল হ'বলৈ সহায় কৰে৷

উদাহৰণ: যীচু (তেওঁৰ শিষ্যসকলৰ ভৰি ধুউৱা – যোহন ১৩)

৬. এজন কাৰ্যকৰী নেতা হ'ব লাগিব ….**<u>লক্ষ্যত থিৰ৷</u>**

***"হে ভাইবিলাক মইযে ধৰিলোঁ, নিজৰ বিষয়ে এনেভাব এতিয়ালৈকে কৰা নাই; কিন্তু এটা কথা, পাছত থকা সকলোকে পাহৰি, আগত থকাবোৰলৈ যত্ন কৰি , খ্ৰীষ্ট যীচুত ঈশ্বৰে কৰা স্বৰ্গীয় আমন্ত্ৰণৰ বঁটাৰ অৰ্থে ঘাইলৈ লৰি গৈ আছোঁ৷"*** **ফিলিপীয়া ৩:১৩-১৪**

- আপোনাৰ দৰ্শন আৰু মিছনৰ সৈতে সম্পৰ্ক নথকা বিষয়বোৰৰ দ্বাৰা বিচলিত নহ'ব৷
- চয়তানক আপোনাক অপথে নিবলৈ নিদিব৷

উদাহৰণ: নহিমিয়া (যিৰুচালেমৰ মন্দিৰ নিৰ্মাণত মনোনিৱেশ – নহিমিয়া ৬)

৭. এজন কাৰ্যকৰী নেতা হ'ব লাগিব ….**<u>সাহসী।</u>**

***"পাছে মোচিয়ে যিহোচূৱাক মাতি, গোটেই ইস্ৰায়েলৰ সাক্ষাতে তেওঁক ক'লে, তুমি বলৱান হোৱা, আৰু অতিশয় সাহিয়াল হোৱা, কিয়নো যিহোৱাই ইবিলাকক যি দেশ দিম বুলি ইবিলাকৰ পূৰ্ব-পুৰুষবিলাকৰ আগত শপত কৰিছিল, সেই দেশত এই লোকবিলাকেৰে সৈতে তুমিহে সোমাবা, আৰু ইবিলাকক সেই দেশ তুমিহে অধিকাৰ কৰাবা। আৰু যিহোৱা নিজেই তোমাৰ আগত যাওঁতা; তেৱেঁই তোমাৰ সহায় হ'ব; তেওঁ তোমাক নেৰিব, তোমাক ত্যাগ নকৰিব; তুমি ভয় নকৰিবা আৰু ব্যাকুল নহ'বা।"*** **দ্বিতীয় বিৱৰণ ৩১:৭-৮**

- নেতাজন বিশ্বাসেৰে আগবাঢ়ি যাবলৈ ইচ্ছুক।
- নেতাজনে অধিক সাফল্য অৰ্জন কৰিবলৈ বিপদাশংকাৰ মুখামুখি হ'বলৈ ইচ্ছুক।
- ঈশ্বৰে আপোন সজ্জিত কৰিব আৰু শক্তি দিব।

উদাহৰণ: **দায়ূদ** (গলিয়াথৰ সৈতে যুদ্ধ – ১ চমূৱেল ১৭)

৮. এজন কাৰ্যকৰী নেতা হ'ব লাগিব ….**<u>বিশ্বাসকাৰী।</u>**

***"তুমি সমস্ত মনেৰে সৈতে যিহোৱাত ভৰসা কৰা; তোমাৰ নিজ বিবেচনাত তুমি নিৰ্ভৰ নকৰিবা। "*** **হিতোপদেশ ৩:৫**

- নেতাজনে ঈশ্বৰত ভৰসা কৰে, কেৱল যিজনেই মাত্ৰ বিশ্বাসী আৰু সত্য।
- পৰিস্থিতিয়ে বেলেগ বুজালেও নেতাজনে ঈশ্বৰত ভৰসা ৰাখে।

উদাহৰণ: **অব্ৰাহাম** (ইচহাকক বলি দিয়া – আদি পুস্তক ২২)

৯. এজন কাৰ্যকৰী নেতা হ'ব লাগিব ….**<u>সাজু।</u>**

***"তুমি বাক্য ঘোষণা কৰা; সময়ত আৰু অসময়তো উৎসাহী হোৱা; সম্পূৰ্ণ চিৰসহিষ্ণুতা আৰু উপদেশেৰে অনুযোগ কৰা, ডবিওৱা আৰু উদগোৱা।"*** ২ **তীমথিয়** ৪:২

- সাজু হ'বৰ বাবে ত্যাগ আৰু আগতীয়া পৰিকল্পনাৰ প্ৰয়োজন।
- সাফল্য হৈছে ১% অনুপ্ৰেৰণা আৰু ৯৯% প্ৰস্তুতি।

উদাহৰণ**: যোচেফ** (আকালৰ বাবে প্ৰস্তুতি চলাইছিল – আদি পুস্তক ৪১)

১০. এজন কাৰ্যকৰী নেতা হ'ব লাগিব ….**<u>সুবিধা গ্ৰহণকৰোঁতা।</u>**

***"আৰু সৎকৰ্ম কৰি কৰি আমি নিৰুৎসাহ নহওঁহক; কিয়নো আমি ক্লান্ত নহ'লে উচিত সময়ত দাবলৈ পাম। এই হেতুকে আহা শুভক্ষণ পালে, সকলোলৈ, বিশেষকৈ পৰিয়ালস্বৰূপ বিশ্বাস কৰাবিলাকলৈ হিতজনক কৰ্ম কৰোঁহক।"*** **গালাতীয়া ৬:৯-১০**

- দিনটো ধৰি ৰাখক (ঈশ্বৰে আজি আপোনাক দিয়া সুযোগৰ সুবিধা লওঁক)
- তেনে সুযোগৰ বাবে সজাগ হৈ থাকক।

উদাহৰণ: **ইষ্টেৰ** (তেওঁৰ লোকসমূহক ধ্বংস হোৱাৰ পৰা বচাইছিল – ইষ্টেৰ ৪)

## II. নেতৃত্বৰ প্ৰত্যাহ্বানবোৰ

***"বাস্তৱিক খ্ৰীষ্ট যীচুত ভক্তিভাৱে জীৱন ধাৰণ কৰিবলৈ ইচ্ছা কৰা সকলোবিলাকে তাড়না পাব।"***

**২ তীমথিয় ৩:১২**

নেতৃত্বৰ প্ৰত্যাহ্বানমূলক দিশবোৰো আছে:

ক. একেবাৰে ওপৰত মাত্ৰ এজন নেতাহে থাকিব পাৰে

১. জ্ঞানী হওক

২. ন্যায়পৰায়ণ হওক

৩. নিৰ্ণায়ক হওক

খ. আপোনাৰ সৈতে সকলোৱে সকলো সময়তে একমত নহ'ব

১. আপোনাৰ সিদ্ধান্তৰ প্ৰতি প্ৰত্যাহ্বান আশা কৰক

২. কোনো এটা বিষয়ত মানুহৰ দৃষ্টিভঙ্গীৰ পাৰ্থক্য থাকে

৩. আপোনাৰ সিদ্ধান্তৰ সপক্ষে যুক্তি আৰু শাস্ত্ৰৰ ভিত্তিত কবলৈ সমৰ্থ হওঁক, আবেগেৰে নহয়

গ. সবু সংঘৰ্ষবোৰ জয় কৰিও যুদ্ধত পৰাস্ত হোৱাটো সহজ

১. হ্ৰস্বম্যাদী লক্ষ্যবোৰ পূৰণ কৰিবলৈ চেষ্টা কৰি আপোনাৰ দীৰ্ঘম্যাদী দৰ্শনটো দৃষ্টিৰ আঁতৰ নকৰিব

২. আপোনাৰ প্ৰাথমিকতাবোৰ পোন কৰি ৰাখক

৩. নমনীয় হওঁক, কিন্তু আপোনাৰ নীতিবোৰ কেতিয়াও নেৰিব

# <u>নেতৃত্ব আত্ম-মুল্যায়ন</u>

| |
|---|
| **নির্দেশনা: নিম্নোক্ত স্কেল অনুসাৰে প্ৰতিটো গুণত আপোনাৰ নিজক নম্বৰ দিয়ক:** |
| ১=**কাচিৎ** ২=**কেতিয়াবা** ৩=**প্ৰায়ে** ৪=**সাধাৰণতে** ৫=**সদায়** |

| **গুণ** | **স্ক’ৰ** |
|---|---|
| ১. স্বপ্নদৰ্শী | _______ |
| ২. মিছনৰ মন থকা | _______ |
| ৩. আবেগপূৰ্ণ হাবিয়াস থকা | _______ |
| ৪. আত্মাৰে পৰিচালিত | _______ |
| ৫. দাস | _______ |
| ৬. লক্ষ্যত থিৰ | _______ |
| ৭. সাহসী | _______ |
| ৮. বিশ্বাসকাৰী | _______ |
| ৯. সাজু | _______ |
| ১০.সুবিধা গ্ৰহণকৰোঁতা | _______ |
| মুঠ | _______ |

| **সৰ্বমুঠ স্ক’ৰ** | **অৰ্থ** |
|---|---|
| ৪০+ | আপোনাৰ শক্তিশালী নেতৃত্ব কৌশল আছে৷ ঈশ্বৰে আপোনাক সঁচাকৈয়ে ব্যৱহাৰ কৰিব পাৰে! |
| ৩০-৩৯ | আপোনাৰ কিছুমান নেতৃত্ব কৌশল আছে, কিন্তু তথাপি উন্নতি কৰাৰ স্থল আছে৷ |
| ২০-২৯ | আপুনি মাজে-সময়ে নেতৃত্ব প্ৰদৰ্শন কৰিছে, কিন্তু ভালেকেইটা দিশত উন্নতি কৰাৰ প্ৰয়োজন আছে৷ |
| ১০-১৯ | আপোনাৰ নেতৃত্বৰ কৌশল দুৰ্বল৷ যথেষ্ট প্ৰশিক্ষণ আৰু উন্নতিৰ প্ৰয়োজন আছে৷ |
| ০-৯ | আপুনি কোনো নেতৃত্বৰ সামৰ্থ প্ৰদৰ্শন নকৰে৷ প্ৰশিক্ষণ বিচাৰক নহলে আন এটা কাম৷ |

## অধ্যায় ৩

## <u>নেতৃত্বৰ শৈলী</u>

***“আৰু যেতিয়ালৈকে আমি সকলোৱে ঈশ্বৰৰ পুত্ৰ বিষয়ক বিশ্বাসৰ আৰু জ্ঞানৰ ঐক্যত মিলি, সিদ্ধ পুৰুষৰ অৱস্থা, অৰ্থাৎ খ্ৰীষ্টৰ পৰিপূৰ্ণতাৰ বয়সৰ পৰিমাণ নাপাওঁ, তেতিয়ালৈকে পৰিচৰ্যা-কৰ্ম সাধন কৰিবলৈ, আৰু খ্ৰীষ্টৰ শৰীৰ বৃদ্ধি কৰিবলৈ, পৱিত্ৰবিলাকৰ সিদ্ধিৰ অৰ্থে, তেওঁ কিছুমানক পাঁচনি, কিছুমানক ভাববাদী, কিছুমানক শুভবাৰ্তা প্ৰচাৰক, কিছুমানক ৰক্ষক আৰু শিক্ষক হ’বলৈ দিলে”"***

**ইফিচীয়া ৪:১১-১২**

ঈশ্বৰৰ লোকসকলক সেৱাৰ কামৰ বাবে প্ৰস্তুত কৰিবলৈ আৰু খ্ৰীষ্টৰ শৰীৰ গঢ়ি তুলিবলৈ ঈশ্বৰে প্ৰতিজন নেতাক নিজৰ সামৰ্থ্য অনুসাৰে নেতৃত্ব দিবলৈ আহ্বান জনাইছে। আমি প্ৰত্যেকে কেনেকৈ নেতৃত্ব দিওঁ, সেইটো অৱশ্যে ব্যক্তিগত শৈলী আৰু সুবিধাৰ কথা। নেতা হিচাপে আমি সাধাৰণতে আমাৰ নিজৰ ব্যক্তিত্ব, প্ৰতিভা আৰু অভিজ্ঞতাৰ লগত খাপ খোৱাকৈ নেতৃত্ব দিওঁ, পৰিচালনা কৰোঁ আৰু কাৰ্যবোৰ কৰোঁ। কিছুমান পৰিস্থিতিত আমি নেতৃত্ব দিয়াৰ ধৰণটো অতি ফলপ্ৰসূ হ’ব পাৰে আনহাতে কিছুমান পৰিস্থিতিত কাৰ্যকাৰিতাহীন হ’ব পাৰে। গতিকে আমাৰ নেতৃত্বৰ শৈলী আৰু আনৰ শৈলী বুজি ল’লে, বিভিন্ন পৰিস্থিতিত আমি আমাৰ নেতৃত্বৰ ক্ষমতা অধিক ফলপ্ৰসূভাৱে প্ৰয়োগ কৰাত সহায়ক হয়। এই অধ্যায়ত আমি নেতৃত্বৰ ৪টা মৌলিক শৈলী আৰু সৰ্বোচ্চ ফলপ্ৰসূতাৰ বাবে সেইবোৰ কেনেকৈ ব্যৱহাৰ আৰু প্ৰয়োগ কৰিব পাৰি সেই বিষয়ে চাম।

### I. নেতৃত্বৰ শৈলীবোৰ কি কি?

- জৰ্জ বাৰ্ণাই তেওঁৰ “এ ফিছ আউট অব ৱাটাৰ” (ইন্টিগ্ৰিটি পাব্লিচাৰচ, ২০০২) ত কোৱাৰ দৰে নেতৃত্বৰ ৪ টা শৈলী আছে।

  ১. **নিৰ্দেশনা দিয়া** নেতা
    - এই ধৰণৰ নেতা সাধাৰণতে দূৰদৰ্শী ব্যক্তি
    - এই ধৰণৰ নেতাই সবিশেষৰ ওপৰত নহয়, ফলাফলৰ ওপৰত গুৰুত্ব দিয়ে

  ২. **কৌশলগত** নেতা
    - এনে নেতাই তথ্য বিশ্লেষণ কৰি বিভিন্ন পৰিস্থিতিৰ মূল্যায়ন কৰি ভাল পায়
    - এনে নেতাই দৰ্শন এটাৰ বাবে পৰিকল্পনা প্ৰস্তুত কৰি আৰু গঢ় দি ভাল পায়

  ৩. **দল-গঢ়া** নেতা
    - এনে নেতাই কামতকৈ মানুহৰ সম্পৰ্ক আৰু মানুহৰ অন্তৰ্ভুক্তিৰ প্ৰতিহে বেছি চিন্তা কৰে
    - এনে নেতাই দৰ্শনটো সফল কৰিবলৈ মানুহক সংগঠিত কৰি ভাল পায়

  ৪. **কাৰ্যকৰী** নেতা
    - এনে নেতাই দৰ্শনটো কামত লগাবলৈ প্ৰক্ৰিয়া বিকশিত কৰে
    - এনে নেতাই ব্যৱস্থা স্থাপন আৰু ফলাফল নিৰীক্ষণ কৰিবলৈ ভাল পায়

## II. আপোনাৰ নেতৃত্বৰ শৈলী নিৰ্ণয় কৰা

## আপোনাৰ নেতৃত্বৰ শৈলীটো কি?

তলত নেতৃত্বৰ আচৰণৰ বিষয়ে দিয়া বক্তব্যৰ তালিকা এখন দিয়া হৈছে। প্ৰতিটো ভালদৰে পঢ়ক, তাৰ পিছত তলৰ স্কেলটো ব্যৱহাৰ কৰি সিদ্ধান্ত লওক আপোনাৰ বাবে প্ৰকৃততে কোনটো প্ৰযোজ্য। উত্তম ফলাফলৰ বাবে যিমান পাৰি সত্যতাৰে উত্তৰ দিয়ক

| **কেতিয়াও নহয়** | **কাচিৎ** | **কেতিয়াবা** | **প্ৰায়ে** | **সাধাৰণতে** | **সদায়** |
|---|---|---|---|---|---|
| ০ | ১ | ২ | ৩ | ৪ | ৫ |

১.__________মই মোৰ দলটোক সিদ্ধান্ত গ্ৰহণত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰোঁ আৰু তেওঁলোকৰ ধাৰণা আৰু পৰামৰ্শসমূহ কাৰ্যকৰী কৰিবলৈ চেষ্টা কৰোঁ।

২.__________কোনো লক্ষ্য বা কাম সম্পন্ন কৰাতকৈ অধিক গুৰুত্বপূৰ্ণ একোৱেই নহয়।

৩.__________মানুহৰ প্ৰতি সন্মান আৰু মূল্য দিয়াটো মোৰ সৰ্বোচ্চ অগ্ৰাধিকাৰ।

৪.__________কোনো কাম বা প্ৰকল্প সময়মতে সম্পূৰ্ণ হোৱা নিশ্চিত কৰিবলৈ মই সময়সূচী ভালদৰে নিৰীক্ষণ কৰো।

৫.__________মই মানুহক নতুন কাম আৰু পদ্ধতিৰ বিষয়ে প্ৰশিক্ষণ দি ভাল পাওঁ।

৬.__________কাম এটা যিমানেই প্ৰত্যাহ্বানমূলক হয় মই সিমানেই উপভোগ কৰো।

৭.__________মই আনক নিজৰ কামত সৃষ্টিশীল হ'বলৈ উৎসাহিত কৰো।

৮.__________জটিল কাম এটা সম্পূৰ্ণ কৰোঁতে প্ৰতিটো খুটিনাতি লক্ষ্য কৰাটো  মই নিশ্চিত কৰোঁ।.

৯.__________মই প্ৰশিক্ষণ, নেতৃত্ব, মনোবিজ্ঞানৰ বিষয়ে প্ৰবন্ধ, কিতাপ, আলোচনী আদি পঢ়ি আৰু তাৰ পাছত পঢ়াখিনি কামত লগাই ভাল পাওঁ।

১০.__________একে সময়তে কেইবাটাও জটিল কাম সম্পন্ন কৰাটো মোৰ বাবে সহজ।

১১.__________আনৰ ভুল শুধৰাই দিওঁতে মই সম্পৰ্ক বিপন্ন হোৱাৰ আশংকা কৰো।

১২.__________মই মোৰ সময় অতি দক্ষতাৰে ব্যৱহাৰ কৰো।

১৩.__________মই নেতৃত্ব দিয়া লোকসকলক জটিল কাম বা প্ৰকল্পৰ জটিলতা আৰু খুটিনাতি বুজাই দিবলৈ ভাল পাওঁ।

১৪.__________বৃহৎ প্ৰকল্পবোৰক সৰু সৰু পৰিচালনাযোগ্য কামত বিভক্ত কৰি লোৱাটো মোৰ এটা স্বভাৱৰ নিচিনা।

১৫.__________এটা ডাঙৰ দল গঢ়ি তোলাতকৈ গুৰুত্বপূৰ্ণ একোৱেই নাই।

১৬.__________মই সমস্যা বিশ্লেষণ কৰি ভাল পাওঁ।

১৭.__________মই আনৰ সীমাক সন্মান কৰোঁ।

১৮.__________মই পৰিচৰ্যাৰ বিষয়ে প্ৰৱন্ধ আৰু কিতাপ পঢ়ি; আৰু তাৰ পাছত মই শিকা নতুন পদ্ধতিবোৰ কামত খটুৱাই ভাল পাওঁ।

১৯.__________আনক তেওঁলোকৰ প্ৰদৰ্শন আৰু আচৰণ উন্নত কৰিবলৈ পৰামৰ্শ দিয়াটো মোৰ বাবে এটা স্বভাৱৰ নিচিনা।

২০.__________মই কাৰ্য্যকলাপ আয়োজন আৰু পৰিকল্পনা কৰি ভাল পাওঁ।

**স্কৰ নিৰ্ণয় কৰা খণ্ড**

প্ৰশ্নাৱলি শেষ কৰাৰ পাছত, আপোনাৰ উত্তৰবোৰ তলত দিয়া স্থানলৈ আনক:

## ব্যক্তি

প্ৰশ্ন

১.__________

৩.__________

৫.__________

৭.__________

৯.__________

১১.__________

১৩.__________

১৫.__________

১৭.__________

১৯.__________

মুঠ ________________

(উত্তৰ ১০ ৰে হৰণ কৰক & আৰু তাৰপাছত ২ ৰে পূৰণ কৰক)

**স্ক’ৰ**: ________________

## কাৰ্য

প্ৰশ্ন

২.__________

৪.__________

৬.__________

৮.__________

১০.__________

১২.__________

১৪.__________

১৬.__________

১৮.__________

২০.__________


মুঠ ________________

(উত্তৰ ১০ ৰে হৰণ কৰক & আৰু তাৰপাছত ২ ৰে পূৰণ কৰক)

**স্ক’ৰ**: ________________

**ফলাফল খণ্ড**

আপোনাৰ চূড়ান্ত স্ক’ৰখিনি তলৰ গ্ৰাফত বহুৱাওঁক আপোনাৰ ব্যক্তি স্ক’ৰটো মেট্ৰিক্সটোৰ সোঁফালৰ উলম্ব অক্ষত এটা বিন্দু হিচাবে চিহ্নিত কৰি, আৰু আপোনাৰ কাৰ্য স্ক’ৰটো মেট্ৰিক্সটোৰ তলৰ আনুভূমিক অক্ষত এটা বিন্দু হিচাবে চিহ্নিত কৰি৷ তাৰপাছত প্ৰতিটো বিন্দুৰ পৰা দুডাল সৰল ৰেখা টানক সিহঁতে কটাকটি নকৰালৈকে৷ কটাকটি কৰা ক্ষেত্ৰখিনিয়েই আপুনি কাম কৰা নেতৃত্বৰ মাত্ৰা৷



## III. নেতৃত্বৰ শৈলী প্ৰয়োগ কৰা

১. জৰ্জ বাৰ্ণাৰ মতে, প্ৰতিজন নেতাৰ গাত এই শৈলীবোৰৰ এটা বেছিকৈ থাকে। তথাপি, সকলো নেতাৰ গাত প্ৰতিটো শৈলীৰ কোনোবা এটা দিশ থাকেই।

২. আন নেতৃত্ব শৈলী থকা নেতাৰে নিজকে পৰিৱেষ্টিত কৰি ৰাখক

- তেওঁলোক আপোনাৰ পৰিপূৰক হ'ব
- তেওঁলোকে আপুনি নোচোৱা ধৰণে বস্তুবোৰ চাব

  ***"বিনা পৰামৰ্শেৰে কৰা কল্পনা ব্যৰ্থ হয়; কিন্তু মন্ত্ৰীৰ বাহুল্যত সেয়ে সিদ্ধ হয়।"***

  **- হিতোপদেশ ১৫:২২**

৩. আপোনাৰ সবল দিশেৰে নেতৃত্ব দিয়ক, আপোনাৰ দুৰ্বলতাৰে নহয়

***"কিন্তু আমাক দিয়া অনুগ্ৰহৰ দৰে, আমি পৃথক পৃথক অনুগ্ৰহৰ বৰ প্ৰাপ্ত হোৱাত, সেই বৰ যদি ভাববাণী হয়, তেন্তে বিশ্বাসৰ পৰিমানেৰে তাক কওঁহঁক; যদি পৰিচৰ্যাৰ ভাৰ হয়, তেন্তে পৰিচৰ্যাতে থাকোঁহক, বা শিক্ষা দিওঁতাই শিক্ষা দিয়া কাৰ্যত, বা উদগাওঁতাই উদগোৱা কাৰ্যত থাকক, দান দিওঁতাই দানশীলতাৰে দান কৰক; শাসন কৰাজনে যত্নেৰে শাসন কৰক; দয়া কৰাজনে হৰ্ষিত মনেৰে দয়া কৰক।" – ৰোমীয়া ১২:৬-৮***

৪. পৰিস্থিতিগত নেতৃত্ব বুজক

- আপোনাৰ বেছিকৈ থকা নেতৃত্ব শৈলীটো **সকলো** পৰিস্থিতিতে ফলপ্ৰসূ নহ'ব

- কোনো এটা পৰিস্থিতিৰ বাবে কোনটো নেতৃত্ব শৈলী আটাইতকৈ ফলপ্ৰসূ হ'ব সেইটো নিৰ্ধাৰণ কৰক

  উদাহৰণ:

  ১. আপোনাৰ পৰিচৰ্যাক এটা নতুন দিশ দিয়া – **নিৰ্দেশনা দিয়া নেতৃত্ব (**যেতিয়া *কাৰ্য্যৰ* প্ৰয়োজন হয়**)**

  ২. আপোনাৰ পৰিচৰ্যাৰ বাবে আচনি প্ৰস্তুত কৰা – **কৌশলগত নেতৃত্ব (**যেতিয়া *বিশ্লেষণ* আৰু *পৰিকল্পনাৰ* প্ৰয়োজন হয়**)**

  ৩. আপোনাৰ পৰিচৰ্যাত হোৱা সংঘাতৰ সমাধান কৰা – **দল-গঢ়া নেতৃত্ব(**যেতিয়া *মানুহৰ* সৈতে *কাম কৰাৰ* প্ৰয়োজন হয়**)**

  ৪. আপোনাৰ পৰিচৰ্যাত প্ৰযুক্তি ব্যৱহাৰ কৰা – **কাৰ্যকৰী নেতৃত্ব (**যেতিয়া *পদ্ধতি* বা *প্ৰক্ৰিয়াসমূহৰ* প্ৰয়োজন হয়**)**

- আটাইতকৈ ফলপ্ৰসূ শৈলী থকা আপোনাৰ দলৰ আন এজন নেতাক নেতৃত্ব দিবলৈ দিয়াৰ কথা চিন্তা কৰক
  - আপুনিয়েই চূড়ান্ত কৰ্তৃত্ব বজাই ৰাখিব
  - আপুনি আপোনাৰ দলৰ আন এজন নেতাক কোনো এটা প্ৰকল্প/কাৰ্য্যৰ নেতৃত্ব অৰ্পণ কৰে

৫. কোনো এটা পৰিস্থিতিত ভুল নেতৃত্ব শৈলী প্ৰয়োগ কৰাৰ পৰিণতি আছে

- আপোনাৰ নেতৃত্বক প্ৰতিহত কৰাৰ সম্ভাৱনা থাকে
- আপুনি আপোনাৰ বিশ্বাসযোগ্যতাৰ ক্ষতি কৰিব পাৰে
- আপুনি অবাঞ্চিত সংঘাতৰ সৃষ্টি কৰিব পাৰে
- পৰিচৰ্যাটো স্থবিৰ হৈ পৰিব পাৰে বা ক্ষতিগ্ৰস্ত হ'ব পাৰে

# <u>নেতৃত্ব শৈলী অনুশীলন</u>

পৰামৰ্শ: বাওঁফালৰ স্তম্ভত দিয়া প্ৰতিটো পৰিস্থিতিত, উপযুক্ত নেতৃত্ব শৈলীটো (বোৰ) উল্লেখ কৰক, যিবোৰ ব্যৱহাৰ কৰা উচিত বা কৰিব পাৰি (নিৰ্দেশনা দিয়া, কৌশলগত, দল-গঢ়া, কাৰ্যকৰী):

| **পৰিস্থিতি** | **ব্যৱহাৰ কৰিবলগীয়া নেতৃত্ব শৈলী(বোৰ)** |
|---|---|
| ১. আপোনাৰ গীৰ্জালৈ এটা কম্পিউটাৰৰ দিয়া হৈছে আৰু ইয়াক কেনেকৈ সৰ্বোত্তমভাৱে ব্যৱহাৰ কৰিব লাগে সেইটো নিৰ্ধাৰণ কৰিব লাগে | |
| ২. আপুনি কাৰাগাৰৰ পৰিচৰ্যা আৰম্ভ কৰিছে আৰু ই আন পৰিচৰ্যাৰ পৰা সম্পদ লৈ যোৱাটো আপুনি নিবিচাৰে | |
| ৩. আপোনাৰ উপাসনাৰ দলটোৱে উপাসনাৰ নেতাজনৰ বিষয়ে অভিযোগ লৈ আপোনাৰ ওচৰলৈ আহিছে | |
| ৪. আপুনি জানে যে আপুনি আপোনাৰ সমাজখনত অধিক প্ৰচাৰ কৰিব বিচাৰে কিন্তু ইয়াৰ বাবে কেনেকৈ সৰ্বোত্তমভাৱে আগবাঢ়িব সেই বিষয়ে নিশ্চিত নহয় | |
| ৫. আপুনি আপোনাৰ গীৰ্জাঘৰটো চহৰৰ আনটো ফালে থকা এখন নতুন, ডাঙৰ স্থানলৈ স্থানান্তৰিত কৰিব বিচাৰে | |
| ৬. কিছুমান মানুহে উপাসনা সেৱাৰ বিষয়ে অভিযোগ কৰিছে আৰু আপুনি অলপ বেলেগ কিবা এটা কৰাৰ কথা বিবেচনা কৰাটো বিচাৰিছে | |
| ৭. আপোনাৰ শিশু পৰিচৰ্যা নিজৰ লক্ষ্যত উপনীত হোৱাত ব্যৰ্থ হৈছে আৰু উপস্থিতি হ্ৰাস পাইছে | |
| ৮. মানুহে আপোনাৰ গীৰ্জা এৰি ওচৰৰ নতুন গীৰ্জা এটালৈ যাবলৈ আৰম্ভ কৰিছে | |
| ৯. চহৰৰ আন এটা গীৰ্জাই আপোনাৰ গীৰ্জাত তেওঁলোকৰ নিজৰ অনুষ্ঠান অনুষ্ঠিত কৰিব পাৰিবনে সুধিছে | |
| ১০. আপোনাৰ গীৰ্জাত গুজৱৰ সমস্যা আছে | |

**অধ্যায় ৪**

## নেতা গঢ়ি তোলা

***"তাতে যিহোৱাই মোচিক ক'লে, আত্মা থকা লোক নূনৰ পুত্ৰ যিহোচূৱাক লৈ তেওঁৰ মূৰত হাত দিয়া আৰু ইলিয়াজৰ পুৰোহিতৰ আৰু গোটেই মণ্ডলীৰ আগত তেওঁক উপস্থিত কৰি তেওঁবিলাকৰ আগতে তেওঁক আদেশ দিয়া আৰু ইস্ৰায়েলৰ সন্তানবিলাকৰ গোটেই মণ্ডলীয়ে তেওঁৰ আজ্ঞা মানিবৰ নিমিত্তে তেওঁক নিজ সন্মানৰ ভাগী কৰা।"***
**গণনা পুস্তক ২৭:১৮-২০**

মণ্ডলী অথবা পৰিচৰ্যাৰ নেতৃত্বৰ লগতে প্ৰভুৱে আমাক যি কামৰ বাবে আমন্ত্ৰণ জনালে সেই কামটো সম্পূৰ্ণ কৰাৰ এক বিশাল দায়িত্বও আহে। আমি প্ৰায়ে ধৰি লওঁ যে এজন নেতা হিচাপে আমি আমাৰ পৰিচৰ্যাৰ প্ৰতিটো দিশৰ সৈতে ঘনিষ্ঠভাৱে জড়িত হোৱাটো প্ৰয়োজন যদিহে আমি ইয়াক ফলপ্ৰসূভাৱে নেতৃত্ব দিব বিচাৰোঁ। কিন্তু আচলতে  আমি নোৱাৰোঁ। আমি প্ৰতিখন সভাৰ নেতৃত্ব দিব নোৱাৰো, প্ৰতিটো বিষয়ৰ সবিশেষ তদাৰক কৰিব নোৱাৰো বা প্ৰতিটো সিদ্ধান্তও ল'ব নোৱাৰোঁ। নেতা হিচাপে আমি আমাৰ লক্ষ্য পূৰণ কৰিবলৈ হ'লে আনৰ সমৰ্থন আৰু সামৰ্থ ব্যৱহাৰ কৰিব লাগিব। অৰ্থাৎ আমি সম্ভাৱ্য নেতা আন মানুহক চিনাক্ত কৰি তেওঁলোকক বিকশিত কৰিব লাগিব যাতে তেওঁলোকে আমাৰ উদ্দেশ্য আৰু কৰ্তৃত্ব অনুসৰি নেতৃত্ব দিব পাৰে, কাম কৰিব পাৰে আৰু পৰিচালনা কৰিব পাৰে। মোচিয়ে যিদৰে যিহোচূৱাৰ ওপৰত হাত থৈছিল, তেনেকৈয়ে আপুনিও "আত্মা থকা" আন নেতাসকলক চিনাক্ত কৰিব লাগিব, আৰু তেওঁলোকক আপোনাৰ হৈ, আৰু আপোনাৰ কৰ্তৃত্বৰে কাম কৰিবলৈ নিৰ্দেশ দিব লাগিব। এই অধ্যায়টোত আমি নেতা কোন, নেতা বিকশিত কৰাটো কিয় গুৰুত্বপূৰ্ণ আৰু কেনেকৈ তেওঁলোকক চিনাক্ত কৰি বিকশিত কৰিব লাগে তাৰ পৰ্যালোচনা কৰা হ'ব।

### I. নেতা কোন?

***বাইবেলৰ মতে, এজন নেতাই.....***

১. খ্ৰীষ্টত তেওঁৰ পৰিচয়টো জানে (২ কৰিন্থীয়া ৫:১৫-২১)
   ক. তেওঁ জানে আমি সকলো খ্ৰীষ্টৰ বাবে পৰিচাৰক (১ পিতৰ ২:৯)
   খ. তেওঁ আমাক তেওঁৰ শক্তিৰে সজ্জিত কৰিলে (ইফিচীয়া ১:১৮-২০; ৩:১৪-২০)
   গ. আমি সকলোৱে তেওঁৰ শৰীৰৰ বাবে সমানে গুৰুত্বপূৰ্ণ (১ কৰিন্থীয়া ১২:২৭)

২. আত্মিক বৰপ্ৰাপ্ত হোৱাৰ কথাটো বুজি পায়
   ক. তেওঁ সকলোকে একোটা আত্মিক বৰ (বোৰ) দিছে৷ (১ কৰিন্থীয়া ১২:৭)
   খ. আমাক সকলোকে আত্মিক বৰবোৰ ব্যৱহাৰ কৰিবলৈ আমন্ত্ৰণ কৰা হৈছে৷  (ইফিচীয়া ৪:১১-১৩)
   গ. এজন নেতাই আনক তেওঁলোকৰ বৰবোৰ ব্যৱহাৰ কৰোৱাবলৈ দায়বদ্ধ৷
   (২ তীমথিয় ২:২)

৩. লোণ আৰু পোহৰ হোৱাটো তেওঁলোকৰ কাম বুলি বুজি পায়।  (মথি ৫:১৩-১৬)
   ক. আমি আমাৰ সংস্কৃতিত প্ৰভাৱ পেলাওঁতা হ'ব লাগিব (কলচীয়া ৪:৫-৬)
   খ. আমি আদৰ্শ (১ থিচলনীকীয়া ১:৭)
   গ. আমি ৰাজদূত  (২ কৰিন্থীয়া ৫:২০)

৪. শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ (পাঁচনিৰ কৰ্ম ১:৮) আৰু খ্ৰীষ্টৰ বাবে শিষ্য তৈয়াৰ কৰিবলৈ উচৰ্গিত৷ (মথি ২৮:১৯)

## II. আন নেতাক গঢ়ি তোলাটো ইমান প্ৰয়োজনীয় কিয়?

১. এনেদৰেই ঈশ্বৰৰ ৰাজ্য বৃদ্ধি পায়

- যীচুৱে তেওঁৰ শিষ্যবিলাকৰ যোগেৰে দ্ৰুত সংখ্যাবৃদ্ধিৰ পৰিচৰ্যাৰ নীতিবোৰ বুজাইছিল
  - যীচুৱে নেতাবোৰ নিজহাতে বাছি লৈছিল যিকলে পৃথিবীত তেওঁৰ মণ্ডলী গঠন কৰিব
  - যীচুৱে তেওঁলোক সকলোকে শিষ্যৰূপে গঢ়ি সজ্জিত কৰিব লাগিছিল
  - তেওঁ তেওঁলোকক গৈ ***"সকলো জাতিকে শিষ্য কৰিবলৈ কৈছিলা."*** – মথি ২৮:১৯

- যীচুৱে মণ্ডলী নিজে অকলে গঠন কৰা নাছিল
  ***"পিতৃয়ে যেনেকৈ মোক পঠালে, ময়ো তেনেকৈ তোমালোকক পঠাই দিওঁ"*** - যোহন ২০:২১
  - পৌলে কেবাটাও মিছনেৰী যাত্ৰা কৰিছিল
  - আন শিষ্য আৰু অনুগামীয়েও মণ্ডলী স্থাপন কৰিছিল

- মণ্ডলী এটা শৰীৰ, আৰু প্ৰত্যেকে ইয়াত ভূমিকা পালন কৰিবলগা আছে
  ***"তোমালোক খ্ৰীষ্টৰ শৰীৰ, আৰু একো একোজনেই এক এক অঙ্গস্বৰূপা"***
  **- ১ কৰিন্থীয়া ১২:২৭**

২. ই আপোনাৰ পৰিচৰ্যাৰ দ্ৰুত বৃদ্ধি কৰে

- আপোনাৰ পৰিচৰ্যা অধিক লোকলৈ প্ৰসাৰিত কৰাত ই আপোনাক সহায় কৰে
  - আপোনাৰ পৰিচৰ্যাই অধিক জীৱনত প্ৰভাৱ পেলায়
  - আপোনাৰ পৰিচৰ্যা দূৰলৈকে যাব পাৰে

- ই আপোনাক কম প্ৰচেষ্টা আৰু সময়ত অধিক অৰ্জন কৰাত সহায় কৰে
  - আপুনি সকলো ঠাইতে একেসময়তে থাকিব নোৱাৰে
  - আপুনি সদায় সকলো কাম কৰিব নোৱাৰে
  ***"ঈশ্বৰৰ বাক্য এৰি মেজৰ পৰিচৰ্যা কৰা আমাৰ উচিত নহয়৷"*** – **পাঁচনিৰ কৰ্ম** ৬:২

- ই আন সুযোগ মুকলি কৰে যিবোৰ আপুনি হয়তো দেখা নাপাব পাৰে বা অনুসৰণ কৰিব নোৱাৰিব পাৰে
  - আগবঢ়াবৰ বাবে আন নেতাসকলৰ আন বৰ আছে
  - আন নেতাসকলৰ আন আবেগপূৰ্ণ হাবিয়াস আৰু আগ্ৰহ আছে

৩. ই আপোনৰ মণ্ডলীত পৱিত্ৰ আত্মাই কাম কৰাটো সহজ কৰি তোলে

- পৱিত্ৰ আত্মাই ***সকলো*** মানুহৰ যোগেৰে কাম কৰে, কেৱল পালকৰ যোগেৰে নহয়
  - আমি ***সকলো*** বিশ্বাসীৰে গঠিত পুৰোহিতসমূহ
    ***"কিয়নো আমি যিহূদী হওঁ বা গ্ৰীক হওঁ, দাস হওঁ বা স্বাধীন হওঁ, সকলোৱে এক শৰীৰ হ'বলৈ এক আত্মাত বাপ্তাইজিত হ'লোঁ, আৰু সকলোৱে এক আত্মা পান কৰিবলৈ পালোঁ৷"***
    **–১ কৰিন্থীয়া ১২:১৩**

  - পৱিত্ৰ আত্মাই সকলো বিশ্বাসীকে শক্তি দিয়ে
    ***"কিন্তু যেতিয়া তোমালোকৰ ওপৰলৈ পৱিত্ৰ আত্মা আহিব, তেতিয়া তোমালোকে শক্তি পাবা৷"***
    **- পাঁচনিৰ কৰ্ম ১:৮**

৪. পৰিচৰ্যাৰ উত্থান আৰু পতন নেতৃত্ব আৰু পৱিত্ৰ আত্মাৰ ওপৰত নিৰ্ভৰ কৰে

- শক্তিশালী নেতৃত্ব অবিহনে এটা পৰিচৰ্যা সফল হ'ব নোৱাৰে
  - ভাল নেতাই বেয়া পৰিচৰ্যাকো পুনৰ সংস্থাপিত কৰে
  - বেয়া নেতাই সফল পৰিচৰ্যাকো ধ্বংস কৰিব পাৰে

- পৱিত্ৰ আত্মাই ***হৈছে*** আমাৰ ক্ষমতাৰ উৎস
  - আমি কেৱল বীজ ৰোপণ কৰোঁতাহে
    ***"এতেকে ৰোওঁতাজন একো নহয়, আৰু পানী দিওঁতাজনো একো নহয়; কিন্তু বৃদ্ধিকৰ্তা ঈশ্বৰহে সাৰ।"*** - ১ কৰিন্থীয়া ৩:৭

  - আমাৰ ক্ষমতা আহে পৱিত্ৰ আত্মা, ঈশ্বৰৰ পৰা
    ***"মোৰ বাহিৰে তোমালোকে একো কৰিব নোৱাৰা "*** – যোহন ১৫:৫

## IV. আপুনি আন নেতাক কেনেদৰে চিনাক্ত কৰে?

১. শক্তিশালী নেতাৰ বাবে আৱশ্যকীয় গুণ

- চৰিত্ৰবান লোক
  ***"এতেকে অধ্যক্ষ অনিন্দনীয়, এজনী তিৰোতাৰ স্বামী, পৰিমিতভোগী, বিবেচক, পৰিপাটি, অতিথি-সেৱক, শিক্ষা দিয়াত নিপুণ, আৰু মদপী বা প্ৰহাৰক নহৈ, ক্ষান্ত স্বভাৱী, নিৰ্বিৰোধী, নিৰ্লোভী .. হ'ব লাগে।"***
  - **১ তীমথিয় ৩:২-৩**

- বিশ্বাসৰ লোক
  ***"আৰু অন্ধকাৰৰূপ ধুৱাঁত ধুৱাঁ-কুৱাঁ লাগি, চয়তানৰ দণ্ডাজ্ঞাত যেন নপৰে, এই কাৰণে নতুন শিষ্য হব নালাগে।"*** – ১ তীমথিয় ৩:৬

  ***"শুচি বিবেকত বিশ্বাসৰ নিগূঢ়-তত্ত্ব ৰখা লোক হব লাগে।"*** – ১ তীমথিয় ৩:৯

- আত্মাৰে পৰিপূৰ্ণ লোক
  ***"এতেকে হে ভাইবিলাক, আমি যিবিলাকক এই কৰ্মৰ ভাৰ দিব পাৰোঁ, সুখ্যাতি পোৱা আৰু আত্মাৰে জ্ঞানেৰে পৰিপূৰ্ণ হোৱা এনে সাতজনক তোমালোকৰ মাজৰ পৰা চাই লোৱা।"*** – **পাচনিৰ কৰ্ম** ৬:৩

২. নেতাৰ বাবে বাইবেলত উল্লেখ নকৰা (কিন্তু সাধাৰণতে ব্যৱহাৰ কৰা হয়) প্ৰয়োজনীয় গুণ

- শিক্ষা
- সামাজিক স্থান
- অভিজ্ঞতা

**** এইবোৰ থকাটো ভাল কিন্তু প্ৰাথমিক চৰ্ত হোৱা উচিত <u>নহয়</u>**

৩. নেতা নিৰ্বাচন কৰা

- আবেগপূৰ্ণ হাবিয়াস থকা লোকসকলক বাছনি কৰক
- প্ৰয়োজনীয় বা উপযুক্ত আত্মিক বৰ থকা লোকসকলক বাছক

## V. আপুনি আন নেতাক কেনেদৰে বিকশিত কৰিব? (মথি অধ্যায় ১০ চাওঁক)

**খোজ #১:** **তেওঁলোকক শিষ্য হিচাবে গঢ়ক**

- সাপ্তাহিক নিৰীক্ষণ
- উদগণিমূলক কথা & কাম
- বিশ্বাস গঢ়া
- প্ৰস্তুতি (নেতা প্ৰশিক্ষণ)

**খোজ #২:** **তেওঁলোকলৈ দায়িত্ব হস্তান্তৰ কৰক (মথি ১০:১)**

- তেওঁলোকক কিবা নেতৃত্ব দিবলৈ বা ব্যৱস্থাপনা কৰিবলৈ দিয়ক
- কাম এটা কৰিবলৈ তেওঁলোকক সশক্ত কৰক
- তেওঁলোকৰ আত্ম-বিশ্বাস গঢ়ি তোলক

**খোজ #৩:** **আপুনি কি আশা কৰে তেওঁলোকক জনাওঁক (মথি ১০:৬-৮, ১৬)**

- স্পষ্ট লক্ষ্য স্থাপন কৰক & আৰু এটা নেতৃত্বৰ আচনি গঢ়ি তুলিবলৈ তেওঁলোকক সহায় কৰক
- প্ৰাচল অথবা নীতি-নিৰ্দেশনা থিৰ কৰক

**খোজ #৪:** **তেওঁলোকক দায়ৱদ্ধ কৰক (মথি ১০:৩২-৩৩)**

- তেওঁলোকে লক্ষ্য পূৰণ কৰিব বুলি আশা কৰক
- যদি সমস্যা হয়, তেন্তে তাত সোমাই পৰি সমাধান নকৰিব, তেওঁলোকক সমাধান কৰিবলৈ দিয়ক
    - প্ৰয়োজন সাপেক্ষে পৰামৰ্শ দিব
    - তেওঁলোকক আপোনাৰ বাবে এটা সমাধান আনিবলৈ দিয়ক

**খোজ #৫:** **সময়ে সময়ে তেওঁলোকৰ অগ্ৰগতি পৰ্যালোচনা কৰা**

- বিষয় আৰু চিন্তাসমূহৰ বিষয়ে আলোচনা কৰিবলৈ নিয়মিতভাৱে বৈঠকত মিলিত হওঁক
- তেওঁলোকক তেওঁলোকৰ ওপৰতে এৰি নিদিব বা অৱজ্ঞা নকৰিব
- তেওঁলোকক শিকিবলৈ আৰু সফল হ'বলৈ সহায় কৰিবলৈ আপোনাৰ আগ্ৰহ থকাটো দেখুৱাওক

**খোজ #৬:** **তেওঁলোকক পৰিচৰ্যাত মুকলি কৰি দিয়ক**

- তেওঁলোক যেতিয়া সাজু হয়, তেওঁলোকক যাবলৈ দিয়ক- তেওঁলোকক ধৰি নাৰাখিব
- তেওঁলোকক এটা পৰিচৰ্যাৰ নেতৃত্ব ল'বলৈ দিয়ক
- পৰিচৰ্যা কাৰ্যৰ বাবে তেওঁলোকক উচৰ্গিত কৰক

# নেতা বিকশিত কৰাৰ অনুশীলন

তলত দিয়া প্ৰতিটো পৰিচৰ্যা নেতৃত্ব পদবীৰ কাষত সেই পদবীৰ বাবে প্ৰয়োজনীয় বুলি আপুনি ভবা আত্মিক বৰ আৰু সহায়ক হ'ব বুলি ভবা দক্ষতা অথবা অভিজ্ঞতাবোৰ উল্লেখ কৰক

| **পৰিচৰ্যা পদবী** | **আত্মিক বৰবোৰ**** | **দক্ষতা/অভিজ্ঞতা** |
|---|---|---|
| ১. পালক | | |
| ২. উপাসনাৰ চলাওঁতা | | |
| ৩. শিশুৰ পৰিচৰ্যাৰ নেতা | | |
| ৪. যুৱ পৰিচৰ্যাৰ নেতা | | |
| ৫. বৃদ্ধলোক | | |
| ৬. শিক্ষক | | |
| ৭. শুভবাৰ্তা প্ৰচাৰক | | |
| ৮. মিছনেৰী | | |
| ৯. বিত্ত ব্যৱস্থাপক | | |
| ১০. প্ৰাৰ্থনা পৰিচৰ্যাৰ নেতা | | |

** ৩৭-৩৮ পৃষ্ঠাত থকা  আত্মিক বৰৰ তালিকা চাওঁক

খণ্ড ২

# <u>মানুহ ব্যৱস্থাপনা</u>



অধ্যায় ৫

# আত্মিক বৰ

***"কিন্তু হিতৰ কাৰণে প্ৰতিজনকে আত্মা-প্ৰকাশক গুণ দিয়া হৈছে.. কিন্তু সেই একমাত্ৰ আত্মাই যাকে যি দিবলৈ মন কৰে, তাকে তেওঁক ভাগ বাঁটি দি, সেই সকলোকে সাধন কৰিছে।"***
১ কৰিন্থীয়া ১২:৭, ১১

বাইবেলে কৈছে যে প্ৰতিজন খ্ৰীষ্টীয়ানক খ্ৰীষ্টৰ শৰীৰ গঢ়ি তোলাত ব্যৱহাৰৰ বাবে আত্মিক বৰ(সমূহ) দিয়া হয়। কিন্তু আত্মিক বৰবোৰ আচলতে কি? সেইবোৰ আমাৰ দক্ষতা আৰু প্ৰতিভাৰ সৈতে একে নেকি? আমাৰ কি আত্মিক বৰ(সমূহ) আছে আমি কেনেকৈ জানিম? আৰু সেইবোৰ কেতিয়া আৰু কেনেকৈ ব্যৱহাৰ কৰিব লাগে আমি কেনেকৈ জানিম? মণ্ডলীত বা খ্ৰীষ্টৰ শৰীৰত তেওঁলোকৰ ভূমিকা বুজিবলৈ বহুতো খ্ৰীষ্টীয়ানে সাধাৰণতে এনে প্ৰশ্ন কৰে। নেতা হিচাপে আপুনি কেৱল নিজৰ বৰেই নহয়, আনৰ বৰৰ কথা জনাটো গুৰুত্বপূৰ্ণ, যাতে আপুনি তেওঁলোকক এনেধৰণৰ ক্ষেত্ৰলৈ প্ৰয়োগ কৰিব পাৰে য'ত ঈশ্বৰে তেওঁলোকক অধিক ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰিব পাৰে। এই অধ্যায়ত আমি চাম আত্মিক উপহাৰ কি, সেইবোৰ কিয় গুৰুত্বপূৰ্ণ, আৰু সেইবোৰক কেনেদৰে ব্যৱহাৰ কৰি ৰাজ্যৰ বাবে সৰ্বাধিক প্ৰভাৱ পেলাব লাগে। আপোনাৰ আত্মিক বৰ(সমূহ) কি হ'ব পাৰে সেইটো নিৰ্ণয় কৰাত সহায় কৰিবলৈ আমি এটা মূল্যায়ন সঁজুলিও আগবঢ়াম।

## I. আত্মিক বৰ কি?

- আত্মিক বৰ হৈছে পৱিত্ৰ আত্মাই খ্ৰীষ্টৰ অনুগামীসকলক পৰিচৰ্যাৰ বাবে সজ্জিত কৰিবলৈ দিয়া সামৰ্থবোৰ।
  ১. এই বৰবোৰ সকলোৰে হিতৰ বাবে দিয়া হয়
  ***"কিন্তু হিতৰ কাৰণে প্ৰতিজনকে আত্মা-প্ৰকাশক গুণ দিয়া হৈছে." -*** ১ কৰিন্থীয়া ১২:৭

  ২. এই বৰবোৰ পৱিত্ৰ আত্মাই নিৰ্ণয় কৰা মতেই দিয়া হয়
  ***" কিন্তু সেই একমাত্ৰ আত্মাই যাকে যি দিবলৈ মন কৰে, তাকে তেওঁক ভাগ বাঁটি দি, সেই সকলোকে সাধন কৰিছে।"-*** ১ কৰিন্থীয়া ১২:১১

  ৩. এই বৰবোৰ প্ৰয়োজন অনুসাৰে দিয়া হয়

- আত্মিক বৰবোৰ তিনিটা প্ৰধান ভাগত ভগাব পাৰি
  ১. **<u>পৰিচৰ্যা</u>** বৰ – <u>সাধাৰণতে এটা বিশেষ পদবীৰ বাবে আমন্ত্ৰণ</u>
  ২. **<u>ব্যৱহাৰিক</u>** বৰ – আনৰ সেৱা কৰিবলৈ
  ৩. **<u>আত্মাপ্ৰকাশক</u>** বৰ – আত্মিক চিন আৰু ক্ষমতা

- বাইবেলত ২১ টা বিশেষ বৰৰ কথা উল্লেখ কৰা হৈছে
  **১. পৰিচৰ্যা**
  - পাঁচনি, ভাববাদী, শুভবাৰ্তা প্ৰচাৰক, পালক, শিক্ষক
    ***"তেওঁ কিছুমানক পাঁচনি, কিছুমানক ভাববাদী, কিছুমানক শুভবাৰ্তা প্ৰচাৰক, কিছুমানক ৰক্ষক আৰু শিক্ষক হ'বলৈ দিলে।"***
    **- ইফিচীয়া ৪:১৩**

২. **ব্যৱহাৰিক**

- সেৱা, উদগণি, দান দিয়া, নেতৃত্ব, কৰুণা, সহায় কৰা, শাসন কৰা
  ***“যদি পৰিচৰ্যাৰ ভাৰ হয়, তেন্তে পৰিচৰ্যাতে থাকোঁহক; বা শিক্ষা দিওঁতাই শিক্ষা দিয়া কাৰ্যত, বা উগাওঁতাই উদগোৱা কাৰ্যত থাকক; দান দিওঁতাই দানশীলতাৰে দান কৰক; শাসন কৰা জনে যত্নেৰে শাসন কৰক; দয়া কৰা জনে হৰ্ষিত মনেৰে দয়া কৰক।”***

  **- ৰোমীয়া ১২:৭-৮**

  ***“আৰু ঈশ্বৰে মণ্ডলীত প্ৰথমতে পাঁচনিবিলাকক, দ্বিতীয়তে ভাববাদীসকলক, তৃতীয়তে উপদেশক বিলাকক, স্থাপন কৰিলে; তাৰপাছত পৰাক্ৰম কাৰ্যবোৰ, তাৰ পাছত সুস্থ কৰিব পৰা বৰ, উপকাৰ, শাসন পদ, আৰু নানা ভাষা দিলে।”***

  **- ১ কৰিন্থীয়া ১২:২৮**

৩. **আত্মা প্ৰকাশক**

- প্ৰজ্ঞা, জ্ঞান, ভুল-শুদ্ধ চিনা, ভাববাণী, পৰভাষা,
  অৰ্থ ব্যাখ্যা, বিশ্বাস, সুস্থ কৰা, অলৌকিক কাৰ্য
  ***“আত্মাৰ দ্বাৰা এজনক বুদ্ধিৰ কথা, একে আত্মাৰ ইচ্ছা অনুসাৰে আনজনক জ্ঞানৰ কথা, একে আত্মাৰে আনজনক বিশ্বাস দিয়া হৈছে; সেই একে আত্মাৰ দ্বাৰা কোনোক সুস্থ কৰিব পৰা বৰ, আন কোনোক পৰাক্ৰমকাৰ্য সাধন কৰিবৰ, আন কোনোক ভাববাণী কবৰ, আন কোনোক আত্মাবিলাক চিনিবৰ, আন কোনোক নানা ভাষাৰ অৰ্থ প্ৰকাশ কৰিবৰ শক্তিৰূপ বৰ দিয়া হৈছে।” -*** ১ কৰিন্থীয়া ১২:৮-১০

**বাইবেলত আন আত্মিক বৰৰ বিষয়েও উল্লেখ কৰা হৈছে, কিন্তু এইখিনি হৈছে নতুন নিয়মত অতি স্পষ্টভাবে চিনি পোৱা বৰ।

## II. আত্মিক বৰ কিয় প্ৰয়োজনীয়?

- মানৱ জাতিৰ বাবে ঈশ্বৰৰ উদ্দেশ্য আৰু পৰিকল্পনা সিদ্ধ কৰিবলৈ
  “ শান্তিৰ আকৰ ঈশ্বৰে··· তেওঁৰ নিজ ইচ্ছা-সাধনৰ অৰ্থে তোমালোকক সকলো সদবিষয়ত সিদ্ধ কৰক***....” -***
  **ইব্ৰী** ১৩:২০-২১

- ঈশ্বৰৰ লোকসমূহক সেৱাৰ বাবে প্ৰস্তুত কৰিবলৈ
  ***“পৰিচৰ্যা কৰ্ম সাধন কৰিবলৈ, আৰু খ্ৰীষ্টৰ শৰীৰ বৃদ্ধি কৰিবলৈ।” -*** ইফিচীয়া ৪:১২

- আত্মিক পৰিপক্কতা অৰ্জন কৰিবলৈ
  ***“যেতিয়ালৈকে আমি সকলোৱে ঈশ্বৰৰ পুত্ৰবিষয়ক বিশ্বাসৰ আৰু জ্ঞানৰ ঐক্যত মিলি, সিদ্ধ পুৰুষৰ অৱস্থা, অৰ্থাৎ খ্ৰীষ্টৰ পৰিপূৰ্ণতাৰ বয়সৰ পৰিমাণ নাপাওঁ” -*** ইফিচীয়া ৪:১১

- খ্ৰীষ্টৰ শৰীৰ একত্ৰিত কৰিবলৈ
  ***“তোমালোক খ্ৰীষ্টৰ শৰীৰ আৰু একো একোজনেই এক এক অঙ্গস্বৰূপ ।.”***

  **- ১ কৰিন্থীয়া ১২:২৭**

## III. আত্মিক বৰসমূহ কেনেদৰে প্ৰয়োগ আৰু ব্যৱহাৰ কৰিব লাগে?

- মণ্ডলীক গঢ়ি তুলিবলৈ
  ***"এতেকে তোমালোকেও, আত্মাৰ বিবিধ বৰলৈ হাবিয়াস কৰিছা যেতিয়া, মণ্ডলীয়ে ধৰ্মত বৃদ্ধি পাবলৈ, তাত উপচি পৰিবলৈ যত্ন কৰা।"*** ১ কৰিন্থীয়া ১৪:১২

- আনৰ সেৱা কৰিবলৈ
  ***"প্ৰতিজনে যেনেকৈ যি অনুগ্ৰহৰ বৰ পালে, তেনেকৈ তাৰে, ঈশ্বৰৰ বহুবিধ অনুগ্ৰহৰূপ ধনৰ উত্তম ভঁৰালীৰ দৰে, তোমালোকে পৰস্পৰৰ সেৱা-শুশ্ৰূষা কৰা।" - ১ পিতৰ*** ৪:১০

- ঈশ্বৰক গৌৰৱান্বিত কৰিবলৈ
  ***"কোনোৱে যদি কথা কয়, তেওঁ ঈশ্বৰৰ বচনসমূহৰ দৰে কওঁক; কোনোৱে যদি সেৱা-শুশ্ৰূষা কৰে, তেন্তে ঈশ্বৰে দিয়া শক্তিৰ দৰে কৰক; এইদৰে যেন সকলো বিষয়তে যীচু খ্ৰীষ্টৰ দ্বাৰাই ঈশ্বৰ মহিমান্বিত হয়।" - ১ পিতৰ*** ৪:১১

- ঈশ্বৰৰ চৰিত্ৰ প্ৰকাশ কৰিবলৈ
  ***"কিন্তু প্ৰেম, আনন্দ, শান্তি, চিৰসহিষ্ণুতা, মৰম, মঙ্গলভাব, বিশ্বাস, মৃদু-ভাব, ইন্দ্ৰিয়-দমন, এই সকলো আত্মাৰ ফল। - গালাতীয়া*** ৫:২২

  **<u>পৌলে ২ টা সাৱধানবাণীও দিছে:</u>**

- সেইবোৰ অৱহেলা কৰিব নালাগে
  ***"বৃদ্ধলোক-সমাজে হাত দিওঁতে, তাৰে সৈতে ভাবাণীৰ দ্বাৰাই যি অনুগ্ৰহৰ বৰ তোমাক দিয়া হ'ল, তোমাৰ অন্তৰত থকা সেই বৰ অৱহেলা নকৰিবা।" -*** ১ তীমথিয় ৪:১৪

- সেইবোৰ সুশৃঙ্খলভাৱে ব্যৱহাৰ কৰিব লাগে
  ***"কিন্তু সকলো কৰ্ম সুন্দৰকৈ আৰু শৃঙ্খলা লগাই কৰা হওঁক।"***
  **- ১ কৰিন্থীয়া ১৪:৪০**

## IV. আত্মিক বৰৰ মূল্যায়ন

- ই কি?
  - প্ৰশ্ন আৰু বহু উত্তৰৰ পৰা বাছি লোৱাৰ পদ্ধতি ব্যৱহাৰ কৰা এটা আৱিষ্কাৰ সঁজুলি
  - কোনো এজন লোকৰ আত্মিক বৰসমূহ নিৰ্ণয় কৰাৰ সঁজুলি
  - মানুহক মণ্ডলীত তেওঁলোকৰ ভূমিকা বিচাৰি উলিয়াবলৈ সহায় কৰাৰ বাবে এটা নিৰ্দেশনা

- ই কি নহয়
  - ই চৰম নহয়। সময়ৰ লগে লগে বৰ সলনি হ'ব পাৰে
  - ইয়াক কেতিয়াও কোনো ব্যক্তিৰ সেৱা বা পৰিচৰ্যা সীমিত কৰিবলৈ ব্যৱহাৰ কৰা উচিত নহয়। প্ৰয়োজন সাপেক্ষে ঈশ্বৰে বৰবোৰ দিব পাৰে।

# আত্মিক বৰ পৰীক্ষা

http://www.kodachrome.org/spiritgift

ঈশ্বৰে প্ৰতিজন লোককে একোটা আত্মিক বৰ(বোৰ) দিছে। ঈশ্বৰে আপোনাক দিয়া আত্মিক বৰ(বোৰ) কি আপুনি জানেনে? যদি আপোনাৰ কি আত্মিক বৰ(বোৰ) আছে আপুনি জানিব বিচাৰি আছে তেনেহলে সেইটো বা সেইবোৰ কি হ'ব পাৰে এই পৰীক্ষাটোৱে আপোনাক দেখুৱাব।

এইটো এটা আত্মিক বৰ পৰীক্ষা। ইয়াত ১১০টা উক্তি আছে যাৰ সহাৰি হিচাবে আপুনি সেই উক্তিটোৰ বিষয়ে কি অনুভৱ কৰে বুজাবলৈ উত্তৰ দিব লাগিব: সদায়, সাধাৰণতে, প্ৰায়ে, কেতিয়াবা, কাচিৎ, খুব কমেই অথবা কেতিয়াও নহয় বুলি।

অনুগ্ৰহ কৰি মনত ৰাখিব যে এই পৰীক্ষাটো ঈশ্বৰে নহয়, মানুহে লিখিছে, গতিকে ই নিশ্চয় নিখুট নহয়। ইয়াক আপোনাৰ আত্মিক বৰসমূহ আৱিষ্কাৰ কৰা আৰম্ভ কৰিবলৈ আৰম্ভণি বিন্দু হিচাপেহে ব্যৱহাৰ কৰা উচিত, নিশ্চিতভাৱে এটা নিৰপেক্ষ সূচক হিচাপে নহয়। পৰীক্ষাটোৱে হয়তো সদায় আপোনাৰ প্ৰকৃত আত্মিক উপহাৰবোৰ সূচাব নোৱাৰে। ঈশ্বৰে আপোনাক কেনেকৈ আশীৰ্বাদ কৰিছে যাতে আপুনি আনক আশীৰ্বাদ কৰিব পাৰে তাৰ বাবে আজীৱন অনুসন্ধান হ'ব লাগে তাৰ এটা সঁজুলি মাত্ৰ। অনুগ্ৰহ কৰি মনত ৰাখিব যে এই পৰীক্ষা ঈশ্বৰে নহয়, মানুহে লিখিছে, আৰু সেইবাবেই ই নিশ্চয়কৈ অসম্পূৰ্ণ। ইয়াক আপোনাৰ আধ্যাত্মিক উপহাৰসমূহ আৱিষ্কাৰ কৰিবলৈ আৰম্ভ কৰিবলৈ আৰম্ভণিৰ স্থান হিচাপে ব্যৱহাৰ কৰা উচিত, কিন্তু নিশ্চিতভাৱে এটা নিৰপেক্ষ সূচক হিচাপে নহয়। পৰীক্ষাটোৱে হয়তো সদায় আপোনাৰ প্ৰকৃত আত্মিক বৰবোৰ সূচাব নোৱাৰে। আপুনি যাতে আনক আশীৰ্বাদ কৰিব পাৰে তাৰ বাবে ঈশ্বৰে আপোনাক কেনেকৈ আশীৰ্বাদ কৰিছে তাৰ আজীৱন অনুসন্ধানৰ ই এটা সঁজুলি মাত্ৰ ।

<u>সকলোবোৰ</u> উক্তিৰ **সঁহাৰি** দিবলৈ যথেষ্ট সময় দিবলৈ আপুনি সমৰ্থ হ'ব লাগিব নহ'লে পৰীক্ষাটোৱে অৰ্থবহ ফলাফল দিব নোৱাৰিব।

তলত দিয়া স্কেল অনুযায়ী আপোনাৰ প্ৰথম অনুভূতিৰ লগত সঙ্গতিপূৰ্ণ সংখ্যাৰে প্ৰতিটো উক্তিৰ সঁহাৰি দিয়ক:

| | |
|---|---|
| **সদায়** | = ৫ |
| **সাধাৰণতে** | = ৪ |
| **প্ৰায়ে** | = ৩ |
| **কেতিয়াবা** | = ২ |
| **কাচিৎ** | = ১ |
| **কেতিয়াও নহয়** | = ০ |

আহক আৰম্ভ কৰোঁ:

১) ________**মানুহে যেন বিশেষ বাধা নিদিয়াকৈয়ে মোৰ নেতৃত্ব অনুসৰণ কৰিবলৈ ইচ্ছুক।**
২) ________**মই লগৰ খ্ৰীষ্টীয় বিশ্বাসীসকলৰ আগত ঈশ্বৰৰ বাক্য ঘোষণা কৰি ভাল পাওঁ।**
৩) ________**শুভবাৰ্তাৰ সৈতে পৰিচয় নথকা লোকসকলৰ আগত ঈশ্বৰৰ পৰিত্ৰাণৰ পৰিকল্পনা ঘোষণা কৰাটো মোৰ বাবে এক আনন্দৰ বিষয়।**
৪) ________**আন মানুহক তেওঁলোকৰ আত্মিক জীৱনত নেতৃত্ব দিয়াৰ দায়িত্ব লোৱাটো আনন্দদায়ক।**
৫) ________**শাস্ত্ৰৰ গুৰুত্বপূৰ্ণ সত্য আৱিষ্কাৰ কৰাত মানুহক সহায় কৰি মই ৰোমাঞ্চিত হওঁ।**
৬) ________**অকলেই হওঁক বা আন মানুহৰ লগতেই হওঁক ঈশ্বৰৰ প্ৰশংসাৰ গীত গাই মোৰ বিশেষ আনন্দ হয়।**
৭) ________**মানুহক উচ্চতৰ আত্মিক উচৰ্গীকৰণৰ বাবে অনুপ্ৰেৰণা যোগোৱাটো মোৰ বাবে আনন্দদায়ক।**
৮) ________**আত্মিক সমস্যা থকা লোকসকলে উপদেশ আৰু পৰামৰ্শৰ বাবে মোৰ ওচৰলৈ অহা যেন লাগে।**
৯) ________**মই স্কুলত উৎকৃষ্ট গ্ৰেড পাইছিলোঁ।**

১০) ________মণ্ডলীৰ সৰু-সুৰা কামবোৰ কৰি মই বৰ আনন্দ পাওঁ।
১১) ________মই মানুহক তেওঁলোকৰ কামত সহায় কৰাৰ সুযোগ বিচাৰি থাকোঁ।
১২) ________মানুহক দলীয় লক্ষ্যত উপনীত হোৱাত নেতৃত্ব দিয়াত যথেষ্ট আনন্দ আছে।
১৩) ________মই মানুহক অধিক ফলপ্ৰসূ পৰিচৰ্যাৰ বাবে সংগঠিত কৰি ভাল পাওঁ।
১৪) ________প্ৰভুৰ কামৰ বাবে বুজন পৰিমাণৰ ধন দান কৰাত যথেষ্ট আনন্দ আছে।
১৫) ________আনৰ সমস্যাৰ প্ৰতি মই যথেষ্ট সমবেদনা অনুভৱ কৰোঁ।
১৬) ________মানুহ এজন সাধু নে অসাধু সহজে ধৰিব পাৰি যেন লাগে।
১৭) ________মই অসম্ভৱ কাম কৰিবলৈ চেষ্টা কৰোঁ কাৰণ ঈশ্বৰৰ ওপৰত মোৰ গভীৰ বিশ্বাস আছে।
১৮) ________ঘৰলৈ মানুহ আহিলে মই বৰ আনন্দ পাওঁ।
১৯) ________মোৰ আশে-পাশে থকা বস্তু মেৰামতি আৰু তদাৰক কৰা কামটো মোৰ বাবে সহজ।
২০) ________প্ৰাৰ্থনাৰ প্ৰয়োজনবোৰ মই আনতকৈ আগতেই দেখা পাওঁ।
২১) ________শাৰীৰিকভাবে অসুস্থ লোকৰ বাবে আৰু তেওঁৰে সৈতে সুস্থতাৰ বাবে প্ৰাৰ্থনা কৰাৰ সুযোগ মই ভাল পাওঁ।
২২) ________মই মোতকৈ বেলেগ সংস্কৃতিৰ সৈতে সহজে মিলিব পাৰোঁ।
২৩) ________দলটোৰ সৈতে মোৰ সম্বন্ধৰ ক্ষেত্ৰত মই কৰ্তৃত্বৰ ভাব এটা অনুভৱ কৰোঁ।
২৪) ________মই আনক সান্তনা দিবৰ বাবে ঈশ্বৰৰ বাক্য ঘোষণা কৰিবলৈ ভাল পাওঁ।
২৫) ________যীচু খ্ৰীষ্টক গ্ৰহণ কৰিবলৈ মানুহ এজনক পৱিত্ৰ আত্মাই সাজু কৰা সময়টো মই গম পাওঁ যেন লাগে।
২৬) ________বিশ্বাসীৰ সমাজখনক আত্মিক নেতৃত্ব দিয়াটো অতি উৎসাহজনক।
২৭) ________বাইবেল শ্ৰেণীত শিকোৱাটো মই মণ্ডলীত কৰা (বা কৰিব পৰা) এটা অতি উপভোগ্য কাম।
২৮) ________ঈশ্বৰে মোক এটা বাদ্যযন্ত্ৰ বজোৱাৰ প্ৰতিভা দিছে আৰু মই এইটো কৰি ভাল পাওঁ।
২৯) ________হতাশ মানুহক উদগণি দিয়াটো এটা আনন্দৰ বিষয়।
৩০) ________মই জীৱনৰ কঠিন সমস্যাবোৰৰ সমাধান আগবঢ়াই ভাল পাওঁ।
৩১) ________কঠিন সত্যবোৰ শিকিবলৈ মোৰ সহজ যেন লাগে।
৩২) ________মই ঈশ্বৰৰ গৌৰৱৰ বাবে নিয়মীয়া কামবোৰ কৰি ভাল পাওঁ।
৩৩) ________মণ্ডলীৰ চাৰিওফালে জৰুৰীকালীন কামবোৰত সহায় কৰি মই ভাল
৩৪) ________কোনো এটা গুৰুত্বপূৰ্ণ কামত মোক অনুসৰণ কৰি মানুহে ভাল পোৱা যেন
৩৫) ________গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাত আনন্দৰ সৃষ্টি হয়।
৩৬) ________মোৰ ধনৰ অংশ উদাৰভাবে প্ৰভুক দি প্ৰকৃত আনন্দ পাওঁ।
৩৭) ________অৱসৰ গৃহত থকা মানুহক সাক্ষাৎ কৰিলে মই এক বৃহৎ সন্তুষ্টি পাওঁ।
৩৮) ________কিবা এটা ভাল নে ভুল মই অতি সোনকালে গম পোৱা যেন লাগে।
৩৯) ________যেতিয়া কথাবোৰ অসম্ভৱ যেন লাগে তেতিয়া মই আগবাঢ়ি যাবলৈ সাজু হৈ থাকোঁ।
৪০) ________অপ্ৰত্যাশিতভাবে মানুহ আহিলে মোৰ অস্বস্তি অনুভৱ নহয়।
৪১) ________মই বিভিন্ন ধৰণৰ কলা আৰু/বা শিল্পকৰ্ম সৃষ্টি কৰি ভাল পাওঁ।
৪২) ________প্ৰাৰ্থনা মোৰ অন্যতম প্ৰিয় আত্মিক ব্যায়াম।
৪৩) ________মই এজন আৰোগিকভাৱে অসুস্থ ব্যক্তিৰ বাবে প্ৰাৰ্থনা কৰিছো আৰু ব্যক্তিজন ভাল হোৱা দেখিছো।
৪৪) ________নতুন সম্প্ৰদায়লৈ গৈ বন্ধুত্ব গঢ়ি তোলাটো মোৰ বাবে সহজ।
৪৫) ________মানুহক ঈশ্বৰে বিচৰা ঠাইলৈ লৈ যোৱাত আগভাগ ল'বলৈ মোৰ ভয় নালাগে।
৪৬) ________মই সাময়িক বিষয়বোৰৰ লগত ঈশ্বৰৰ বাক্যক সম্পৰ্কিত কৰি আৰু আনক কৈ কৰি ভাল পাওঁ।
৪৭) ________মানুহৰ লগত শুভবাৰ্তা ঘোষণা কৰিবলৈ মোৰ এটা বোজা অনুভৱ হয়।.
৪৮) ________মই মানুহক তেওঁলোকৰ আত্মিক সমস্যাত সহায় কৰি ভাল পাওঁ।
৪৯) ________মই শিকালে মানুহে শিকে যেন লাগে।

৫০) ________মই মণ্ডলী, স্কুল আৰু/অথবা স্থানীয় সঙ্গীতানুষ্ঠানৰ সৈতে জড়িত হৈ ভাল পাওঁ
৫১) ________মই মণ্ডলীৰ নিষ্ক্ৰিয় সদস্যসকলক পুনৰ জড়িত খ্ৰীষ্টীয়ান হ'বলৈ উৎসাহিত কৰি ভাল পাওঁ
৫২) ________মানুহে সাধাৰণতে মোৰ উপদেশ মানি চলা যেন মোৰ লাগে
৫৩) ________ঈশ্বৰৰ বাক্যৰ কঠিন অংশবোৰ মই বুজি পোৱাত সক্ষম
৫৪) ________মই মণ্ডলীৰ সৰু-সুৰা সাধাৰণ কামবোৰ কৰি যথেষ্ট সন্তুষ্টি লাভ কৰোঁ
৫৫) ________আনক জৰুৰী পৰিচৰ্যাৰ বাবে মুক্ত কৰি দিবলৈ মই কাম হাতত ল'বলৈ আগ্ৰহী
৫৬) ________মই নিজে কৰাতকৈ আনলৈ কামটো হস্তান্তৰিত কৰাটো অধিক ফলপ্ৰসূ
৫৭) ________দলীয় লক্ষ্য অৰ্জন কৰাৰ দায়িত্ব গ্ৰহণ কৰিবলৈ মই ভাল পাওঁ
৫৮) ________জটিল পৰিস্থিতি এটাত আৰ্থিকভাৱে সহায় কৰাৰ সুযোগ পালে মই ভাল পাওঁ
৫৯) ________মই কঠিন পৰিস্থিতিত পৰা মানুহক সান্ত্বনা দি আনন্দ অনুভৱ
৬০) ________সত্য আৰু ভুলৰ পাৰ্থক্য মই সহজেই ধৰিব পাৰোঁ
৬১) ________মই প্ৰায়ে বিশ্বাস কৰিবলৈ সাজু হৈ থাকোঁ যে ঈশ্বৰে আমাক আনে অসম্ভৱ বুলি অনুভৱ কৰা পৰিস্থিতিৰ মাজেৰে পাৰ কৰাই নিব।
৬২) ________মোৰ ঘৰত মানুহে সহজ অনুভৱ কৰে।
৬৩) ________মই হাতেৰে বস্তু সৃষ্টি কৰি ভাল পাওঁ।
৬৪) ________ঈশ্বৰে স্পষ্টভাৱে মোৰ প্ৰাৰ্থনাৰ উত্তৰ দি থাকে।
৬৫) ________মই এজন অসুস্থ ব্যক্তিৰ ওচৰলৈ গৈ, ঈশ্বৰে তেওঁক শাৰীৰিকভাৱে সুস্থ কৰি তুলিবলৈ প্ৰাৰ্থনা কৰিছো, আৰু ব্যক্তিজন সুস্থ হৈ উঠিছে।
৬৬) ________মই বিভিন্ন স্থান বা সংস্কৃতিৰ খ্ৰীষ্টানসকলৰ সৈতে মই ভালদৰে সম্পৰ্ক স্থাপন কৰিবলৈ সক্ষম।
৬৭) ________মই ঈশ্বৰৰ বাক্য আনৰ আগত ঘোষণা কৰাৰ সুযোগ পালে ভাল পাওঁ।
৬৮) ________আজিৰ জগতত ঈশ্বৰৰ সতৰ্কবাণী আৰু সোধবিচাৰৰ বাক্য কোৱাটো মোৰ বাবে গুৰুত্বপূৰ্ণ।
৬৯) ________ মোৰ বাবে যীচু কি সেয়া মণ্ডলীভুক্ত নোহোৱা চুবুৰীয়াৰ আগত কোৱাটো আনন্দৰ কথা।
৭০) ________মানুহে নিজৰ সমস্যা আৰু চিন্তাবোৰ মোৰ ওচৰলৈ আনি ভাল পায় কাৰণ তেওঁলোকে অনুভৱ কৰে যে মই গুৰুত্ব দিওঁ।
৭১) ________মানুহক অধিক ফলপ্ৰসূ খ্ৰীষ্টীয়ান হ'বলৈ প্ৰশিক্ষণ দিয়াটো মোৰ পৰিচৰ্যাৰ এটা আনন্দকৰ দিশ।
৭২) ________মই নিশ্চিত অনুভৱ কৰোঁ যে মোৰ সঙ্গীত প্ৰতিভা মোৰ সংস্পৰ্শলৈ অহা আন মানুহৰ বাবে উপকাৰী হ'ব।
৭৩) ________বিমোৰত পৰা মানুহবোৰ মোৰ ওচৰলৈ প্ৰায়ে উৎসাহ আৰু সান্ত্বনা বিচাৰি আহে।
৭৪) ________কঠিন পৰিস্থিতিত উত্তম বিকল্প বাছি ল'বলৈ মোৰ বিশেষ অন্তৰ্দৃষ্টি আছে বুলি মই অনুভৱ কৰোঁ।
৭৫) ________বাইবেলসন্মত তত্ত্ব (শিক্ষা) সম্বন্ধে মোৰ স্পষ্ট ধাৰণা আছে।
৭৬) ________কাম এটা কৰিবলৈ আন কাৰোবাক বিচাৰি যোৱাতকৈ কামটো নিজে কৰিয়েই মই বেছি সন্তুষ্টি পাওঁ।
৭৭) ________আন মানুহক তেওঁলোকৰ বোজা বহন কৰিবলৈ সহায় কৰাৰ পৰিচৰ্যাটো মই ভাল পাওঁ।
৭৮) ________মণ্ডলীৰ কামত অধিককৈ জড়িত হ'বলৈ আনক অনুপ্ৰাণিত কৰাটো মোৰ বাবে ৰোমাঞ্চকৰ।
৭৯) ________মণ্ডলীৰ  বাবে ফলপ্ৰসূ পৰিকল্পনা প্ৰস্তুত কৰি মই ভাল পাওঁ।
৮০) ________মই প্ৰভুলৈ কিমান দান দিব পাৰিম সেই কথা ভাবি ভাল পাওঁ।
৮১) ________চিকিৎসালয়ত অসুস্থ ব্যক্তিৰ সেৱা কৰি মই ভাল পাওঁ।

৮২) ________কোনো এটা তাত্ত্বিক বক্তব্য সঁচা নে ভুল মই ভালদৰে বিচাৰ কৰিব পাৰো৷

৮৩) ________মানুহে মোক সকলো সম্ভৱ বুলি বিশ্বাস কৰা ব্যক্তি হিচাপে লয় যেন লাগে৷

৮৪) ________যেতিয়া মিছনেৰীসকল আমাৰ গীৰ্জালৈ আহে তেতিয়া মই তেওঁলোকক মোৰ ঘৰলৈ অহাটো বিচাৰোঁ৷

৮৫) ________মই দেখিছোঁ যে ঈশ্বৰৰ সৃষ্টিৰ বিভিন্ন বস্তুৰ ওপৰত মই কৰা কাৰ্যৰ ফলত উপযোগিতা আৰু সৌন্দৰ্য বৃদ্ধি পায় যিটো আন মানুহে দেখা নাছিল বা বিকশিত কৰা নাছিল৷

৮৬) ________মই আনৰ কাৰ্যকাৰিতা আৰু সামগ্ৰিক মঙ্গল প্ৰাৰ্থনাৰ প্ৰতি ঈশ্বৰে দিয়া উত্তৰৰ ওপৰত নিৰ্ভৰ কৰাটো মানি লৈ তেওঁলোকৰ বাবে  বিশ্বস্ততাৰে প্ৰাৰ্থনা

৮৭) ________মই শাৰীৰিক বা মানসিকভাৱে অসুস্থ লোকসকলক প্ৰতি পৰিচৰ্যাত অংশগ্ৰহণ কৰি আৰু তেওঁলোকৰ আৰোগ্যৰ বাবে প্ৰাৰ্থনা কৰি ভাল পাওঁ৷

৮৮) ________নতুন সম্প্ৰদায়ত নতুন গীৰ্জা আৰম্ভ কৰাৰ চিন্তা মোৰ বাবে ৰোমাঞ্চকৰ৷

৮৯) ________মই মণ্ডলীত কৰ্মীসকলক প্ৰশিক্ষণ দি ভাল পাওঁ.

৯০) ________বাইবেলৰ ক্লাছত ঈশ্বৰৰ বাক্যই আনক বিৰক্ত কৰিলেও বাক্য কোৱাটো অতি প্ৰয়োজনীয় যেন মোৰ লাগে৷

৯১) ________মোৰ সমাজৰ শুভবাৰ্তা নোপোৱা লোকসকলৰ প্ৰতি মই গভীৰ চিন্তা অনুভৱ কৰো৷

৯২) ________মই এজনৰ পৰা এজন হিচাবে মানুহৰ লগত যোগাযোগ ভাল পাওঁ৷

৯৩) ________বাইবেলৰ ক্লাছত পঢ়াবৰ বাবে সামগ্ৰীসমূহ সংগঠিত কৰাটো সহজ৷

৯৪) ________ঈশ্বৰৰ প্ৰশংসাৰ বাবে বা বিশুদ্ধ আনন্দৰ বাবে গীত গোৱাত আনক নেতৃত্ব দিয়াটো ব্যক্তিগতভাৱে সন্তুষ্টিদায়ক৷

৯৫) ________মই এটা গীৰ্জাবিহীন পৰিয়ালতকৈ মোৰ গীৰ্জাৰ এটা অপৰাধবোধত থকা পৰিয়ালক দেখা কৰি ভাল পাম৷

৯৬) ________সমস্যাৰ সমাধানৰ প্ৰতি মোৰ প্ৰবল আত্মবিশ্বাস আছে৷

৯৭) ________বাইবেলৰ কঠিন পুস্তক এখন পঢ়ি অধ্যয়ন কৰাটো এক উত্তেজনাপূৰ্ণ প্ৰত্যাহ্বান৷

৯৮) ________মই বিশেষ মনোযোগ আকৰ্ষণ নকৰাকৈ কামবোৰ কৰি ভাল পাওঁ৷

৯৯) ________কোনো পৰিয়ালে যদি কোনো ভয়াৱহ সংকটৰ সন্মুখীন হলে তেওঁলোকক সহায় কৰাৰ সুযোগ ল'বলৈ মই ভাল পাওঁ৷

১০০)________কোনো কাম সম্পন্ন কৰিবলৈ আন লোকক মোৰ অনুগামী কৰিবলৈ মই ভাল পাওঁ৷

১০১)________গোটটোৰ বাবে মই নিজে সিদ্ধান্ত লৈয়েই ভাল পাম, তেওঁলোকক একেটা সিদ্ধান্তত উপনীত হ'বলৈ মান্তি কৰাতকৈ৷

১০২)________মই ত্যাগপূৰ্ণভাবে দান দিব পাৰোঁ কাৰণ মই জানো যে ঈশ্বৰে মোৰ সকলো প্ৰয়োজন পূৰণ কৰিব৷

১০৩)________ঘৰতে আৱদ্ধ হৈ থকা মানুহক লগ পোৱাটো এক বিশেষ সন্তুষ্টিৰ কথা৷

১০৪) ________মই প্ৰায়ে মানুহৰ উদ্দেশ্য চিন্তা কৰি চাওঁ আৰু শব্দৰ আঁৰৰ অৰ্থ চাওঁ৷

১০৫) ________মানুহ যেতিয়া নিৰুৎসাহিত হয় তেতিয়া মই তেওঁলোকক ইতিবাচক দৃষ্টিভংগী দি ভাল পাওঁ৷

১০৬) ________মানুহে মোৰ ঘৰলৈ আহি ভাল পোৱা দেখা যায়৷

১০৭) ________বিভিন্ন বস্তু অংকন, ডিজাইন আৰু/বা ৰং কৰি মোৰ ভাল লাগে৷

১০৮) ________হয়তো বেলেগ কাম কৰিব লগা সময়তো মই নিজকে প্ৰাৰ্থনা কৰা অৱস্থাত পাওঁ৷

১০৯)________মই দৃঢ়ভাৱে অনুভৱ কৰোঁ যে ৰোগীৰ বাবে কৰা মোৰ প্ৰাৰ্থনাই তেওঁৰ সুস্থতাত প্ৰভাৱ পেলায়৷

১১০)________সৰ্বোপৰি, আন সম্প্ৰদায় আৰু দেশৰ সকলো মানুহক প্ৰভুলৈ জয় কৰা দেখাটো মোৰ প্ৰবল ইচ্ছা৷

**********************************************************************

অভিনন্দন, আপুনি আত্মিক বৰ পৰীক্ষাটো সম্পূৰ্ণ কৰিলে!

কোনো উক্তিৰ সহাঁৰি দিবলৈ আপুনি পাহৰি গ'ল নেকি জানিবলৈ গোটেইবোৰ উক্তি এবাৰ চকু ফুৰাই চাবলৈ সময় লওঁক।

.

এতিয়া আপোনাৰ **সঁহাৰিবোৰ বিশ্লেষণ পত্ৰলৈ** স্থানান্তৰিত কৰক। তাকে কৰিবলৈ আপুনি প্ৰতিটো প্ৰশ্নলৈ আপোনাৰ **সঁহাৰিবোৰ** চাব লাগিব।

১১০ প্ৰশ্ন**ৰ প্ৰতিটোৰ বাবে** , আপোনাৰ সাংখ্যিক উত্তৰটো **বিশ্লেষণ পত্ৰৰ** উচিত ঘৰটোত বহুৱাওঁক। তাৰপাছত আপুনি বহুউৱা সংখ্যাবোৰৰ প্ৰতিটো আনুভূমিক শাৰী যোগ কৰক আৰু যোগফলটো মুঠ**ৰ ঘৰটোত বহুৱাওঁক।** এটা চমু উদাহৰণ তলত দিয়া হ'ল:

| Q# | সঁহাৰি | Q# | সঁহাৰি | Q# | সঁহাৰি | Q# | সঁহাৰি | Q# | সঁহাৰি | মুঠ | স্থান | আত্মিক বৰ |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| ১ | ১ | ২৩ | ৩ | ৪৫ | ০ | ৬৭ | ১ | ৮৯ | ৩ | ৮ | ২ | পাঁচনি |
| ২ | ৩ | ২৪ | ১ | ৪৬ | ১ | ৬৮ | ০ | ৯০ | ১ | ৬ | ৩ | ভাববাদী |
| ৩ | ৩ | ২৫ | ৫ | ৪৭ | ৩ | ৬৯ | ৫ | ৯১ | ১ | ১৭ | ১ | শুভবাৰ্তা প্ৰচাৰক |

এতিয়া সকলোবোৰ মুঠ (যোগফল)লৈ চাওঁক। সৰ্বোচ্চ **মুঠটো** সম্ভৱতঃ আপোনাত সকলোতকৈ প্ৰৱলভাবে থকা **আত্মিক বৰ।** কিছুমান লোকৰ একে মুঠ থকা কেইবাটাও **আত্মিক বৰ** থাকিব। এই মূল্যায়নৰ পৰীক্ষাটো সম্পূৰ্ণ সিদ্ধ নহয়, গতিকে আপোনাৰ সকলোতকৈ প্ৰবল **আত্মিক বৰটোৱে** সৰ্বোচ্চ মুঠটো নেদেখুৱাবও পাৰে। একেবাৰে শেষত আপুনি প্ৰতিটোৰ বাবে শাস্ত্ৰৰ প্ৰসঙ্গ উল্লেখ কৰা আত্মিক বৰৰ এখন তালিকা পাব।

এই আত্মিক বৰ মূল্যায়নৰ পৰীক্ষাটো তলৰ ঠিকনাত অনলাইন পাব

http://www.kodachrome.org/spiritgift

# আত্মিক বৰ বিশ্লেষণ পত্ৰ

পৰীক্ষাটো **সম্পূৰ্ণ** নকৰালৈকে এই পত্ৰখন **নাচাব**

| Q# | সহাৰি | Q# | সহাৰি | Q# | সহাৰি | Q# | সহাৰি | Q# | সহাৰি | মুঠ | ক্ৰম | আত্মিক বৰ |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| ১ | | ২৩ | | ৪৫ | | ৬৭ | | ৮৯ | | | | পাঁচনি |
| ২ | | ২৪ | | ৪৬ | | ৬৮ | | ৯০ | | | | ভাববাদী |
| ৩ | | ২৫ | | ৪৭ | | ৬৯ | | ৯১ | | | | শুভবাৰ্তা প্ৰচাৰক |
| ৪ | | ২৬ | | ৪৮ | | ৭০ | | ৯২ | | | | পালক |
| ৫ | | ২৭ | | ৪৯ | | ৭১ | | ৯৩ | | | | শিক্ষক |
| ৬ | | ২৮ | | ৫০ | | ৭২ | | ৯৪ | | | | সঙ্গীত |
| ৭ | | ২৯ | | ৫১ | | ৭৩ | | ৯৫ | | | | উদগণি দিয়া |
| ৮ | | ৩০ | | ৫২ | | ৭৪ | | ৯৬ | | | | প্ৰজ্ঞা |
| ৯ | | ৩১ | | ৫৩ | | ৭৫ | | ৯৭ | | | | জ্ঞান |
| ১০ | | ৩২ | | ৫৪ | | ৭৬ | | ৯৮ | | | | সেৱা কৰা |
| ১১ | | ৩৩ | | ৫৫ | | ৭৭ | | ৯৯ | | | | সহায় কৰা |
| | | | | | | | | | | | | |
| ১২ | | ৩৪ | | ৫৬ | | ৭৮ | | ১০০ | | | | নেতৃত্ব লোৱা |
| ১৩ | | ৩৫ | | ৫৭ | | ৭৯ | | ১০১ | | | | শাসন |
| ১৪ | | ৩৬ | | ৫৮ | | ৮০ | | ১০২ | | | | দান দিয়া |
| ১৫ | | ৩৭ | | ৫৯ | | ৮১ | | ১০৩ | | | | কৰুণা |
| ১৬ | | ৩৮ | | ৬০ | | ৮২ | | ১০৪ | | | | সূক্ষ্ম বিচাৰশক্তি |
| ১৭ | | ৩৯ | | ৬১ | | ৮৩ | | ১০৫ | | | | বিশ্বাস |
| ১৮ | | ৪০ | | ৬২ | | ৮৪ | | ১০৬ | | | | অতিথি পৰায়ণতা |
| ১৯ | | ৪১ | | ৬৩ | | ৮৫ | | ১০৭ | | | | শিল্পকুশলতা |
| ২০ | | ৪২ | | ৬৪ | | ৮৬ | | ১০৮ | | | | নিবেদন |
| ২১ | | ৪৩ | | ৬৫ | | ৮৭ | | ১০৯ | | | | সুস্থ কৰা |
| ২২ | | ৪৪ | | ৬৬ | | ৮৮ | | ১১০ | | | | মিছনেৰী |

# আত্মিক বৰৰ তালিকা

**পাঁচনি**
ই হৈছে সেই বৰ য'ত পৱিত্ৰ আত্মাই সত্য তত্ত্বৰ ঘোষণা আৰু শিক্ষাৰ দ্বাৰা ঈশ্বৰৰ মণ্ডলীসমূহক নেতৃত্ব, প্ৰেৰণা আৰু বিকাশৰ বাবে কিছুমান খ্ৰীষ্টীয়ানক নিযুক্তি দিয়ে। পাঁচনিৰ কৰ্ম ১২:১-৫, পাঁচনিৰ কৰ্ম ১৪:২১-২৩ চাওঁক

**ভাববাদী**
ই হৈছে পৱিত্ৰ আত্মাই কিছুমান খ্ৰীষ্টীয়ানক কোনো এটা পৰিস্থিতিত ঈশ্বৰৰ প্ৰকাশৰ ব্যাখ্যা আৰু প্ৰয়োগ কৰিবলৈ ক্ষমতা প্ৰদান কৰা বিশেষ বৰ। ১ কৰিন্থীয়া ১৪:১-৫, ১ কৰিন্থীয়া ১৪:৩০-৩৩, ১ কৰিন্থীয়া ১৪:৩৭ চাওঁক

**শুভবাৰ্তা প্ৰচাৰক**
ই হৈছে সেই বিশেষ বৰ যাৰ দ্বাৰা পৱিত্ৰ আত্মাই বিশেষ খ্ৰীষ্টীয়ানসকলক অবিশ্বাসীসকলৰ আগত শুভবাৰ্তা এনেদৰে ভাগ-বতৰা কৰিবলৈ সক্ষম কৰে যে অবিশ্বাসীজন প্ৰভু যীচুৰ শিষ্য হয়। পাঁচনিৰ কৰ্ম ৮:২৬-৪০ চাওঁক

**পালক**
ই হৈছে সেই বিশেষ বৰ যাৰ দ্বাৰা পৱিত্ৰ আত্মাই বিশেষ খ্ৰীষ্টীয়ানসকলক বিশ্বাসীসকলৰ এটা দলৰ আধ্যাত্মিক কল্যাণৰ দায়িত্ব ল'বলৈ সক্ষম কৰে। ১ পিতৰ ৫:১-১১ চাওঁক

**শিক্ষক**
ই হৈছে সেই বিশেষ বৰ যাৰ দ্বাৰা পৱিত্ৰ আত্মাই বিশেষ খ্ৰীষ্টীয়ানসকলক ঈশ্বৰৰ বাক্যৰ সত্যতাসমূহ জনাবলৈ সক্ষম কৰে যাতে আনসকলে শিকিব পাৰে ইব্ৰী ৫:১২-১৪ চাওঁক

**সঙ্গীত**
ই হৈছে সেই বিশেষ বৰ যাৰ দ্বাৰা পৱিত্ৰ আত্মাই কিছুমান খ্ৰীষ্টীয়ানক বিভিন্ন ধৰণৰ সঙ্গীতৰ যোগেৰে ঈশ্বৰৰ প্ৰশংসা কৰিবলৈ আৰু স্থানীয় মণ্ডলীৰ উপাসনাৰ অভিজ্ঞতা বৃদ্ধি কৰিবলৈ সক্ষম কৰে। ১ কৰিন্থীয়া ১৪:২৬, মাৰ্ক ১২:৩৬ চাওঁক

**উদগণি দিয়া**
ই হৈছে সেই বিশেষ বৰ যাৰ দ্বাৰা পৱিত্ৰ আত্মাই কিছুমান খ্ৰীষ্টীয়ানক প্ৰয়োজনত থকা আন খ্ৰীষ্টীয়ানৰ কাষত ঠিয় দি সান্তনা, পৰামৰ্শ আৰু উদগণি আনিবলৈ সক্ষম কৰে যাতে তেওঁলোকে সহায় পোৱাটো অনুভৱ কৰে। পাচনিৰ কৰ্ম ১১:২৩-২৪, পাচনিৰ কৰ্ম ১৪:২১-২২ চাওঁক

**প্ৰজ্ঞা**
ই হৈছে সেই বিশেষ বৰ যাৰ দ্বাৰা পৱিত্ৰ আত্মাই কিছুমান খ্ৰীষ্টীয়ানক ঈশ্বৰৰ ইচ্ছা আৰু কামৰ বিষয়ে বুজাবুজিৰে সজ্জিত কৰে যিদৰে ই জীৱনৰ জীৱন যাপনৰ সৈতে জড়িত। যাকোব ৩:১৩-১৭ চাওঁক

**জ্ঞান**
ই হৈছে সেই বিশেষ বৰ যাৰ দ্বাৰা পৱিত্ৰ আত্মাই কিছুমান খ্ৰীষ্টীয়ানক ঈশ্বৰৰ বাক্যৰ মহান সত্যবোৰ ব্যতিক্ৰমীভাৱে বুজিবলৈ আৰু মণ্ডলীৰ নিৰ্দিষ্ট পৰিস্থিতিৰ লগত প্ৰাসংগিক কৰি তুলিবলৈ সক্ষম কৰে। চাওঁক ইফিচীয়া৩:১৪-১৯

**সেৱা কৰা**
ই হৈছে সেই বিশেষ বৰ যাৰ দ্বাৰা পৱিত্ৰ আত্মাই কিছুমান খ্ৰীষ্টীয়ানক স্বেচ্ছাই আন খ্ৰীষ্টানসকলৰ বোজা বহন কৰিবলৈ আৰু তেওঁলোকক এনেদৰে সহায় কৰিবলৈ শক্তিশালী কৰে যাতে তেওঁলোকে নিজৰ কামবোৰ অধিক ফলপ্ৰসূভাৱে কৰিব পাৰে। গালাতীয়া ৬:১-২ চাওঁক

**সহায় কৰা**
ই হৈছে সেই বিশেষ বৰ যাৰ দ্বাৰা পৱিত্ৰ আত্মাই কিছুমান খ্ৰীষ্টীয়ানক স্বেচ্ছাই আন খ্ৰীষ্টানসকলৰ বোজা বহন কৰিবলৈ আৰু তেওঁলোকক এনেদৰে সহায় কৰিবলৈ শক্তিশালী কৰে যাতে তেওঁলোকে নিজৰ কামবোৰ অধিক ফলপ্ৰসূভাৱে কৰিব পাৰে। পাঁচনিৰ কৰ্ম ৬:২-৪ চাওঁক

**নেতৃত্ব**
ই সেই বিশেষ বৰ যাৰে পৱিত্ৰ আত্মাই কিছুমান খ্ৰীষ্টীয়ানক ঈশ্বৰৰ লোকসকলক এনেকৈ প্ৰেৰণা, নিৰ্দেশনা আৰু অনুপ্ৰাণিত কৰিবলৈ সক্ষম কৰে যে তেওঁলোকে স্বেচ্ছাই সুসমতাপূৰ্ণভাৱে একেলগে গীৰ্জাৰ কাম ফলপ্ৰসূভাৱে কৰে। ইব্ৰী ১৩:৭, বিচাৰকৰ্তাবিলাক ৩:১০, যাত্ৰাপুস্তক ১৮:১৩-১৬ চাওঁক

**শাসন**
ই হৈছে সেই বিশেষ বৰ যাৰ দ্বাৰা পৱিত্ৰ আত্মাই কিছুমান খ্ৰীষ্টীয়ানক মণ্ডলীৰ পৰিচৰ্যাৰ এটা নিৰ্দিষ্ট অংশৰ লক্ষ্য বুজিবলৈ আৰু সেই অংশটোক ফলপ্ৰসূভাৱে নিৰ্দেশনা দিবলৈ সক্ষম কৰে, মণ্ডলীক সঠিক গতিপথত ৰাখি। পাঁচনিৰ কৰ্ম ১২:১২-২১

**দান দিয়া**
ই হৈছে সেই বিশেষ বৰ যাৰ দ্বাৰা পৱিত্ৰ আত্মাই কিছুমান খ্ৰীষ্টীয়ানক  ব্যতিক্ৰমী ইচ্ছা, আনন্দ আৰু উদাৰতাৰে মণ্ডলীৰ কামৰ বাবে নিজৰ বস্তুগত আশীৰ্বাদবোৰ আগবঢ়াবলৈ সক্ষম কৰে৷ ২ কৰিন্থীয়া ৮:১-৫ চাওঁক

**কৰুণা**
ই হৈছে সেই বিশেষ বৰ যাৰ দ্বাৰা পৱিত্ৰ আত্মাই কিছুমান খ্ৰীষ্টীয়ানক  দুখভোগ কৰাসকলৰ প্ৰতি ব্যতিক্ৰমী সহানুভূতি আৰু মমতা অনুভৱ কৰিবলৈ সক্ষম কৰে যাতে তেওঁলোকে ইয়াক লাঘৱ কৰিবলৈ বৃহৎ পৰিমাণৰ সময় আৰু শক্তি ব্যয় কৰে৷  লূক ১০:৩০-৩৭ চাওঁক

**সূক্ষ্ম বিচাৰশক্তি**
ই হৈছে সেই বিশেষ বৰ যাৰ দ্বাৰা পৱিত্ৰ আত্মাই কিছুমান খ্ৰীষ্টীয়ানক কোনো এটা আচৰণ ঈশ্বৰৰ নে চয়তানৰ নিশ্চিতভাৱে জানিবলৈ সক্ষম কৰে৷ পাচনিৰ কৰ্ম ৫:৩-৬, পাচনিৰ কৰ্ম ১৬:১৬-১৮ চাওঁক

**বিশ্বাস**
ই হৈছে সেই বিশেষ বৰ যাৰ দ্বাৰা পৱিত্ৰ আত্মাই কিছুমান খ্ৰীষ্টীয়ানক  ঈশ্বৰৰ প্ৰতিজ্ঞা, শক্তি আৰু উপস্থিতিৰ ওপৰত অসাধাৰণ আস্থা প্ৰদান কৰে যাৰ ফলত তেওঁলোকে মণ্ডলীত ঈশ্বৰৰ কামৰ ভৱিষ্যতৰ বাবে বীৰত্বপূৰ্ণভাৱে থিয় দিব পাৰে৷ ইব্ৰী ১১ চাওঁক

**অতিথি পৰায়ণতা**
ই হৈছে সেই বিশেষ বৰ যাৰ দ্বাৰা পৱিত্ৰ আত্মাই কিছুমান খ্ৰীষ্টীয়ানক  স্বেচ্ছাই নিজৰ ঘৰ মুকলি কৰি দিবলৈ আৰু আন মানুহক আনন্দৰে থকা-খোৱা আৰু  ব্যৱস্থা কৰিবলৈ আৰু সঙ্গতি আগবঢ়াবলৈ সক্ষম কৰে৷  আদি পুস্তক ১৮:১-১৫ চাওঁক৷

**শিল্পকুশলতা**
ই হৈছে সেই বিশেষ বৰ যাৰ দ্বাৰা পৱিত্ৰ আত্মাই কিছুমান খ্ৰীষ্টীয়ানক  কলাত্মক, সৃষ্টিশীল উপায়েৰে ৰাজ্য গঢ়ি তুলিবৰ বাবে  হাত আৰু মন ব্যৱহাৰ কৰাৰ ক্ষমতা প্ৰদান কৰে৷ যাত্ৰা পুস্তক ২৮:৩-৪ চাওঁক৷

**নিবেদন**
ই হৈছে সেই বিশেষ বৰ যাৰ দ্বাৰা পৱিত্ৰ আত্মাই কিছুমান খ্ৰীষ্টীয়ানক  দীৰ্ঘ সময়ৰ বাবে প্ৰাৰ্থনা কৰিবলৈ সক্ষম কৰে যাৰ ফলত ৰাজ্য গঠনৰ ক্ষেত্ৰত যথেষ্ট ইতিবাচক প্ৰভাৱ পৰে। ১ থিচলনীকীয়া ৩:১০-১৩, ১তীমথিয় ২:১-২ চাওঁক

**সুস্থ কৰা**
ই হৈছে সেই বিশেষ বৰ যাৰ দ্বাৰা পৱিত্ৰ আত্মাই কিছুমান খ্ৰীষ্টীয়ানক  ৰোগীক সুস্থতা প্ৰদান কৰিবলৈ ব্যৱহাৰ কৰে৷ যাকোব ৫:১৩-১৬, লূক ৯:১-২ চাওঁক৷

**মিছনেৰী**
ই হৈছে খ্ৰীষ্টৰ শৰীৰৰ কিছুমান সদস্যক (স্থানীয় মণ্ডলী) পবিত্ৰ আত্মাই দিয়া বিশেষ বৰ যাতে  তেওঁলোকৰ যি আন বৰ আছে সেইবোৰ তেওঁলোকে আন সংস্কৃতি বা আন সম্প্ৰদায়ত সেৱা কৰিবলৈ ব্যৱহাৰ কৰিব পাৰে৷ ১ কৰিন্থীয়া ৯:১৯-২৩ চাওঁক৷

**অধ্যায় ৬**

# মানুহ ব্যৱস্থাপনা

***"লোকে তোমালোকক যেনে ব্যৱহাৰ কৰিলে তোমালোকে ভাল পোৱা, তোমালোকেও তেওঁবিলাকক তেনে ব্যৱহাৰ কৰা."***
**লূক ৬:৩১**

সোণালী নিয়মটি। এনেকুৱা লাগে যেন আমি সকলোৱে এইকথা ভালদৰে জানো তথাপি বেছিভাগ সময়তে ব্যৱহাৰ কৰাত ব্যৰ্থ হওঁ। মণ্ডলী হৈছে এটা মানুহক লৈ কৰা কাৰ্য-কলাপ যিটো সম্পৰ্কৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠে – ঈশ্বৰৰ সৈতে আৰু পৰস্পৰৰ সৈতে। যীচুৱে আমাক এই নীতিটো শিকাইছিল যাতে আমি ইজনে সিজনৰ লগত, আৰু ঈশ্বৰৰ লগত মিলাপ্ৰীতিৰে জীয়াই থাকিব পাৰো, আৰু তেওঁ যি প্ৰেমৰ বাবে মৃত্যুবৰণ কৰিছিল, সেই প্ৰেম জগতক আমি প্ৰদৰ্শন কৰিব পাৰো। যেতিয়া আপুনি মানুহৰ ব্যৱস্থাপনা কৰে তেতিয়া আপুনি তেওঁলোকৰ সৈতে এটা সম্পৰ্কত থাকে, কেৱল তেওঁলোকৰ ওপৰত কৰ্তৃত্বৰ পদ এটাত নহয়। মানুহক ব্যৱস্থাপনা কৰা মানে আনক তেওঁলোকে আপোনাৰ বাবে কি কৰিব পাৰে সেই কথা কোৱাটো নহয়, বৰং আপুনি তেওঁলোকৰ বাবে কি কৰিব পাৰে সেইটো সোধাহে। ই হৈছে যীচুৱে আমাক শিকোৱা সোণালী নিয়মটোৰ দৈনন্দিন অভ্যাস। এই অধ্যায়ত আমি মানুহ ব্যৱস্থাপনাৰ গুৰুত্ব, মানুহ ব্যৱস্থাপনাৰ কিছুমান নীতি আৰু মানুহক কেনেকৈ ব্যৱস্থাপনা কৰিব লাগে সেই বিষয়ে চাম।

## I. মানুহ ব্যৱস্থাপনা কৰাটো কিয় ইমান গুৰুত্বপূৰ্ণ?

১. মণ্ডলী মানুহক লৈয়েই

***"যিজনাই আন্ধাৰৰ পৰা তেওঁৰ আচৰিত পোহৰলৈ তোমালোকক আমন্ত্ৰণ কৰিলে, তোমালোকে যেন তেওঁৰ সদগুণ প্ৰকাশ কৰা, এই কাৰণে তোমালোক মনোনীত বংশ, ৰাজকীয় পুৰোহিতসমূহ, পবিত্ৰ জাতি, আৰু ঈশ্বৰৰ নিজ অধিকাৰৰ অৰ্থে এক বিশেষ লোক হৈছো." – ১ পিতৰ ২:৯***

- মণ্ডলী এটা ঘৰ নহয়, ই মানুহ
- আমাৰ দৃষ্টি মানুহৰ ওপৰত, বয়-বস্তুৰ ওপৰত নহয়
- ই সম্বন্ধৰ বিষয়
    - ঈশ্বৰৰ সৈতে
    - খ্ৰীষ্টৰ সৈতে
    - পৰস্পৰৰ সৈতে

২. মানুহেই হৈছে মণ্ডলীৰ সৰ্বোত্তম সম্পদ

- মানুহ হৈছে মণ্ডলীৰ আটাইতকৈ উভৈনদী সম্পদ
- • মানুহে মণ্ডলীলৈ বহুতো উপহাৰ আৰু দক্ষতা আনে
  ***"কিন্তু হিতৰ কাৰণে প্ৰতিজনকে আত্মা-প্ৰকাশক গুণ দিয়া হৈছো" – ১ কৰিন্থীয়া ১২:৭***
    - পৰিচৰ্যাৰ বাবে আত্মিক বৰ
    - সেৱাৰ বাবে দক্ষতা

- মানুহৰ ওপৰত কৰা বিনিয়োগৰ পৰা সৰ্বাধিক লাভ হয়

৩. পৰিচৰ্যা মানুহৰ যোগেদি সম্পন্ন হয়

***"কৰ্মসাধক গুণো অনেক বিধ, কিন্তু ঈশ্বৰ একে; তেওঁ সকলোতে সকলো কৰ্মৰ সাধনকৰ্তা।" – ১ কৰিন্থীয়া ১২:৬***

- মানুহে পৰিচৰ্যা কৰে আৰু মানুহক পৰিচৰ্যা কৰা হয়
- আন সম্পদবোৰ (বয়-বস্তু) মানুহক সহায় কৰিবৰ বাবেহে
- যীচুৰ পৰিচৰ্যা আছিল মানুহৰ হৃদয়ৰ প্ৰতি

৪. মণ্ডলীৰ সদস্যসকল স্বেচ্ছাসেৱকহে, কৰ্মচাৰী নহয়

- স্বেচ্ছাসেৱী লোকসকলক অনুপ্ৰেৰণাৰ প্ৰয়োজন
  - তেওঁলোকে ঈশ্বৰৰ নেতৃত্বত অনুভৱ কৰিব লাগিব
  - কোনো আবেগ নাথাকিলে কোনো উদ্দেশ্য নাই মানে কোনো মানুহ নাই

- স্বেচ্ছাসেৱী লোকসকলক উৎসাহৰ প্ৰয়োজন
  - স্বেচ্ছাসেৱকসকলে যি কৰি আছে সেই বিষয়ে তেওঁলোকক আশ্বাসৰ প্ৰয়োজন
  - স্বেচ্ছাসেৱকসকলে অসুবিধাৰ অতিক্ৰম কৰি কাম কৰি যাব লাগিব

- স্বেচ্ছাসেৱী লোকসকলক অভিৰোচন লাগে
  - তেওঁলোকক দৰমহা দিয়া নহয়, গতিকে তেওঁলোকক আগুৱাই নিবলৈ কিবা এটাৰ প্ৰয়োজন
  - তেওঁলোক শুভবাৰ্তাৰ দ্বাৰা অনুপ্ৰাণিত হ'ব লাগে

৫. সংঘাত এৰাই চলিবলৈ

- মণ্ডলীৰ মাজৰ সংঘাত সাধাৰণতে মানুহৰ মাজতেই হয়
- গতিকে সংঘাতত থকা মানুহৰ লগত কেনেদৰে ব্যৱহাৰ কৰিব লাগে শিকাটো জৰুৰী

## II. মানুহ ব্যৱস্থাপনাৰ নীতি

১. মানুহবোৰ অনন্য

***"তুমিয়েই মোৰ অন্তঃকৰণ সৃষ্টি কৰিলা, তুমি মোক মাতৃৰ গৰ্ভতে গঠন কৰিলা।" – গীতমালা ১৩৯:১৩***

- তেওঁলোকৰ অনন্য দক্ষতা আছে
- তেওঁলোকৰ অনন্য অভিজ্ঞতা আছে
- তেওঁলোকৰ অনন্য ধাৰণা আছে
- তেওঁলোকৰ ব্যক্তিত্ব অনন্য

২. মানুহে অন্তৰ্ভুক্ত হ'ব বিচাৰে

- মানুহে কিবা এটাৰ অংশ হৈ ভাল পায়
- মানুহে সাধাৰণতে অকলশৰীয়া বা নিসঙ্গ হোৱাটো বেয়া পায়
  ***"পাছে ঈশ্বৰ যিহোৱাই ক'লে, মানুহ অকলে থকা ভাল নহয়; মই তাৰ নিমিত্তে তাৰ এক উপযুক্ত সহকাৰী নিৰ্মাণ কৰিম।" – আদি পুস্তক*** ২:১৮

- যীচুৱে সহভাগিতাৰ প্ৰয়োজনীয়তাক স্বীকৃতি দিছিল

৩. মানুহে <u>অংশগ্ৰহণ কৰিব বিচাৰে</u>

- মানুহে দৰ্শক হোৱাতকৈ জড়িত হ'বলৈ ইচ্ছা কৰে
- মানুহে অৱদান আগবঢ়াবলৈ ইচ্ছা কৰে
- মানুহে নিজৰ বৰ আৰু দক্ষতা প্ৰয়োজনত ব্যৱহাৰ কৰিবলৈ ইচ্ছা কৰে

৪. মানুহক <u>মূল্য দিলে ভাল</u> পায়

- মানুহে নিজকে প্ৰয়োজনীয় বুলি অনুভৱ কৰাৰ প্ৰয়োজন
  ***"মই পৌলে, মোৰ বন্দীয়াৰ অৱস্থাত জন্মা মোৰ পুত্ৰ ওনীচিমৰ নিমিত্তেই মিনতি কৰিছোঁ। তেওঁ আগেয়ে তোমালৈ অনুপকাৰী আছিল; কিন্তু এতিয়া তোমালৈকো আৰু মোলৈকো উপকাৰী হ'ল।"*** – **ফিলীমন** ১:১০-১১
- যদি মানুহক মূল্য দিয়া হয়, তেওঁলোকে স্বেচ্ছাই আগুৱাই আহিব

৫. মানুহে <u>সন্মান বিচাৰে</u>

***"সকলোকে সমাদৰ কৰা।"*** – **১ পিতৰ ২:১৭**

- মানুহে মৰ্যাদাপূৰ্ণ ব্যৱহাৰ পাব বিচাৰে
- ঈশ্বৰৰ বাবে মানুহ গুৰুত্বপূৰ্ণ, গতিকে আমাৰ বাবেও তেওঁলোক গুৰুত্বপূৰ্ণ হ'ব লাগে

৬. মানুহে <u>স্বীকৃতি বিচাৰে</u>

***"স্তিফানা, ফৰ্তুনাত, আৰু আখায়িক ইয়ালৈ অহাত মই আনন্দিত হৈছোঁ; কিয়নো তোমালোক অনুপস্থিত থকাত, মোৰ যি অভাৱ আছিল, তাকে তেওঁলোকে সম্পূৰ্ণ কৰিলে। কাৰণ তেেওঁলোকে মোৰো আৰু তোমালোকৰো আত্মা জুৰুৱালে। এতেকে তোমালোকে এনে লোকৰ লগত পৰিচয় হ'বা।"***

**– ১ কৰিন্থীয়া ১৬:১৭-১৮**

- মানুহৰ শলাগ লোৱাটো প্ৰয়োজন
- স্বীকৃতিয়ে আত্মবিশ্বাস গঢ়ি তোলে

৭. মানুহে <u>দিশ বিচাৰে</u>

- দৰ্শনটো জনাওঁক
  - এজন নেতা হিচাপে আপুনি আনক অনুপ্ৰেৰণা আৰু অভিৰোচন দিব লাগিব
  - সকলোকে সামগ্ৰিক লক্ষ্যৰ ওপৰত মনোনিৱেশ কৰাই  ৰাখিব লাগিব

    ***"ঐশ্বৰিক দৰ্শনৰ অভাৱত মানুহবিলাক অবাধ্য হয়।"***
    **– হিতোপদেশ ২৯:১৮**

- প্ৰচেষ্টাসমূহৰ মাজত সমন্বয় ৰাখক
  - সকলোৱে যাতে একেলগে কাম কৰে সেইটো নিশ্চিত কৰক
  - যিবোৰ কাৰ্য্যকলাপৰ বিষয়ে আপুনি অৱগত নহয় বা মণ্ডলীৰ দৰ্শন বা লক্ষ্যৰ লগত খাপ নাখায়, সেইবোৰৰ অনুমতি নিদিব

- আটাইতকৈ ফলপ্ৰসূ নেতৃত্ব শৈলী ব্যৱহাৰ কৰক
  - পৰিস্থিতিৰ প্ৰয়োজন অনুসৰি শৈলী প্ৰয়োগ কৰক
  - যেনেদৰে প্ৰয়োজন হয় দায়িত্ব আৰু কাম আনলৈ হস্তান্তৰ কৰক

৮. মানুহে <u>তথ্য বিচাৰে</u>

- আপোনাৰ উদ্দেশ্য আৰু আশাৰ বিষয়ে জনাই দিয়ক
    - সকলোৱে নিজৰ ভূমিকা বুজি পোৱাটো নিশ্চিত কৰক
    - মানুহে কিবা এটা জানে বুলি ধৰি ল'ব নালাগে, তেওঁলোকক কওক

- সকলো প্ৰাসংগিক তথ্য জনাওঁক

## III. মানুহ ব্যৱস্থাপনা কেনেদৰে কৰিব

মানুহক ভালদৰে পৰিচালনা কৰিবলৈ অনুসৰণ কৰিব পৰা কিছুমান মৌলিক পদক্ষেপ উল্লেখ কৰা হ'ল:

**খোজ #১: তেওঁলোকক অন্তৰ্ভুক্ত কৰক**

- তেওঁলোকক অংশ গ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনাওঁক
- তেওঁলোকৰ আত্মিক বৰবোৰ ব্যৱহাৰ কৰিবলৈ তেওঁলোকক উদগণি দিয়ক

**খোজ #২: তেওঁলোকক সন্মান কৰক**

- তেওঁলোকৰ মতামতক মূল্য দিয়ক
- তেওঁলোকে কি ভাবে সোধক

**খোজ #৩: তেওঁলোকক প্ৰশিক্ষণ দিয়ক**

- তেওঁলোকৰ দক্ষতা আৰু সামৰ্থ বিকশিত কৰাত সহায় কৰক
- তেওঁলোকক প্ৰশিক্ষণলৈ পঠিয়াওঁক নাইবা নিজে প্ৰশিক্ষণ দিয়ক

**খোজ #৪: তেওঁলোকক স্বীকৃতি দিয়ক**

- তেওঁলোকৰ অৱদান মানি লওঁক
- তেওঁলোকৰ সাফল্যৰ বাবে তেওঁলোকক কৃতিত্ব দিয়ক

**খোজ #৫: তেওঁলোকক পুৰস্কৃত কৰক**

- কিবা এটা সৰু উপহাৰেৰে আপোনাৰ কৃতজ্ঞতা দেখুৱাওক
- তেওঁলোকক দুপৰীয়াৰ আহাৰ অথবা একাপ কফিৰে আপ্যায়িত কৰক

## IV. মণ্ডলীৰ বেলেগ বেলেগ প্ৰকাৰৰ কৰ্মী সকলৰ ব্যৱস্থাপনা কৰা

১. মণ্ডলীৰ দৰমহা পোৱা কৰ্মীক পৰিচালনা কৰা

- তেওঁলোক আপোনাৰ পৰিচৰ্যা দলৰ অংশ, গতিকে তেওঁলোকক ভাল ব্যৱহাৰ কৰক আৰু সমৰ্থন কৰক
- আপুনি তেওঁলোকলৈ দায়িত্ব হস্তান্তৰিত কৰিব লাগিব, কাম-কাজ নহয়
- দলগতভাবে কাম কৰাটো প্ৰাথমিকতা, গতিকে আপোনাক সকলোৱে একেলগে কাম কৰিব লাগিব
- প্ৰতিজনৰ বাবে দায়িত্ব আৰু কৰ্তৃত্বৰ স্পষ্ট ক্ষেত্ৰ একোটা থাকিব লাগিব

২. মণ্ডলীৰ নেতাসকলক পৰিচালনা কৰা

- তেওঁলোকক কোনো বিশেষ দৃষ্টিকেন্দ্ৰীভূত কৰা ক্ষেত্ৰ অথবা পৰিচৰ্যাত নিযুক্ত কৰক
- আপোনাৰ কৰ্তৃত্ব আৰু সামগ্ৰিক নিয়ন্ত্ৰণ বজাই ৰাখক
- নিৰ্দেশনা আৰু সহায় আগবঢ়াওঁক
- চলিথকা প্ৰশিক্ষণ যোগাওঁক
- আপোনাৰ পৰিচৰ্যাত বিজুটি ঘটাব খোজা ব্যক্তিৰ পৰা সাবধান হওঁক
  - নিজৰ মতে কাম কৰিব খোজা ব্যক্তি
  - আপোনাৰ কৰ্তৃত্বৰ প্ৰতি বাধ্য হ'ব নোখোজা ব্যক্তি

৩. স্বেচ্চাসেৱকসকলক পৰিচালনা কৰা

- এজন উৎসাহ দিওঁতা আৰু অভিৰোচক হওঁক
- তেওঁলোকৰ বাবে সুনিৰ্দিষ্ট লক্ষ্য নিৰ্দ্ধাৰণ কৰি দিয়ক
- সম্পূৰ্ণ হোৱাটো নিশ্চিত কৰিবলৈ নিৰ্ধাৰিত তাৰিখ আৰু পৰৱৰ্তী পদক্ষেপৰ সৈতে কামৰ দায়িত্ব দিয়ক
- ভৱিষ্যত নেতা গঢ়ি তুলিবৰ বাবে পৰামৰ্শ দানৰ ব্যৱস্থা কৰক
- উদ্ভাৱন অথবা নতুন ধাৰণাক উৎসাহিত কৰক
- পোনে পোনে পৰিচালনা কৰিবৰ বাবে তেওঁলোকক এজন নেতা অথবা কৰ্মচাৰী এজনৰ সৈতে নিযুক্ত কৰক

# <u>মানুহ ব্যৱস্থাপনা অনুশীলন</u>

নির্দেশনা: বাওঁফালৰ স্তম্ভত তালিকাভুক্ত কৰা প্ৰতিটো পৰিস্থিতিৰ বাবে প্ৰযোজ্য মানুহ ব্যৱস্থাপনাৰ উপযুক্ত নীতি লিখক:

| **পৰিস্থিতি** | **মানুহ ব্যৱস্থাপনা নীতি** |
|---|---|
| ১. গীৰ্জাৰ এজন সদস্যই আপোনাৰ ওচৰলৈ আহি জনাইছে যে তেওঁলোকে স্তুতি- উপাসনাৰ দলত সেৱা আগবঢ়াব বিচাৰে৷ | |
| ২. আপোনাৰ এজন পৰিচৰ্যাৰ নেতাই আপোনাক মণ্ডলীৰ সদস্যসমূহ আৰু তেওঁলোকৰ আত্মিক বৰৰ তালিকা বিচাৰিছে৷ | |
| ৩. এটা পৰিয়ালে আপোনাৰ মণ্ডলী ত্যাগ কৰি আপোনাক জনালে যে তেওঁলোকে তাত কাকো চিনি পোৱা নাছিল৷ | |
| ৪. আপোনাৰ মণ্ডলীৰ যুৱক-যুৱতীসকল অসন্তুষ্ট কাৰণ সম্পদৰ বাবে তেওঁলোকে কৰা অনুৰোধ কোনেও গুৰুত্বসহকাৰে লোৱা নাই৷ | |
| ৫. পৰিচৰ্যা আপোনাৰ শিশু পৰিচৰ্যাৰ নেতাজন আপোনাৰ ওচৰলৈ আহি তেওঁলোকৰ পৰিচৰ্যা মণ্ডলীৰ সামগ্ৰিক পৰিকল্পনাত কেনেকৈ খাপ খায় জানিব বিচাৰে৷ | |
| ৬. আপোনাৰ মণ্ডলীৰ লোকসকলে এটা ডাঙৰ প্ৰকল্পত সহায়ৰ বাবে স্বেচ্ছাই আগবাঢ়ি আহিবলৈ অনিচ্ছুক৷ | |
| ৭. আপোনাৰ মণ্ডলীৰ পৰিচৰ্যাৰ দুজন নেতাৰ মাজত মণ্ডলীৰ লক্ষ্য কেনেকৈ পূৰণ কৰিব পাৰি সেই বিষয়ে মতানৈক্য হৈছে৷ | |
| ৮. আপোনাৰ শিশু পৰিচৰ্যাত বহু দিন ধৰি জড়িত স্বেচ্ছাসেৱী এজনে হঠাতে সেই পৰিচৰ্যাত সেৱা কৰা বন্ধ কৰি দিছে৷ | |

**অধ্যায় ৭**

# <u>সংঘাতৰ ব্যৱস্থাপনা</u>

***"মিলনকাৰীবিলাক ধন্য, কিয়নো তেওঁবিলাক ঈশ্বৰৰ সন্তান বুলি প্ৰখ্যাত হ'ব।"***
মথি ৫:৯

প্ৰতিজন মণ্ডলী অথবা পৰিচৰ্যাৰ নেতাই জনা উচিত যে মানুহৰ সৈতে লেনদেন কৰা যিকোনো সংগঠনত সংঘাত অনিবাৰ্য। আগতে কোৱাৰ দৰে মণ্ডলী হৈছে মানুহক লৈ কৰা কাম-কাজ আৰু ই সম্পৰ্কৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠে। ঈশ্বৰৰ লগত হোৱা সংঘাতক পাপ বোলা হয়। ইজন সিজনৰ মাজত হোৱা সংঘাতৰ ফলতো পাপ হ'ব পাৰে, আৰু সেয়েহে আমি ইব্ৰী ১২:১ পদত কোৱাৰ দৰে "আমাক লগ ধৰি থকা" পাপৰ মাজত আবদ্ধ নহ'বলৈ যত্ন ল'ব লাগিব। যীচুৱে পৰ্ব্বতত দিয়া উপদেশত, মথি ৫:৯ত তেওঁ কৈছিল, "*মিলনকাৰীবিলাক ধন্য, কিয়নো তেওঁবিলাক ঈশ্বৰৰ সন্তান বুলি প্ৰখ্যাত হ'ব।*" যীচুয়ে আমাক সকলোকে শান্তিস্থাপনকাৰী হ'বলৈ মাতিছে, আৰু যিহেতু সংঘাত হ'বই, গতিকে আমি ইয়াৰ বাবে সাজু হোৱাটো প্ৰয়োজন আৰু ইয়াৰ সৈতে মোকাবিলা কৰাৰ বাবে এটা বাইবেলসন্মত পদ্ধতি থকাটো প্ৰয়োজন। এই অধ্যায়ত আমি সংঘাত নিয়ন্ত্ৰণৰ গুৰুত্ব, ইয়াৰ উৎস আৰু কাৰণ কি, আৰু ইয়াক কেনেকৈ চিনি পাব পাৰি আৰু সমাধান কৰিব পাৰি সেই বিষয়ে আলোচনা কৰিম।

## I. সংঘাতৰ ব্যৱস্থাপনা কৰিবলৈ শিকাটো কিয় ইমান গুৰুত্বপূৰ্ণ?

১. মণ্ডলীত সকলো সময়তে সংঘাত থাকে

- যেতিয়াই আপুনি মানুহৰ লগত লেনদেন কৰে, তেতিয়াই সংঘাত হয়
- চৰম সত্য আছে, কিন্তু বুজাবুজিবোৰ আপেক্ষিক হ'ব পাৰে

২. মণ্ডলীৰ প্ৰায়বোৰ সমস্যাই সংঘাতৰ সৈতে জড়িত

- এইবোৰে এটা মণ্ডলীক ধৰিব পাৰে আৰু বৃদ্ধি ৰোধ কৰিব পাৰে
- সৰু সংঘাত ডাঙৰ সমস্যা হৈ পৰিব পাৰে

৩. সংঘাতে সহজে মণ্ডলীক বিভক্ত বা বিভাজিত কৰিব পাৰে

***"কোনো ঘৰ যদি নিজৰ বিৰুদ্ধে ভিন্ন ভিন্ন হয়, তেন্তে সেই ঘৰো থাকিব নোৱাৰিব।"***
**– মাৰ্ক ৩:২৫**

- বিৰোধী শিবিৰ বা দৃষ্টিভংগী সৃষ্টি কৰি
- আপোনাৰ কৰ্তৃত্বক ক্ষতিগ্ৰস্ত কৰি

৪. সংঘাত ফলপ্ৰসূভাৱে মোকাবিলা কৰাটোৱে মণ্ডলী এটাক আগবাঢ়ি যোৱাত সহায় কৰে

- বৃদ্ধিৰ বাধা আঁতৰায়
- বুজাবুজি আৰু ভৱিষ্যতে সংঘাত সমাধানৰ বাবে এক ৰূপৰেখাৰ সৃষ্টি কৰে

## **II. সংঘাতৰ উৎসবোৰ**

১. সদস্যৰ মাজত

- বেলেগ দৃষ্টিভঙ্গী
- বেলেগ অভিজ্ঞতা
- বেলেগ লক্ষ্য আৰু এজেণ্ডা

২. পালক আৰু সদস্যৰ মাজত

- বেলেগ উদ্দেশ্য
- বেলেগ প্ৰেৰণা
- বেলেগ শৈলী

৩. পৰম্পৰাগত আৰু আধুনিক দৃষ্টিভংগীৰ মাজত

- গঠন বনাম স্বাধীনতা
- আৰাম বনাম প্ৰাসঙ্গিকতা
- স্থিৰতা বনাম নমনীয়তা

৪. প্ৰজন্মৰ মাজত

- এতিয়া বনাম তেতিয়া
- ডেকা বনাম বয়স্ক
- জোৰেৰে বনাম মৃদু

৫. পৰিচৰ্যাৰ মাজত

- সম্পদৰ বাবে প্ৰতিযোগিতা
- মানুহৰ বাবে প্ৰতিযোগিতা
- প্ৰচাৰৰ বাবে প্ৰতিযোগিতা

## **III. সংঘাতৰ কাৰণবোৰ**

সকলো সংঘাতৰ এটা অন্তৰ্নিহিত কাৰণ থাকে আৰু ই ৩ টা উৎসৰ পৰা আহে:

১. চয়তান

- আমাক পাপলৈ প্ৰলোভন দেখুৱাবলৈ সি সকলো সময়তে থাকে

***"সচেতন হোৱা, পৰ দি থাকা। গুজৰি থকা সিংহৰ দৰে তোমালোকৰ শত্ৰু চয়তানে কাক কেনেকৈ গ্ৰাস কৰিব পাৰিব, তাৰ উপায় বিচাৰি ফুৰিছে।" - ১ পিতৰ ৫:৮***

২. আমাৰ পাপ প্ৰকৃতি

- আমি পাপী হিচাবে জন্মিছোঁ। এইটো আমাৰ প্ৰকৃতি

***"কিয়নো মাংসই আত্মাৰ বিৰুদ্ধে, আৰু আত্মাই মাংসৰ বিৰুদ্ধে অভিলাস কৰে; কাৰণ তোমালোকে যি কৰিবলৈ ইচ্ছা কৰা, তাক যাতে তোমালোকে নকৰিবা, তাৰ কাৰণে এই দুয়ো পৰস্পৰ বিৰুদ্ধা-বিৰুদ্ধী।" - গালাতীয়া ৫:১৭***

৩. পাপী জগতখন

- আমাৰ জগতখন কলুষিত আৰু আমাকো কলুষিত কৰিবলৈ চেষ্টা কৰিব

***“কিয়নো জগতত যি সকলো আছে, অৰ্থাৎ মাংসৰ অভিলাষ, চকুৰ অভিলাষ, জীৱন কালৰ গৰ্ব, এইবোৰ পিতৃৰ পৰা উৎপন্ন নহয়, জগতৰ পৰাহে হয়।” - ১ যোহন ২:১৬***

## IV. সংঘাতৰ কাৰণ

১. অস্পষ্ট দৰ্শন অথবা লক্ষ্য, প্ৰাৰ্থনা আৰু ধ্যান আৰু আলোচনাৰ প্ৰক্ৰিয়া এটাৰ পাছত নিৰ্ধাৰিত।

- দল অথবা মানুহৰ বেলেগ দৰ্শন অথবা লক্ষ্য থাকে যাৰ মাজত বিৰোধ হয়
- কোনো কেন্দ্ৰীয় দৰ্শন নাই
  ***“ঐশ্বৰিক দৰ্শনৰ অভাৱত প্ৰজাবিলাক অবাধ্য হয়া.”***
  **- হিতোপদেশ ২৯:১৮**

২. কৌশগত পৰিকল্পনাৰ অভাৱ

- সম্পদ আবণ্টন অথবা প্ৰাথমিকতাৰ কোনো পৰিকল্পনা কৰা হোৱা নাই
- মানুহে সম্পদৰ বাবে প্ৰতিযোগিতা কৰে ব্যক্তিগত প্ৰয়োজনৰ ভিত্তিত, সমাজৰ প্ৰয়োজনৰ বাবে নহয়
- মানুহে সম্পদৰ বাবে প্ৰতিযোগিতা কৰে বৰ্তমানৰ ভিত্তিত, ভৱিষ্যতৰ প্ৰয়োজনৰ বাবে নহয়
- মণ্ডলীৰ সম্পদ সাংগঠনিকভাবে ৰখা হোৱা নাই

৩. পৰ্যাপ্তভাবে শিষ্যত্ব গঢ়া হোৱা নাই

- মানুহক খ্ৰীষ্টীয় নীতিবোৰ শিকোৱা হোৱা নাই
- মণ্ডলীৰ নেতৃত্বই খ্ৰীষ্টীয় মূল্যবোধ প্ৰদৰ্শন কৰা নাই
- সংঘাত সমাধানৰ বাইবেলসন্মত শিক্ষা দিয়া হোৱা নাই

৪. দুৰ্বল যোগাযোগ

- মানুহবোৰ মণ্ডলীৰ আন আন প্ৰয়োজনীয়তাৰ বিষয়ে অজ্ঞাত
- মানুহে ইজনে সিজনৰ লগত নিয়মীয়াকৈ যোগাযোগ নকৰে
- যোগাযোগবোৰ প্ৰতিক্ৰিয়াশীল, আগতীয়া নহয়

৫. সমস্যাৰ সৈতে মোকাবিলা নকৰা বাবে

- অতীতৰ সংঘাত কেতিয়াও সমাধান নহ’ল
- বৰ্তমানৰ সংঘাতক আওকাণ কৰা হয়
- সাম্ভাব্য সংঘাতৰ অনুমান কৰা হোৱা নাই

## IV. সংঘাত চিনি পোৱা

১. স্পষ্ট চিন

- আবেগিক বিষ্ফোৰণ
- লিখিত অভিযোগ
- গুজৱ আৰু উৰাবাতৰি

২. কম স্পষ্ট (সতৰ্কবাণী) চিন

- মণ্ডলীৰ কাম-কাজৰ পৰা আঁতৰি থকা
- প্ৰকল্পৰ কামত পলম বা স্থবিৰতা
- যোগাযোগৰ অভাৱ

## V. সংঘাতৰ সমাধান কৰা

**"কিন্তু তোমাৰ ভায়েৰাই যদি তোমাৰ অহিতে অপৰাধ কৰে, তেন্তে তুমি গৈ, তেওঁ অকলে থাকোঁতে তেওঁক অনুযোগ কৰিবা৷ তেওঁ যদি তোমাৰ কথা শুনে , তেন্তে তোমাৰ ভায়েৰাক পালা৷ কিন্তু যদি নুশুনে, তেন্তে যিহতে দুই তিনিজন সাক্ষীৰ মুখে সকলো কথা নিশ্চয় হয়, সেই নিমিত্তে, আৰু এজন বা দুজনক লগত লৈ যাবা৷ আৰু তেওঁ যদি তেওঁলোককো নামানে, তেন্তে মণ্ডলীৰ আগত জনাবা; মণ্ডলীৰ কথাও যদি নামানে, তেন্তে তেওঁ তোমালৈ পৰজাতি আৰু কৰতোলাৰ নিচিনা হওঁক৷"**

**মথি ১৮: ১৫-১৭**

### ১. <u>যেতিয়া কাৰোবাৰ লগত আপোনাৰ সংঘাত হয়:</u>

***"তুমি নিজৰ চকুত থকা চতিলৈ নাচাই, হে ভাই, তোমাৰ চকুৰ পৰা কুটাডালি উলিয়াবলৈ দিয়া; এনে কথা ভায়েৰাক কেনেকৈ কব পাৰা? হে কপটি, প্ৰথমতে নিজ চকুৰ পৰা চতি উলিয়াই পেলোৱা, তেহে তোমাৰ ভায়েৰাৰ চকুত থকা কুটাডালি উলিয়াবলৈ ভালকৈ দেখিবা৷"*** **লূক ৬:৪২**

১. সংঘাতটোৰ কিমানখিনি আপোনাৰ দোষ চিনাক্ত কৰক
   - নিজৰ লগত সৎ হওক আৰু আপুনি দায়ী হোৱা সংঘাতৰ ক্ষেত্ৰসমূহ চিনাক্ত কৰক। (যেনে কঠোৰ শব্দ, বেয়া ভাষা, গুজৱ, ধৈৰ্য্যহীনতা ইত্যাদি)

২. প্ৰথমে সংঘাতৰ যিটো অংশৰ বাবে আপুনি দায়ী সেইটো স্বীকাৰ কৰক
   - যেতিয়া আপুনি সংঘাতত লিপ্ত হোৱা ব্যক্তিজনৰ কাষ চাপিব, তেতিয়া এই উদ্দেশ্যেৰেই কৰক।

৩. আপোনাৰ অন্যায়ৰ বাবে ক্ষমা বিচাৰক।
   - আপুনি আনৰ পৰা তেওঁলোকৰ লগত কৰা অন্যায়ৰ বাবে ক্ষমা বিচাৰিলে আৰু ক্ষমা লাভ কৰিলে, তেওঁলোকে আপোনাৰ লগত কি কৰিলে সেই বিষয়ে আপুনি তেওঁলোকৰ লগত কথা পাতিব পাৰিব।

৪. যদি ক্ষমা দিয়া হয় তেন্তে আপোনাৰ সংঘাতৰ সমাধান হৈ যায়।

৫. যদি আনজনে আপোনাক ক্ষমা নকৰে, তেন্তে মথি ১৮:১৫-১৭ অনুসৰি ১ জন বা তাতকৈ অধিক মানুহ লওক

### ২. <u>আপোনাক সংঘাত এটাৰ মধ্যস্থতা কৰিবলৈ আহ্বান কৰা হৈছে:</u>

১. সংঘাতটো চিনাক্ত কৰক

- সমস্যাটো চিনাক্ত কৰক, লক্ষণবোৰ নহয়

- সমস্যাটো কি আৰু কিহৰ বাবে কোন দায়ী সেই বিষয়ে জড়িত সকলোৱে একমত হোৱাটো নিশ্চিত কৰক। প্ৰয়োজন হ'লে কৰা পাপবোৰ লিখি থওক যাতে সেইবোৰ এটা এটাকৈ ক্ষমা কৰিব পৰা যায়।

২. অংশদাৰীসকলক চিনাক্ত কৰক

- প্ৰকৃততে কোন জড়িত সেইটো চিনাক্ত কৰক
- তেওঁলোক কেনেকৈ জড়িত (তেওঁলোকৰ পাপ কি?) চিনাক্ত কৰক।
- তেওঁলোক কিয় জড়িত সেইটো নিৰ্ণয় কৰক

৩. ইয়াক বাইবেলসন্মতভাৱে সমাধান কৰক

- আপুনি কৰা সকলো কামত ঈশ্বৰক গৌৰৱান্বিত কৰক!
- প্ৰতিটো পক্ষকে নিজৰ দোষ মানিবলৈ আৰু স্বীকাৰ কৰিবলৈ কওক (লূক ৬:৪২)
- প্ৰতিটো পক্ষই ক্ষমা বিচাৰক
- যদি ক্ষমা দিয়া হয় তেন্তে সংঘাতৰ সমাধান হয়
- যদি ক্ষমা দিয়া নহয়, তেন্তে সাক্ষীৰ সৈতে আগবাঢ়ক (মথি ১৮:১৫-১৭)

৪. শান্তিপূৰ্ণভাৱে সমাধান কৰক

- সংঘাতে সুযোগ প্ৰদান কৰে
- সংঘাত সমাধানৰ প্ৰয়াসত কোনো পাপ নকৰিব
- অনুমান কৰি কথাবোৰ আৰু বেয়া নকৰিব। তথ্যবোৰ সংগ্ৰহ কৰক।
- আটাইতকৈ ডাঙৰ আজ্ঞাবোৰ মনত ৰাখিব
  - ঈশ্বৰক প্ৰেম কৰক
    ***"তাতে যীচুৱে তেওঁক ক'লে, তুমি সকলো হৃদয়, সকলো প্ৰাণ, আৰু সকলো চিত্তেৰে তোমাৰ প্ৰভু পৰমেশ্বৰক প্ৰেম কৰা।"*** - মথি ২২:৩৭

  - পৰস্পৰক প্ৰেম কৰক
    ***"আৰু তাৰে নিচিনা দ্বিতীয়টো এই, তোমাৰ চুবুৰীয়াক তোমাৰ নিচিনাকৈ প্ৰেম কৰা।"***
    **- মথি ২২:৩৯**

## VI. সংঘাত অতিক্ৰম কৰি যোৱা

১. আমি আমাৰ নিজৰ কাৰ্যৰ বাবেহে দায়বদ্ধ

- জ্ঞানীৰ দৰে জীয়াই থাকক

  ***"এতেকে কিদৰে চলা, তালৈ সাৱধানে চাবা; অজ্ঞানৰ দৰে নহয়, কিন্তু জ্ঞানীৰ দৰে চলিবা..."***
  – **ইফিচীয়া ৫:১৫**

- একমাত্ৰ ঈশ্বৰেহে অন্তৰ সলনি কৰিব পাৰে

  ***"তেতিয়া যিহোৱাৰ আত্মা তোমাত স্থিতি হ'ব; তাতে তুমিও তেওঁবিলাকৰ লগত ভাববাণী প্ৰচাৰ কৰিবা, আৰু তুমি আন পুকাৰ মানুহ হৈ উঠিবা।"***
  **- ১ চমূৱেল ১০:৬**

২. ক্ষমাই শক্তি

- সংঘাতৰ কথা অতীতলৈ ঠেলি দিয়ক
- যীচুৰ কথা অনুসৰি, "যোৱা আৰু পাপ নকৰিবা"

***"তাতে যীচুৱে ক'লে,ময়ো দোষী নকৰোঁ; যোৱা, এতিয়াৰ পৰা আৰু পাপ নকৰিবা নকৰিবা."*** **– যোহন ৮:১১**

৩. এজন মিলনকাৰী হওঁক

***“মিলনকাৰীবিলাক ধন্য, কিয়নো তেওঁলোক ঈশ্বৰৰ সন্তান বুলি প্ৰখ্যাত হ’ব৷”***

– **মথি ৫:৯**

## VII. সংঘাত সদায় বেয়া নহয়

১. পাপ নোহোৱাকৈ সংঘাত হোৱাটো সম্ভৱ৷
(অৰ্থাৎ একেটা সমস্যা কেনেকৈ সমাধান কৰিব পাৰি সেই সম্পৰ্কে দুটা মতামত, দুয়োটাই একেলগে কাম কৰি উমৈহতীয়া মংগলৰ বাবে সৰ্বোত্তম ফলাফল লাভ কৰে৷)

২. সংঘাতে সমাধান কৰিবলগীয়া কিবা এটা চিনাক্ত কৰি দিব পাৰে৷
(অৰ্থাৎ এটা প্ৰক্ৰিয়া যিটোক আৰু সূক্ষ্মভাৱে মসৃণ কৰা প্ৰয়োজন বা প্ৰক্ৰিয়া যিটোক অধিক স্পষ্ট সংজ্ঞা দিয়াৰ প্ৰয়োজন৷)

# <u>সংঘাট চম্ভালাৰ অনুশীলন</u>

| মণ্ডলীৰ সংঘাটৰ উদাহৰণ | সাম্ভাব্য সমাধানসমূহ |
|---|---|
| ১. *আপোনাৰ যুৱ পৰিচৰ্যাৰ নেতৃত্ব সমলবোৰ আৰু তেওঁলোকক দিয়া ঠাইখিনিক লৈ সুখী নহয় আৰু তেওঁলোকক অধিক লাগে বুলি কয়।* | |
| ২. *মণ্ডলীৰ বাবে এটা নতুন নিৰ্দেশনাক লৈ আপোনাৰ বৰ্ড অফ এল্ডাৰচ আৰু পালকৰ মাজত এটা মতভেদত হৈছে।* | |
| ৩. *আপোনাৰ মণ্ডলীৰ কিছুমান পুৰণি সদস্যই আপুনি উপাসনাৰ বাবে নতুন সঙ্গীত ব্যৱহাৰ কৰাৰ বিষয়ে অভিযোগ কৰিবলৈ আৰম্ভ কৰিছে আৰু অধিক "পুৰণি" গান ব্যৱহাৰ কৰাটো বিচাৰে।* | |
| ৪. *আপোনাৰ মণ্ডলীৰ দুটা পৰিয়ালে এডোখৰ ভূমিক লৈ এক তিক্ত আইনী বিবাদত লিপ্ত হৈ আছে আৰু আপুনি সদস্যসকলক পক্ষ ল'বলৈ আৰম্ভ কৰা দেখিছে।* | |
| ৫. *আপোনাৰ উপাসনাৰ নেতাজনৰ অনৈতিক যৌন সম্পৰ্ক থকাৰ বিষয়ে উৰাবাতৰি বিয়পি আছে।* | |

**অধ্যায় ৮**

# শিষ্য তৈয়াৰ কৰা

***"এই হেতুকে তোমালোক যোৱা; আৰু সকলো জাতিকে শিষ্য কৰি, পিতৃ, পুত্ৰ, আৰু পৱিত্ৰ আত্মাৰ নামেৰে তেওঁবিলাকক বাপ্তাইজ কৰা।"***
**মথি ২৮:১৯**

পৃথিৱীৰ মণ্ডলী সৃষ্টি কৰা হৈছিল যীচু খ্ৰীষ্ট ব্যক্তিগৰাকীৰ জৰিয়তে মানুহক ঈশ্বৰৰ সৈতে সম্পৰ্কলৈ আকৰ্ষণ কৰিবলৈ। "কিয়নো জগতৰ সোধ বিচাৰ কৰিবলৈ নহয়, কিন্তু জগতে তেওঁৰ দ্বাৰাই পৰিত্ৰাণ পাবলৈহে ঈশ্বৰে পুত্ৰকে জগতলৈ পঠালে।" (যোহন ৩:১৭) মণ্ডলীৰ নেতা হিচাপে আমাৰ মূল অগ্ৰাধিকাৰ মণ্ডলী পৰিচালনা কৰাটো নহয়, বৰং আনক খ্ৰীষ্টৰ ওচৰলৈ লৈ যোৱাটোহে। আমি সেইটোকে শিষ্যত্ব বুলি কওঁ। আমি প্ৰচাৰ কৰোঁ, শিক্ষা দিওঁ, শুভবাৰ্তা প্ৰচাৰ কৰোঁ বা উপাসনা কৰোঁ, আমাৰ উদ্দেশ্য হ'ব লাগে আনত "খ্ৰীষ্টৰ আকাৰ উৎপন্ন" কৰাটোহে (গলাতীয়া ৪:১৯)। এই অধ্যায়ত আমি শিষ্যত্ব, ইয়াৰ উদ্দেশ্য, নীতি আৰু প্ৰক্ৰিয়া, আৰু অনবৰতে চলি থাকিবলগা মূল্যায়নৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰিম।

**শিক্ষা দিয়া আৰু শিষ্যত্বৰ মাজত পাৰ্থক্য কি?**

- শিক্ষা দিয়া মানে হৈছে জ্ঞান অথবা তথ্য আনক জনোৱা। ই **জনাৰ** সৈতে জড়িত।
- শিষ্যত্ব হৈছে সেই জ্ঞান অথবা তথ্য প্ৰয়োগ কৰা। ই **কৰাৰ** সৈতে জড়িত।

## I. শিষ্য তৈয়াৰ কৰাৰ উদ্দেশ্য

১. আনত খ্ৰীষ্টই গঢ় লৈ উঠা দেখা পাবলৈ
***"হে মোৰ বোপাহঁত, যেতিয়ালৈকে তোমালোকত খ্ৰীষ্টৰ আকাৰ উৎপন্ন নহয়, তেতিয়ালৈকে মই তোমালোকৰ নিমিত্তে প্ৰসৱ বেদনা ভোগ কৰিছোঁ।"*** – **গালাতীয়া ৪:১৯**

- মণ্ডলীৰ **এইটোৱেই** লক্ষ্য
- যেতিয়া এজন হেৰোৱা সন্তান বিচাৰি পোৱা যায় তেতিয়া গোটেই স্বৰ্গই আনন্দ কৰে!
***"সেইদৰে মই তোমালোকক কওঁ, মন পালটোৱা এজন পাপীৰ অৰ্থে, ঈশ্বৰৰ দূতবিলাকৰ সাক্ষাতে আনন্দ হয়."*** - **লূক ১৫:১০**

২. আনৰ আত্মিক বৰবোৰ বিকশিত কৰিবলৈ
***"কিন্তু হিতৰ কাৰণে প্ৰতিজনকে আত্মা-প্ৰকাশক গুণ দিয়া হৈছে।"*** - **১ কৰিন্থীয়া ১২:৭**

- আপোনাৰ সভ্য/সভ্যাসকলৰ মাজত ইতিমধ্যেই থকা বৰবোৰ প্ৰকাশ পোৱাই দিবলৈ
- আপোনাৰ সভ্য/সভ্যাসকলৰ মাজত ইতিমধ্যেই থকা বৰবোৰ ব্যৱহাৰ কৰিবলৈ

৩. আনক পৰিচৰ্যাৰ বাবে প্ৰশিক্ষণ দিবলৈ আৰু সজ্জিত কৰিবলৈ

***“গোটেই শাস্ত্ৰ ঈশ্বৰ-নিশ্বাসিত, আৰু যাতে ঈশ্বৰৰ মানুহ সিদ্ধ আৰু সৎকৰ্মৰ নিমিত্তে সু-সজ্জিত হ’ব পাৰে, তাৰ কাৰণে, শিক্ষাৰ, অনুযোগৰ, পতিত-উত্থাপনৰ, আৰু ধাৰ্মিকতা-সম্বন্ধীয় শাসনৰ অৰ্থে লাভজনক।”*- ২ তীমথিয় ৩:১৬-১৭**

- মণ্ডলীৰ সভ্য/সভ্যাৰ পৰিচৰ্যা কৰিবলৈ
- মণ্ডলীৰ বাহিৰত পৰিচৰ্যা কৰিবলৈ

৪. মণ্ডলীৰ বৃদ্ধি সৃষ্টি কৰিবলৈ

- শিষ্যসকলে আন শিষ্য তৈয়াৰ কৰে

  ***“এই হেতুকে তোমালোক যোৱা; আৰু সকলো জাতিকে শিষ্য কৰি, …”*- মথি ২৮:১৯**
- আপোনাৰ পৰিচৰ্যা অধিক লোকলৈ প্ৰসাৰিত কৰিবৰ বাবে

৫. আন নেতসকলক গঢ়ি তুলিবৰ বাবে এইটো প্ৰাৰম্ভিক প্ৰয়োজনীয়তা

- সম্ভাৱনীয়তা থকা নেতাসকলক প্ৰথমতে শিষ্য হিচাবে গঢ়িব লাগিব
- দৃঢ় বিশ্বাস নেতাসকলৰ বাবে এটা গুৰুত্বপূৰ্ণ মাপকাঠি

## III. শিষ্যত্বৰ নীতি

১. শিষ্যত্ব কেতিয়াও শেষ নহয়

***“এতেকে আহাঁ, আমি খ্ৰীষ্টৰ বিষয়ৰ আদিকথা পাছ পেলাই.. সিদ্ধিৰ অৰ্থে আগ বাঢ়ি যাবলৈ যত্ন কৰোঁহক।”* – ইব্ৰী ৬:১**

- কোনো স্নাতক নহয় (শিক্ষা শেষ নহয়)
- যাত্ৰাটোও লক্ষ্যস্থানৰ সমানেই গুৰুত্বপূৰ্ণ

২. ই মণ্ডলীৰ #১ প্ৰাথমিকতা

***“এই হেতুকে তোমালোক যোৱা; আৰু সকলো জাতিকে শিষ্য কৰি,”*** – মথি ২৮:১৯

- এই উদ্দেশ্যেৰেই মণ্ডলী সৃষ্টি কৰা হৈছিল
- ইয়াৰ পৰা মণ্ডলীৰ সকলো দিশ লাভবান হয়
  - মানুহবোৰক শিষ্যৰূপে গঢ়িলে তেওঁলোকে অধিক সেৱা কৰিব
  - মানুহবোৰক শিষ্যৰূপে গঢ়িলে তেওঁলোকে পৰিচৰ্যাত অধিককৈ জড়িত হ’ব
  - মানুহবোৰক শিষ্যৰূপে গঢ়িলে তেওঁলোকে মণ্ডলীলৈ অধিককৈ দিব

৩. শিষ্যত্বৰ বাবে সময় লাগে

- ই ৰাতিৰ ভিতৰতে বা অতি সোনকালে নহয়
- আপুনি পাহাৰ এখন কেনেকৈ বগায়?- এবাৰত এটাকৈ খোজ দি।

৪. শিষ্যত্বৰ বাবে প্ৰচেষ্টা লাগে

- মানুহক সহায়ৰ প্ৰয়োজন
- মানুহক উদগণিৰ প্ৰয়োজন
- মানুহক দায়বদ্ধতাৰ প্ৰয়োজন

৫. শিষ্যত্বৰ বাবে মানুহৰ প্ৰয়োজন

- আপোনাৰ সব্যসকলক শিষ্যৰূপে গঢ়াত সহায় কৰিবলৈ আনকো লগত লওঁক
- সাক্ষ্য বৰ প্ৰভাৱশালী আঁহিলা
- একেলগে খোজকাঢ়িবলৈ প্ৰতিজন খ্ৰীষ্টীয়ানকে একোগৰাকী ভাই বা ভনীৰ প্ৰয়োজন
  ***"কাৰণ তেওঁবিলাক পৰিলে, এজনে নিজৰ সঙ্গীক তুলিব পাৰে৷ কিন্তু যিজন অকলশৰীয়া, সি পৰিলে তাৰ সন্তাপ হ'ব; কিয়নো তাক তুলিবলৈ দ্বিতীয় নাই!"* – উপদেশক ৪:১০**

৬. শিষ্যত্বৰ বাবে হাবিয়াসৰ প্ৰয়োজন

- আপুনি আনত ***"খ্ৰীষ্টৰ আকাৰ উৎপন্ন"*** হোৱা দেখিবলৈ বিচাৰিব লাগিব - **গালাতীয়া ৪:১৯**
- আমি সকলোৱে আমাৰ বিশ্বাসত বৃদ্ধি পাবলৈ হাবিয়াস কৰিব লাগিব
  ***"ঈশ্বৰৰ ওচৰ চাপি আহাঁ; তাতে তেৱোঁ তোমালোকৰ ওচৰলৈ চাপিব৷"* – যাকোব ৪:৮**

## IV. শিষ্যত্বৰ প্ৰক্ৰিয়া

ক. শিষ্যত্বৰ চিনবোৰ কি?

**১.** <u>বিশ্বাস</u>

"আমি দেখাৰ দ্বাৰাই নচলি, বিশ্বাসৰ দ্বাৰাই চলিছোঁ৷" **-** ২ কৰিন্থীয়া ৫:৭

- শিষ্যজন বিশ্বাসেৰে আগবাঢ়ে
- শিষ্যই ঈশ্বৰত ভৰসা ৰাখে
- সমস্যাৰ সময়ত শিষ্যই বিশ্বাসত খামুচি ধৰি থাকে

**২. <u>উপাসনা</u>**

***"তাতে যীচুৱে তেওঁক ক'লে, তুমি সকলো হৃদয়, সকলো প্ৰাণ, আৰু সকলো চিত্তেৰে তোমাৰ প্ৰভু পৰমেশ্বৰক প্ৰেম কৰা৷*** " - মথি ২২:৩৭

- শিষ্যই ঈশ্বৰক সাৰ্বভৌম বুলি স্বীকাৰ কৰে
- শিষ্যই সদায় ঈশ্বৰকে গৌৰৱ দিয়ে!
- শিষ্যই নিয়মিতভাৱে উপাসনাত যোগ দিয়ে

**৩. <u>বাইবেল অধ্যয়ন</u>**

***"গোটেই শাস্ত্ৰ ঈশ্বৰ-নিশ্বাসিত, আৰু যাতে ঈশ্বৰৰ মানুহ সিদ্ধ আৰু সৎকৰ্মৰ নিমিত্তে সু-সজ্জিত হ'ব পাৰে, তাৰ কাৰণে, শিক্ষাৰ, অনুযোগৰ, পতিত-উত্থাপনৰ, আৰু ধাৰ্মিকতা-সম্বন্ধীয় শাসনৰ অৰ্থে লাভজনক৷"***

**- ২ তীমথিয় ৩:১৬-১৭**

- এজন শিষ্যই সদায় ঈশ্বৰৰ পথবোৰ শিকি থাকে
- শিষ্য এজনে ঈশ্বৰৰ প্ৰজ্ঞালৈ হাবিয়াস কৰে
- শিষ্য এজনে ঈশ্বৰৰ বাক্যতেই উত্তৰ বিচাৰে

৪. <u>**প্ৰাৰ্থনা**</u>

***“নিৰন্তৰে প্ৰাৰ্থনা কৰি থাকা।”*** **- ১ থিচলনীকীয়া ৫:১৭**

- শিষ্য এজনে সদায় ঈশ্বৰৰ সৈতে কথা পাতে
- শিষ্য এজনে আত্মাত জীৱন কটায়
- শিষ্যজনে তেওঁৰ জীৱনৰ বাবে ঈশ্বৰৰ ইচ্ছা কি আৱিষ্কাৰ কৰে

৫. <u>**সেৱা**</u>

***“এতেকে হে মোৰ প্ৰিয় ভাইবিলাক, প্ৰভুত তোমালোকৰ পৰিশ্ৰম যে ব্যৰ্থ নহয়, ইয়াকে জানি, তোমালোক থিৰ আৰু অলৰ হৈ, প্ৰভুৰ কাৰ্যত সদায় উপচি পৰা।”***
**- ১ কৰিন্থীয়া ১৫:৫৮**

- শিষ্য এজনে খ্ৰীষ্টৰ শৰীৰৰ সেৱা কৰে
- শিষ্য এজনে প্ৰথমতে আন মানুহৰ সেৱা কৰে
- শিষ্য এজনে যীচুৰ আদৰ্শ অনুসৰণ কৰে

৬. <u>**মিছন & সাক্ষ্য**</u>

***“কিন্তু যেতিয়া তোমালোকৰ ওপৰলৈ পৱিত্ৰ আত্মা আহিব, তেতিয়া তোমালোকে শক্তি পাবা। আৰু যিৰুচালেম আদি কৰি গোটেই যিহূদিয়া আৰু চমৰিয়া দেশত, আৰু পৃথিৱীৰ সীমালৈকে তোমালোক মোৰ সাক্ষী হ’বা।”*** **– পাঁচনিৰ কৰ্ম ১:৮**

- শিষ্য এজনে ঈশ্বৰে কৰা কাৰ্যৰ বিষয়ে আনৰ আগত কয়
- ঈশ্বৰে য’লৈকে চলায় শিষ্যজন ত’লৈকে যায়
- এজন শিষ্যই আন শিষ্য তৈয়াৰ কৰে

খ. শিষ্যত্বৰ পৰিকল্পনা প্ৰস্তুতিকৰণ

১. শিষ্যত্বৰ বাবে কিছুমান লক্ষ্যৰ ঠিক কৰি লওঁক
২. সম্ভাৱ্য নেতা আৰু শিক্ষক চিনাক্ত কৰক
৩. ইচ্ছাকৃতভাৱে কাম কৰক আৰু সক্ৰিয় হওক
৪. শিষ্যত্বৰ বাবে এটা কৌশল প্ৰস্তুত কৰক, যেনে তলত দিয়া ধৰণৰ:

খোজ ১: <u>**উপাসনালৈ**</u> আমন্ত্ৰণ

- এই সকলোবোৰ আৰম্ভ হয় উপাসনালৈ আহিবলৈ নিমন্ত্ৰণৰ কৰাৰ পৰা
- তেওঁলোকক পৱিত্ৰ আত্মাৰ উপস্থিতি অনুভৱ কৰিবলৈ দিয়ক
- পৱিত্ৰ আত্মাই যাতে তেওঁলোকক বিশেষভাৱে স্পৰ্শ কৰে তাৰ বাবে প্ৰাৰ্থনা কৰক
- তেওঁলোকক স্পৰ্শ কৰিলে, খ্ৰীষ্টক গ্ৰহণ কৰিবলৈ তেওঁলোকক উৎসাহিত কৰক
- তেওঁলোকৰ বিশ্বাসৰ বিষয়ে ৰাজহূৱাকৈ সাক্ষ্য দিবলৈ তেওঁলোকক উদগাওঁক

খোজ ২: তেওঁলোকক এটা **<u>বাইবেল অধ্যয়ন</u>** অনুষ্ঠানত সংযুক্ত কৰি দিয়ক

- তেওঁলোকক এটা আনুষ্ঠানিক বাইবেল অধ্যয়নৰ অন্তৰ্ভুক্ত কৰক
    - খ্ৰীষ্টীয় বিশ্বাসৰ মৌলিক কথাবোৰ শিকাওঁক
    - বিশ্বাসেৰে জীয়াই থকাৰ কথা শিকাওঁক
    - এটা বাইবেলসন্মত বিশ্ব-দৰ্শন শিকাওঁক
- ব্যক্তিগত দৈনিক বাইবেল পঢ়াত উৎসাহিত কৰক

খোজ ৩: এটা **<u>প্ৰাৰ্থনাৰ</u>** জীৱনৰ বাবে উৎসাহিত কৰক

- প্ৰাৰ্থনাৰ প্ৰশিক্ষণ প্ৰদান কৰক
- তেওঁলোকক প্ৰাৰ্থনাৰ পৰিচৰ্যাত জড়িত কৰক

খোজ ৪: তেওঁলোকক **<u>সেৱাত</u>** জড়িত কৰক

- তেওঁলোকে তেওঁলোকৰ মণ্ডলীত সেৱা কৰিব লাগে
    - মণ্ডলীৰ এজন সভ্য হিচাবে তেওঁলোকে ইয়াক সমৰ্থন কৰাটো প্ৰয়োজন
    - খ্ৰীষ্টৰ শৰীৰৰ এজন সদস্য হিচাবে ই বাধ্যতামূলক
- তেওঁলোকৰ সামৰ্থ অনুসাৰে তেওঁলোকক সেৱা কৰিবলৈ দিয়ক
    - তেওঁলোকৰ আত্মিক বৰ(বোৰ)ৰ ওপৰত নিৰ্ভৰ কৰি
    - তেওঁলোকৰ আন প্ৰতিভা আৰু দক্ষতাৰ ভিত্তিত

খোজ ৫: সদস্যসকলক **<u>পৰিচৰ্যাৰ</u>** প্ৰতি আগুৱাই নিয়ক

- মিছনৰ সুযোগ আগবঢ়াওঁক
    - স্থানীয়
    - ৰাষ্ট্ৰীয়
    - আন্তৰাষ্ট্ৰীয়
- শুভবাৰ্তা প্ৰচাৰমূলক প্ৰশিক্ষণৰ ব্যৱস্থা কৰক
    - এটা সাক্ষ্য প্ৰস্তুত কৰা
    - তেওঁলোকে সাক্ষ্য দিবৰ বাবে তেওঁলোকৰ বাবে মানুহৰ তালিকা এখন প্ৰস্তুত কৰা
- তেওঁলোকক মণ্ডলী আৰু পৰিচৰ্যা নেতৃত্বৰ বাবে প্ৰশিক্ষণ দিয়া

খোজ ৬: সদস্যসকলক শিষ্য হোৱাৰ পৰা **<u>আনক শিষ্যৰূপে গঢ়া</u>** ৰ পিনে আগুৱাই নিয়ক

- আনক বৃদ্ধি পোৱাত সহায় কৰিবলৈ তেওঁলোকক উদগাওঁক
- আনক প্ৰশিক্ষণ দিবলৈ তেওঁলোকক প্ৰশিক্ষণ দিয়ক

**গ. চলি থকা মূল্যায়ন**

- আপোনাৰ শিষ্যত্বৰ প্ৰগতিৰ বাৰ্ষিক মূল্যায়ন কৰক & এই প্ৰশ্নবোৰ সোধক:
    ১. শিষ্যত্বৰ প্ৰক্ৰিয়াটোত কিমানজন সদস্য সক্ৰিয়ভাবে জড়িত?
    ২. আমি কোনবোৰত সফল হৈছো?
    ৩. আমাৰ সদস্যসকল ব্যক্তিগতভাবে বিশ্বাসত বৃদ্ধি পাই আছেনে?
    ৪. ই মণ্ডলীৰ বাবে ফল ধৰিছেনে? ব্যক্তিজনৰ বাবে?
    ৫. আমাৰ মণ্ডলীত প্ৰভাৱ কি? আমাৰ সমাজখনত?

- প্ৰয়োজন অনুসৰি সালসলনি কৰক
    - সফল শ্ৰেণী অথবা পাঠ্যক্ৰমবোৰত অংশ গ্ৰহণত উদগণি দিয়ক
    - আনক উৎসাহিত কৰিবলৈ সাক্ষ্য ব্যৱহাৰ কৰক

# <u>শিষ্য তৈয়াৰ কৰা অনুশীলন</u>

**পৰামৰ্শ:** মণ্ডলীৰ শিষ্যত্ব কাৰ্যসূচীত প্ৰশিক্ষণৰ প্ৰতিটো স্তৰত কি কি বিষয় অন্তৰ্ভুক্ত কৰিব লাগে সেই বিষয়ে আপোনাৰ ধাৰণা বা পৰামৰ্শৰ সৈতে তলৰ তালিকাখন সম্পূৰ্ণ কৰক:

- **নতুন বিশ্বাসী:** পৰ্যায় ১ (বিশ্বাস *প্ৰাৰম্ভিক*)

| | | |
|---|---|---|
| ১. ঈশ্বৰ কোন? | ৫. | ৯. |
| ২. বাপ্তিস্ম | ৬. | ১০. |
| ৩. প্ৰভুভোজ | ৭. | ১১. |
| ৪. বাইবেলৰ ৰূপৰেখা (পুৰণি নিয়ম & নতুন নিয়ম) | ৮. | ১২. |

- **মৌলিক বিশ্বাসী:** পৰ্যায় ২ (বিশ্বাস *ভেটিসমূহ*)

| | | |
|---|---|---|
| ১. সৃষ্টি- আদিপুস্তক | ৫. | ৯. |
| ২. আত্মিক বৰসমূহ | ৬. | ১০. |
| ৩. খ্ৰীষ্টীয় জীৱন- নতুন নিয়ম | ৭. | ১১. |
| ৪. ত্ৰিত্ব ঈশ্বৰ | ৮. | ১২. |

- **সুস্থিৰ বিশ্বাসী:** পৰ্যায় ৩ (বিশ্বাস *বৃদ্ধি*)


| | | |
|---|---|---|
| ১. পুৰণি নিয়মৰ ইতিহাস | ৫. | ৯. |
| ২. চয়তান & মন্দতা | ৬. | ১০. |
| ৩. বিশ্বাস – ইব্ৰী | ৭. | ১১. |
| ৪. আত্মিক বৃদ্ধি | ৮. | ১২. |

- **শক্তিশালী বিশ্বাসী:** পৰ্যায় ৪ (বিশ্বাস *কাৰ্যত প্ৰকাশ*)

| | | |
|---|---|---|
| ১. বাক্য শিকোৱা | ৫. | ৯. |
| ২. পৰিচৰ্যা নেতৃত্ব | ৬. | ১০. |
| ৩. মিছন | ৭. | ১১. |
| ৪. শেষ কাল – প্ৰকাশিত বাক্য | ৮. | ১২. |

# ভাগ ৩

# <u>সম্পদ ব্যবস্থাপনা</u>



**অধ্যায় ৯**

# কৌশলগত পৰিকল্পনা

***“কিয়নো গড়-কাৰেং বান্ধিবলৈ মন কৰিলে, প্ৰথমতে বহি, তাৰ কিমান খৰছ, আৰু তাক এটাঁবলৈ সমৰ্থ আছে নে নাই, ইয়াক গণনা নকৰা তোমালোকৰ মাজত কোন আছে? তেওঁ ভেঁটি তুলি যদি এটাঁব নোৱাৰে, তেন্তে কিজানি চোৱা, মানুহবিলাকে তেওঁক বিদ্রূপ কৰিবলৈ ধৰি ক’ব।”***

**লূক ১৪:২৮-২৯**

মণ্ডলীৰ নেতৃত্বত পৰিকল্পনা এটা জৰুৰী উপাদান৷ লেখক আৰু দা ক্ৰিষ্টেল কেথেড্ৰেলৰ পালক ৰবাৰ্ট স্কুলাৰে কয়, “যিসকলে পৰিকল্পনা কৰাত বিফল হয় তেওঁলোকে বিফল হোৱাৰ পৰিকল্পনা কৰে৷ ”” এটা সুনিৰ্দিষ্ট পৰিকল্পনা থকাটোৱে মণ্ডলী এটাক নিজৰ সম্পদসমূহ সংগঠিত কৰাত সহায় কৰে আৰু সেইবোৰক এনেদৰে প্ৰয়োগ কৰাত সহায় কৰে যাতে তেওঁলোকৰ দৰ্শনত সৰ্বোত্তমভাৱে উপনীত হ’ব পাৰে৷ পৰিকল্পনা অবিহনে মণ্ডলীসমূহে সীমিত সম্পদ আৰু মূল্যৱান সময় নষ্ট কৰে, আৰু ঈশ্বৰে তেওঁলোকক যি কৰিবলৈ আহ্বান জনাইছে, সেই কাম পূৰ্ণ কৰাৰ পৰা  অনিবাৰ্যভাৱে দূৰত থাকে৷ পৰিকল্পনা থকাটোৱে মণ্ডলী এটাক নিৰ্দিষ্ট কাৰ্য্যপন্থাৰ মাজত সীমাবদ্ধ নকৰে, বৰং মণ্ডলীটোৱে সৰ্বোচ্চ ফলপ্ৰসূতাৰ বাবে নিজৰ সম্পদখিনিক কৌশলগতভাৱে নিয়োগ কৰিবৰ বাবে এটা ভেটিহে স্থাপন কৰে৷ এই অধ্যায়ত আমি কৌশলগত পৰিকল্পনাৰ উপাদানসমূহৰ বিষয়ে আৰু আপোনাৰ মণ্ডলীৰ বাবে পৰিকল্পনা এটা কেনেকৈ প্ৰস্তুত কৰিব পাৰি আলোচনা কৰিম।

## I. কৌশলগত পৰিকল্পনা কি?

- কৌশলগত পৰিকল্পনা হৈছে এটা দৰ্শনত উপনীত হ’বলৈ কাৰ্য্যকলাপ আৰু লক্ষ্যসমূহ সংগঠিত কৰাৰ কলা
- • এটা কৌশলগত পৰিকল্পনাই আপোনাক কয় আপুনি কি সম্পদ ব্যৱহাৰ কৰিব, কেতিয়া ব্যৱহাৰ কৰিব, আৰু আপুনি সেইবোৰ কেনেকৈ প্ৰয়োগ কৰিব

## II. মণ্ডলী এটাক কৌশলগত পৰিকল্পনা কিয় লাগে?

- ভৱিষ্যতৰ বাবে এটা পথ নিৰ্ধাৰণ কৰা
  - ভৱিষ্যতৰ বৃদ্ধি আৰু উন্নয়নৰ বাবে ভেটি গঢ়ি তোলা

    ***“আৰু মই যি কওঁ তাক পালন নকৰি, মোক কিয় প্ৰভু প্ৰভু বুলি মাতা? যি কোনোৱে মোৰ ওচৰলৈ আহি মোৰ বাক্য শুনি পালন কৰে, তেওঁ কাৰ নিচিনা হয় তাক মই তোমালোকক জনাওঁ৷ যি মানুহে ঘৰ সাজোঁতে দকৈ খানি খানি, তাৰ মূল শিলৰ ওপৰত স্থাপন কৰিলে, এনে জনৰ নিচিনা তেওঁ; পাছে যেতিয়া ঢল আহিল, তেতিয়া সেই ঘৰত বেগেৰে সোঁত লাগিলহি, কিন্তু তাক লৰাব নোৱাৰিলে, কিয়নো তাক ভালকৈ সজা হৈছিল৷ কিন্তু যিকোনোৱে শুনি পালন নকৰে, তেওঁ মূল নোহোৱাকৈ মাটিৰ ওপৰত ঘৰ সজা মানুহৰ নিচিনা হয়; পাছে সেই ঘৰত বেগেৰে সোঁত লাগিলতেই, সি পৰিল; আৰু সেই ঘৰৰ ঘোৰতৰ পতন হল৷”***

    **– লূক ৬:৪৬-৪৯**

  - মণ্ডলীৰ বহুতো কাৰ্য্যকলাপ আৰু পৰিচৰ্যাক পৰিচালনা আৰু পথ প্ৰদৰ্শন কৰাৰ বাবে

- বিক্ষিপ্ততাৰ পৰা হাত সাৰিবলৈ
  - দৰ্শন আৰু মিছনৰ ওপৰত দৃষ্টি কেন্দ্ৰীভূত কৰি ৰখাত সহায় কৰিবৰ বাবে

    ***"এতেকে ইমান মেঘৰূপ সাক্ষীয়ে আমাক বেৰি থকা দেখি, আহাঁ, আমিও আটাই বাধা আৰু আমাক লগ ধৰি থকা পাপ দূৰ কৰি, আমাৰ আগত থকা দৌৰৰ পথত ধৈৰ্য্যেৰে দৌৰোহঁক।"***
    – **ইব্ৰী ১২:১**

  - পথৰ পৰা আঁতৰি যোৱা ৰোধ কৰিবলৈ

- সম্পদসমূহ ফলপ্ৰসূ আৰু কাৰ্যক্ষমভাৱে ব্যৱহাৰ কৰিবলৈ
  - সম্পদ দক্ষভাবে প্ৰয়োগ কৰাত সামৰ্থবান কৰিবলৈ
  - হাতত থকা সম্পদৰ পৰা উৎপাদন সৰ্বাধিক কৰিবলৈ

- ভৱিষ্যতৰ সংঘাত ৰোধ কৰিবলৈ
  - উপলব্ধ সম্পদৰ বিষয়ে সংঘাত এৰাই চলক
  - বিৰোধ থকা লক্ষ্য এৰাই চলক

## III. কৌশলগত পৰিকল্পনাত কি কি জড়িত থাকে?

এটা কৌশলগত পৰিকল্পনাত ৭ টা উপাদান থাকে৷ সেইবোৰ হৈছে:

**১. দৰ্শন বিবৃতি**

- আপুনি অৰ্জন কৰিবলৈ প্ৰচেষ্টা চলোৱা আশাকৰা ফলশ্ৰুতি বৰ্ণনা কৰক
- আপোনাৰ চূড়ান্ত ***লক্ষ্য***টো কি?

**২. প্ৰয়োজনৰ বিবৃতি**

- দৰ্শন সম্পন্ন কৰিবলৈ কি প্ৰয়োজন সেইটো সংজ্ঞায়িত কৰক
- আপুনি কি লাগে তাত দৃষ্টি ৰাখক, সেইবোৰ কেনেকৈ লাভ কৰিব পাৰি তাত নহয়

**৩. কাৰ্য পৰিকল্পনা**

- প্ৰতিটো প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত আপুনি কি কি কাৰ্য্যকলাপ ৰূপায়ণ কৰিবলৈ ওলাইছে চিনাক্ত কৰক
  - প্ৰতিটো প্ৰয়োজনীয়তা **কেনেকৈ** পূৰণ হ'ব সেইটো তালিকাভুক্ত কৰক
  - আপুনি বিশেষভাৱে কি কৰিবলৈ ওলাইছে
- কোনবোৰ কামে আনতকৈ অগ্ৰাধিকাৰ পাব সেইটো নিৰ্ধাৰণ কৰক
- কাৰ্য্যকলাপবোৰ অথবা প্ৰকল্পসমূহ কি ক্ৰমত সম্পূৰ্ণ কৰিব লাগিব সেইটো নিৰ্ধাৰণ কৰক
  - কিছুমান কাৰ্য্যকলাপ আনৰ আগতে হ'ব লাগিব
  - কিছুমান কাৰ্য্যকলাপ আপোনাৰ পৰিচৰ্যাৰ বাবে অতি গুৰুত্বপূৰ্ণ হ'ব পাৰে

**৪. সময়**

- কোনো এটা কাৰ্য আপুনি কেতিয়া কৰিব সেইটো সুনিৰ্দিষ্ট কৰক
- প্ৰতিটো কামত কিমান সময় লাগিব সেইটো চিনাক্ত কৰক
- কোনো এটা কাম কেতিয়া সম্পূৰ্ণ কৰিব লাগিব চিনাক্ত কৰক

**৫. সমলবোৰ**

- উপলব্ধ কি কি সমলৰ প্ৰয়োজন হ'ব?
    - কামটো কৰিবলৈ কি কি মানুহৰ প্ৰয়োজন সেইটো নিৰ্দিষ্ট কৰে
    - প্ৰয়োজনীয় সঁজুলি চিনাক্ত কৰে
    - কি কি আৰ্থিক সম্পদৰ প্ৰয়োজন সেইটো নিৰ্ধাৰণ কৰে

- কি কি নতুন সমলৰ প্ৰয়োজন?
    - সা-সুবিধা
    - যন্ত্ৰপাতি
    - লোক

- কি প্ৰশিক্ষণৰ প্ৰয়োজন?
    - পৰিচৰ্যা নেতৃত্ব দিয়া লোকক
    - পৰিচৰ্যাৰ কামখিনি কৰা লোকক

**৬. কৌশল**

- আপোনাৰ হাতত থকা নিৰ্দিষ্ট সুযোগসমূহ চিনাক্ত কৰক
- আপোনাৰ সদস্যসকলৰ বৰসমূহ কেনেকৈ সৰ্বোত্তমভাৱে ব্যৱহাৰ কৰিব পাৰি সেইটো নিৰ্ধাৰণ কৰক
- ইতিমধ্যে থকা সম্পদসমূহৰ সুবিধা কেনেকৈ ল'ব পাৰি সেইটো নিৰ্ধাৰণ কৰক

**৭. সংগঠন**

- কাৰ কি কৰ্তৃত্ব থাকিব নিৰ্ধাৰণ কৰক
    - প্ৰকল্পৰ সিদ্ধান্তৰ বাবে
    - বিত্তীয় সিদ্ধান্তৰ বাবে

- কোন দায়বদ্ধ হ'ব সেইটো নিৰ্ধাৰণ কৰক
    - প্ৰকল্পৰ লক্ষ্য পূৰণৰ বাবে
    - কামবোৰ সম্পন্ন কৰাবৰ বাবে

- কি কি দলৰ প্ৰয়োজন আৰু তাত কোন কোন থাকিব সেইটো নিৰ্ধাৰণ কৰক

## IV. কৌশলগত পৰিকল্পনা এটা আমি কেনেদৰে বিকশিত কৰোঁ?

কৌশলগত পৰিকল্পনা এটা বিকশিত কৰিবলৈ ল'বলগীয়া মৌলিক পদক্ষেপ কেইটামান ইয়াত দিয়া হ'ল:

১. **কৌশলগত পৰিকল্পনাৰ দল এটা গঠন কৰক**
- মূল মানুহ বাছি লওঁক
- উপযুক্ত দক্ষতা আৰু পটভূমি থকা সকলক বাছি লওঁক
- প্ৰকল্পটোৰ প্ৰতি আবেগিক হাবিয়াস থকা সকলক যোগ কৰক

২. **আপোনাৰ পৰিকল্পনাৰ ৰূপৰেখা প্ৰস্তুত কৰক**
- এটা সৰল ৰূপৰেখাৰে আৰম্ভ কৰক
- আপোনাৰ দৰ্শন আৰু মূল প্ৰয়োজনীয়তাবোৰ সুনিৰ্দিষ্ট কৰক

**৩. পৰিকল্পনাত সবিশেষ যোগ কৰক**

- প্ৰতিটো প্ৰয়োজনীয়তাৰ বাবে আপুনি ৰূপায়ণ কৰিবলগীয়া কাৰ্য্যকলাপৰ তালিকা নিৰ্ধাৰণ কৰক
- প্ৰতিটো কাৰ্য্যৰ উপাদানসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰক
  - সময়
  - সমলবোৰ
  - কৌশলসমূহ
  - সংগঠন

- দলটোৰ পৰা অহা সকলো ধাৰণা আৰু/বা পৰামৰ্শ বিবেচনা কৰি চাওঁক
- পৰিকল্পনাটো বিকশিত হ'বলৈ দিয়ক

**৪. মণ্ডলীৰ আনৰ পৰা মতামত সংগ্ৰহ কৰক**

- পৰিকল্পনাটো উন্নত কৰিবলৈ অথবা নতুন ধাৰণা খুটুৱাবলৈ
- অন্যান্য দৃষ্টিভংগী লাভ কৰিবলৈ যি অতি সহায়ক হ'ব পাৰে
- আবদ্ধ হৈ পৰা নাইবা কোনো বাধা পাই ৰৈ যোৱাৰ পৰা হাত সাৰিবলৈ সহায় কৰিবলৈ

**৫. লিখিত নথি প্ৰস্তুত কৰক**

- পৰিকল্পনাটো লিখিলে ই স্পষ্ট হোৱাত সহায় হয়
- ইয়াক আনৰ মন্তব্যৰ বাবে বিতৰণ কৰিব পাৰি
- ই আলোচনা আৰু উল্লেখৰ বাবে এটা ভেটি প্ৰদান কৰে
- ই পৰিকল্পনা প্ৰক্ৰিয়াটোৰ এটা স্পষ্ট ফলাফল

**৬. পৰিকল্পনা চূড়ান্ত কৰক**

- চূড়ান্ত কৌশলগত পৰিকল্পনা লিখিতৰূপত প্ৰস্তুত কৰক
- দলৰ সদস্যসকলক পৰিকল্পনাটো পৰ্যালোচনা কৰিবলৈ দিয়ক
- পৰিকল্পনা কৰা দলৰ প্ৰতিজন ব্যক্তিক নথিখনত স্বাক্ষৰ কৰাওক
  - তেওঁলোকৰ সন্মতি থকাটো দেখুৱাবলৈ
  - ভৱিষ্যতে সংঘাতৰ পৰা হাত সাৰিবলৈ

**৭. পৰিকল্পনাটো জনাওঁক**

- মূল নেতাসকলক লিখিত প্ৰতিলিপি প্ৰদান কৰক
- আপোনাৰ পৰিকল্পনাটো মণ্ডলী অথবা পৰিচৰ্যা দলৰ আগত উপস্থাপন কৰক

# **কৌশলগত পৰিকল্পনাৰ অনুশীলন**

**দৰ্শন উক্তি** ______________________________

______________________________

______________________________

**লক্ষ্য #১:** ______________________________

কাৰ্যকলাপসমূহ:

১. ______________________________
২. ______________________________
৩. ______________________________
৪. ______________________________
৫. ______________________________

**লক্ষ্য #২:** ______________________________

কাৰ্যকলাপসমূহ:

১. ______________________________
২. ______________________________
৩. ______________________________
৪. ______________________________
৫. ______________________________

**লক্ষ্য #৩:** ______________________________

কাৰ্যকলাপসমূহ:

১. ______________________________
২. ______________________________
৩. ______________________________
৪. ______________________________
৫. ______________________________

**লক্ষ্য #৪:** ______________________________

কাৰ্যকলাপসমূহ:

১. ______________________________
২. ______________________________
৩. ______________________________
৪. ______________________________
৫. ______________________________

## অধ্যায় ১০

# <u>ধন ব্যৱস্থাপনা</u>

***"তোমালোকে ঈশ্বৰ আৰু ধন, এই উভয়তে খাটিব নোৱাৰা।"*** **– মথি ৬:২৪**

কাৰ্যতঃ সকলো পৰিচৰ্যা চলিবৰ বাবে কিছু ধনৰ প্ৰয়োজন হয়। সাধাৰণতে তেওঁলোকে নিজৰ সদস্যৰ পৰা পোৱা অনুদান আৰু দানৰ ওপৰত নিৰ্ভৰ কৰে। মণ্ডলীৰ এজন নেতা হিচাপে আপোনাৰ দায়িত্ব আছে সকলো অনুদান সঠিকভাৱে লিপিবদ্ধ কৰা হৈছে নে নাই আৰু পৰিচৰ্যাৰ সকলো খৰচ বৈধ আৰু সঠিকভাৱে কৰা হৈছে নে নাই  সেইটো নিশ্চিত কৰাটো। এইটো সাধাৰণতে এটা আইনী প্ৰয়োজনীয়তা, কিন্তু, তাতোকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল, ই এটা বাইবেলসন্মত আদেশো! আপোনাৰ মণ্ডলী অথবা পৰিচৰ্যাৰ বিত্তীয় ব্যৱস্থা ভালদৰে পৰিচালনা কৰিলে ঈশ্বৰৰ আগত, আৰু আপোনাৰ সদস্যপদৰ আগত প্ৰমাণ হয় যে আপুনি বিশ্বাসযোগ্য। বাইবেলে আমাক সাৱধান কৰি দিছে যে আপোনাৰ বিত্তীয় ক্ষেত্ৰত সৰ্বোচ্চ পৰ্যায়ৰ সততা বজাই ৰাখিব নোৱাৰিলে কেৱল ধ্বংস আৰু দুখ-কষ্টৰ সৃষ্টি হয়। এই অধ্যায়ত আমি চাম ধন ভালদৰে ব্যৱস্থাপনা কৰাটো কিয় ইমান গুৰুত্বপূৰ্ণ, ইয়াৰ নীতি কি, আৰ্থিক সততাৰ অভ্যাস কেনেকৈ কৰিব লাগে আৰু ইয়াৰ পৰা কি কি লাভ হয়।

## I. ধনৰ ব্যৱস্থাপনা ইমান গুৰুত্বপূৰ্ণ কিয়?

১. বাইবেলে কয় যে ধনে বহু সমস্যাৰ সৃষ্টি কৰিব পাৰে

***"ধনৰ লোভেই সকলো মন্দৰ মূল।"*** **– ১ তীমথিয় ৬:১০**

- ধনৰ বেয়া ব্যৱস্থাপনাই চাপ আৰু অন্যান্য সমস্যাৰ সৃষ্টি কৰে
  - আন ধৰণৰ পাপ (মিছা কোৱা, চুৰ কৰা, লোভ কৰা, জুৱা খেলা, ইত্যাদি.)
    ***"ধাৰ্মিকজনৰ মূৰত নানা আশীৰ্বাদ পৰে, কিন্তু দুষ্টবোৰৰ মুখ হ'লে অত্যাচাৰে ঢাকে।"*** **- হিতোপদেশ ১৩:৬**
  - ই সম্বন্ধ নষ্ট কৰে
    ***"যিজনে সিদ্ধতাৰূপ পথত গমন কৰে, তেওঁ নিৰ্ভয়ে চলে; কিন্তু কুটিল আচৰণ কৰোঁতা লোকক চিনা যাবা."*** **হিতোপদেশ ১০:৯**
- ধন লক্ষ্য নহয়, ই লক্ষ্যত উপনীত হোৱাৰ মাধ্যমহে
  - ধন হৈছে আপুনি এটা লক্ষ্য অৰ্জন কৰিবলৈ ব্যৱহাৰ কৰা এটা সমল
  - ঈশ্বৰে তেওঁৰ কাম কৰিবলৈ আপোনাৰ প্ৰয়োজন হোৱা সমল যোগাব
- মানুহৰ ওপৰত ধনৰ ক্ষমতাৰ বিষয়ে আমি বহুতো লেখা পাওঁ
  - ই প্ৰায়ে বেয়া সিদ্ধান্তৰ জন্ম দিয়ে
  - ই জেললৈ যোৱাৰো কাৰণ হ'ব পাৰে
- ধন এজন দেৱতা অথবা উপাসনাৰ প্ৰতিমা হৈ পৰিব পাৰে
  **"তোমালোকে ঈশ্বৰ আৰু ধন উভয়তে খাটিব নোৱাৰা।" – মথি ৬:২৪**
  - ধনৰ পিছত যোৱা মানে ভুৱা দেৱতাৰ পাছত যোৱা
  - আপুনি এজন ধনৰ দাস হৈ খ্ৰীষ্টত থকা স্বাধীনতা হেৰুৱায়

২. অনুচিতভাবে ধনৰ ব্যৱহাৰ কৰাটো ঈশ্বৰক ঠগাৰ নিচিনা হয়

- মণ্ডলীলৈ দিয়া সম্পদ ঈশ্বৰলৈহে দিয়া হয়
  - আমাৰ যি আছে সকলো তেওঁৰেই, আমি তেওঁৰ ঘৰগিৰিহে মাত্ৰ (ব্যৱস্থাপক)
  - আমাৰ সম্পত্তিৰ বিষয়ে আৰু সেইবোৰ কি কৰিব লাগে সেই বিষয়ে ঈশ্বৰৰ এটা পৰিকল্পনা আছে

- ধনৰ অপব্যৱহাৰ ইয়াক চুৰ কৰাৰ নিচিনাই হয়
  - আপুনি মণ্ডলীৰ পৰা ডকাইতি কৰে
  - আপুনি ঈশ্বৰৰ পৰা ডকাইতি কৰে (মলাখী ৩:৮)
  - চুৰ কৰা কাৰ্যই প্ৰেম প্ৰদৰ্শন নকৰে
    ***"প্ৰেমে চুবুৰীয়াৰ অনিষ্টসাধন নকৰে৷"*** – **ৰোমীয়া ১৩:১০**

৩. দুৰ্বল ধন ব্যৱস্থাপনা মানে দুৰ্বল ঘৰগিৰিৰ দায়িত্ব পালন

- দুৰ্বল ঘৰগিৰিৰ দায়িত্ব পালন মানে হ'ল ধন (ঈশ্বৰৰ সম্পদ) বুদ্ধিমানৰূপে ব্যৱস্থাপনা নকৰা
  - o ঈশ্বৰৰ দানসমূহ বুদ্ধিমানৰূপে ব্যৱহাৰ কৰিলে ঈশ্বৰৰ ৰাজ্যৰ বাবে ফল পোৱা যায়
  - o ঈশ্বৰৰ বৰসমূহ ভালদৰে পৰিচালনা কৰিলে ঈশ্বৰৰ মহিমা হয়

৪. ভাল ধন ব্যৱস্থাপনাই আস্থা গঢ়ি তোলে

- যদি আপুনি ধন ব্যৱহাৰ কৰাত ব্যৰ্থ হয় তেনেহ'লে আত্মিক বিষয়বোৰ ব্যৱহাৰ কৰাতো ব্যৰ্থ হ'ব
  ***"যদি তোমালোক অযথাৰ্থ ধনত বিশ্বাসী নহ'লা, তেন্তে আচলটো কোনে তোমালোকক বিশ্বাস কৰি দিব?*** - **লূক ১৬:১১**

- মানুহে আপোনাৰ ওপৰত আস্থা ৰাখিব যদি আপুনি ঈশ্বৰৰ ওপৰত আস্থা ৰাখে
  ***"যিজন অলপ কথাত বিশ্বাসী তেওঁ অধিকতো বিশ্বাসী, আৰু যিজন অলপ কথাত অযথাৰ্থিক, তেওঁ অধিকতো অযথাৰ্থিক হয়৷"*** – **লূক ১৬:১০**

## II. ধন ব্যৱস্থাপনাৰ নীতিবোৰ কি কি?

**"তোমালোকলৈ নিৰূপণ কৰাতকৈ অধিক কাঢ়ি নলবা৷ কাকো অত্যাচাৰ নকৰিবা, আৰু মিছা অপবাদো নিদিবা; আৰু তোমালোকৰ দৰমহাতে সন্তুষ্ট হৈ থাকিবা৷ "**
**লূক ৩:১৩-১৪**

১. ঈশ্বৰে আপোনাক যি দিছে তাতে সন্তুষ্ট থাকক

- আপোনাৰ যি প্ৰয়োজন কেৱল সেইটোহে তেওঁক খোজক
- আপোনাৰ সকলো প্ৰয়োজন পূৰণ কৰাৰ ক্ষেত্ৰত ঈশ্বৰত ভৰসা ৰাখক

২. ধন সেই কামত ব্যৱহাৰ নকৰিব যি কামত ব্যৱহাৰ কৰাটো তাৰ উদ্দেশ্য নাছিল

- কিবা এটা কামৰ বাবে ধন খুজি আন এটা কামত ব্যৱহাৰ নকৰিব
- মানহে দিয়া দানক সন্মান কৰক

৩. মণ্ডলীৰ ধন ব্যক্তিগত হাবিয়াস পূৰণত ব্যৱহাৰ নকৰিব

- ব্যক্তিগত হাবিয়াস বা ইচ্ছা পূৰণ কৰিবলৈ কেতিয়াও মণ্ডলীৰ ধন ল'ব নালাগে
- ব্যক্তিগত হাবিয়াস বা ইচ্ছাৰ বাবে আনক মণ্ডলীৰ ধন দিব নালাগে

৪. লাভ কৰা সকলো ধনৰ হিচাপ ৰাখক

- লাভ কৰা সকলো আয় আৰু উপহাৰ লিপিবদ্ধ কৰক
- সকলো দানৰ অনুৰোধ কৰা উদ্দেশ্যবোৰ লিপিবদ্ধ কৰক আৰু সন্মান কৰক
- সঠিক আৰু শেহতীয়া ৰেকৰ্ড ৰাখক

৫. খৰচ কৰা সকলো ধনৰ হিচাব ৰাখক

- সকলো খৰচ লিপিবদ্ধ কৰক
- সকলো খৰচৰ ৰচিদ ৰাখক

৬. বৃহৎ ক্ৰয়বোৰৰ বাবে এটা পদ্ধতি প্ৰণয়ন কৰক

- এজন ব্যক্তিক বৃহৎ ক্ৰয় কৰিবলৈ কৰ্তৃত্ব নিদিব
- সকলো ডাঙৰ খৰচৰ বাবে এটা পৰীক্ষা  আৰু নিয়ন্ত্ৰণৰ ব্যৱস্থা স্থাপন কৰক
- ধন বিতৰণ কৰিবলৈ অনুমোদন প্ৰ-পত্ৰ বা অন্যান্য নথি-পত্ৰৰ প্ৰয়োজন

৭. এটা বিত্তীয় বিৱৰণী নিয়মীয়াভাবে প্ৰকাশ কৰক

- পোৱা ধন
- খৰচ কৰা ধন
- হাতত থকা ধন

৮. সময়ে সময়ে মণ্ডলীৰ বিত্তীয় বিশ্লেষণ কৰিবলৈ কোনো স্বাধীন লোকক ব্যৱহাৰ কৰক

- মণ্ডলীৰ বাহিৰৰ কাৰোবাক আপোনাৰ আৰ্থিক তথ্য পৰ্যালোচনা কৰিবলৈ দিয়ক
- বাৰ্ষিক বিত্তীয় অডিট কৰক

## III. আপুনি কেনেকৈ ভাল ধন ব্যৱস্থাপনাৰ অভ্যাস কৰিব পাৰিব?

১. দশমাংশ দিয়াৰ বাইবেলসন্মত ৰায়টোৰ কথা শিকাওঁক (১০%)

***"বছৰে বছৰে উৎপন্ন হোৱা খেতিৰ সকলো শস্যৰ দশমভাগ তুমি পৃথক কৰি থবা।"***

**- দ্বিতীয় বিৱৰণ ১৪:২২**

- উদাহৰণ দেখুউৱা নেতা হওঁক – এজন দশমাংশ দিওঁতা হওঁক
- প্ৰথম ফল আগবঢ়াবলৈ উৎসাহ দিয়ক (**হিতোপদেশ ৩**:**৯**)

২. বিত্তীয় সততা প্ৰদৰ্শন কৰক

- **সকলো** আয় আৰু খৰচ লিখি ৰাখক
- আগতে আপোনাৰ ঋণ পৰিশোধ কৰক
- মণ্ডলীৰ বিত্তৰ অডিট আৰু পৰ্যালোচনা কৰাৰ পদ্ধতি এটা স্থাপন কৰক

৩. আপোনাৰ প্ৰয়োজন পূৰণ কৰাৰ বাবে ঈশ্বৰৰ ওপৰত আস্থা ৰাখক

- আপোনাৰ যি প্ৰয়োজন তেওঁ যোগাব
- ঈশ্বৰে তেওঁৰ লোকসমূহৰ যত্ন লয়

***"যিবিলাক ইহলোকত ধনৱন্ত, তেওঁবিলাকক এই আজ্ঞা দিয়া যে, তেওঁবিলাক উচ্চমনা নহওঁক, আৰু তেওঁবিলাকে ধনৰ অনিশ্চয়তাত ভৰসা নকৰি, যি ঈশ্বৰে, আমি ভোগ কৰিবলৈ বাহূল্যৰূপে আমাক দিছে, সেই ঈশ্বৰত ভৰসা কৰক।"***

**- ১ তীমথিয় ৬:১৭**

৪. সদস্যসকলক মণ্ডলীৰ বিত্তীয় অৱস্থা চাবলৈ দিয়ক

- আপোনাৰ মণ্ডলীৰ সদস্যসকলৰ পৰা আপোনাৰ বিত্তীয় কথা নুলুকুৱাব
- সকলো ৰচিদ আৰু খৰচৰ বিষয়ে মুকলি আৰু সৎ হওক

## IV. ভাল ধন ব্যৱস্থাপনাৰ পৰা লাভ কি কি?

১. আপুনি আপোনাৰ মণ্ডলীৰ সদস্যসকলৰ পৰা বিশ্বাস গঢ়ি তুলিব পাৰিব

- যদি তেওঁলোকে আপোনাক টকাৰ ক্ষেত্ৰত বিশ্বাস কৰে তেন্তে আপোনাক আন কামতো বিশ্বাস কৰিব
- আপোনাৰ মণ্ডলীৰ সদস্যসকলে আপোনাক বিশ্বাস কৰাৰ সম্ভাৱনা বেছি আৰু তেনেদৰে আপোনাক অনুসৰণ কৰাৰ সম্ভাৱনা বেছি
- আপোনাৰ মণ্ডলীৰ সদস্যসকলে আপোনাক ডাঙৰ আৰ্থিক বিষয়সমূহ চম্ভালিবৰ বাবেও বিশ্বাস কৰিব

২. আপুনি সাম্ভাব্য গুৰুতৰ সমস্যাৰ পৰা আতৰি থাকিব পাৰিব

- চয়তানে আপোনাক প্ৰলোভিত কৰিব নোৱাৰিব
- লোভে আপোনাক জয় কৰিব নোৱাৰিব
- আপুনি আপোনাৰ জাকটিৰ বাবে নিৰ্মল আৰু ধাৰ্মিক আৰু ভাল হৈ থাকিব পাৰিব

৩. ঈশ্বৰৰ শক্তিয়ে কি কৰিব পাৰে আপুনি শিকিব

- ঈশ্বৰে আপোনাৰ প্ৰতিটো প্ৰয়োজনীয়তা কেনেকৈ পূৰণ কৰে আপুনি নিজে দেখিব
- তেওঁৰ প্ৰতিজ্ঞাৰ ওপৰত আপোনাৰ বিশ্বাস গঢ়ি উঠিব
- আপুনি প্ৰথমে তেওঁক বিচাৰিবলৈ শিকিব
  ***"কিন্তু তোমালোকে প্ৰথমে তেওঁৰ ৰাজ্য আৰু ধাৰ্মিকতা বিচাৰা; তাতে এই সকলোও তোমালোকক দিয়া হ'বা"*– মথি ৬:৩৩**

# <u>ধন ব্যৱস্থাপনা অনুশীলন</u>

**আপোনাৰ ধনৰ ব্যৱস্থাপনা উন্নত কৰিবলৈ আপুনি আজি কৰিব পৰা কামবোৰ তালিকাভুক্ত কৰক:**

১. ______________________________

২. ______________________________

৩. ______________________________

৪. ______________________________

৫. ______________________________

৬. ______________________________

৭. ______________________________

৮. ______________________________

৯. ______________________________

১০. ______________________________

**অধ্যায় ১১**

## <u>সময় ব্যৱস্থাপনা</u>

***"…কিন্তু জ্ঞানবানৰ মনে হ'লে, সময় আৰু সোধ-বিচাৰ হ'ব বুলি জানো। কিয়নো প্ৰত্যেক বিষয়ৰে সময় আৰু সোধ-বিচাৰ আছে…"*** **উপদেশক ৮:৫-৬**

আমি প্ৰত্যেকে যি বৃত্তি বা কাম বাছি নলওঁ কিয় বা যিহলৈকে আমাক আমন্ত্ৰিত কৰা নহওঁক কিয়, আমি সকলোৱে আমাৰ হাতত থকা সম্পদ আৰু সময়খিনিৰে কেবাটাও লক্ষ্যত উপনীত হ'বলৈ চেষ্টা কৰি থাকোঁ। আৰু বহু সম্পদ ক্ৰয় বা অধিগ্ৰহণ কৰিব পাৰিলেও সময় এনেকুৱা এটা সম্পদ যাক কেতিয়াও কিনিব বা পুনৰ পূৰণ কৰিব নোৱাৰি। সময় এবাৰ পাৰ হ'লে চিৰদিনলৈ নোহোৱা হৈ যায়। ইয়াক পুনৰ ব্যৱহাৰ কৰিব নোৱাৰি আৰু ইয়াক পুনৰ লাভো কৰিব নোৱাৰি। গতিকে আমি আমাৰ সময় কেনেকৈ কটাওঁ আৰু কি কামত ব্যৱহাৰ কৰো সেই বিষয়ে অতিশয় সাৱধান হ'ব লাগে। ব্যৱহাৰ কৰিবলৈ আমাৰ হাতত মুঠতে কিমান সময় আছে তাকো আমি নাজানো। যিহেতু প্ৰভুৱে আমাক কেতিয়া ঘৰলৈ মাতিব আমি কোনোৱেই নাজানো, গতিকে আমাক দিয়া সময়খিনিৰ সৰ্বোত্তমভাবে লাভ আদায় কৰা আৰু বুদ্ধিমানৰূপে ব্যৱহাৰ কৰাটো অতি প্ৰয়োজনীয়। সময় ব্যৱস্থাপনাৰ ওপৰত বহুতো কিতাপ লিখা হৈছে, আৰু আমি আপোনাক কিছুমান নীতি আৰু পদ্ধতিৰ সাৰাংশৰ আভাস দিব খুজিছো যিয়ে আপোনাক আপোনাৰ সময়খিনি অধিক ফলপ্ৰসূভাৱে ব্যৱস্থাপনা কৰাত সহায় কৰিব। এই অধ্যায়ত আমি সময় ব্যৱস্থাপনাৰ গুৰুত্ব, সময় ব্যৱস্থাপনাৰ কিছুমান নীতি, আপোনাৰ সময় কেনেকৈ ব্যৱস্থাপনা কৰিব লাগে, আৰু ফলপ্ৰসূ সময় ব্যৱস্থাপনাৰ বাবে ২টা সঁজুলি আগবঢ়াম।

### I. আপোনাৰ সময় ব্যৱস্থাপনাৰ প্ৰয়োজনীয়তা

১. ই আপোনাক অধিক পৰিচৰ্যাৰ কাম কৰাত সহায় কৰে

- ই আপোনাক আপুনি কৰিবলৈ আগবঢ়া কামটো সম্পূৰ্ণ কৰাত সহায় কৰে
- ই আপোনাক সকলোতকৈ প্ৰয়োজনীয় কামটোত মন দিবলৈ সহায় কৰে
- আপোনাৰ সময়বোৰ অধিক কাৰ্যকৰীভাবে খৰচ হয়, ফলত উন্নত ফল পায়

২. ই সময় অপচয়ৰ পৰা বচাব

***"এতেকে কিদৰে চলা, তালৈ সাবধানে চাবা; অজ্ঞানৰ দৰে নহয়; কিন্তু জ্ঞানীৰ দৰে চলিবা; সুসময়ক কিনি ল'বা; কিয়নো এই কাল মন্দ।"***
**– ইফিচীয়া ৫:১৫-১৬**

- কম প্ৰাথমিকতাৰ কামত আপুনি অধিক সময় ব্যয় নকৰিব
- আপুনি লাভজনক নোহোৱা সময়ৰ বিষয়ে সচেতন হ'ব
- পৰবৰ্তী কামটো কি কৰিব লাগিব সেইটো ঠিক কৰিবৰ বাবে আপুনি সময় খৰচ নকৰিব

৩. ই আপোনাক গুৰুত্বপূৰ্ণ সময়সীমা আৰু লক্ষ্যবোৰ নিৰ্দ্ধাৰণ কৰিবলৈ সক্ষম কৰিব

- ই আপোনাক সময়সূচী আৰু সময়সীমাৰ বিষয়ে সচেতন কৰিব যাতে আপুনি সেইবোৰ সিদ্ধ কৰাত বিফল নহয়
- ই লক্ষ্য এটাৰ দিশত সুস্থিৰভাবে আগবঢ়াত সহায় কৰে
- ই আপোনাৰ কামকাজবোৰ সংগঠিত আৰু প্ৰাথমিকতাৰদ্ধ কৰি ৰাখিব

৪. ই কামৰ হেঁচা হ্ৰাস কৰাত সহায় কৰে

- ই কিবা এটা গুৰুত্বপূৰ্ণ কথা পাহৰি যোৱাৰ আশংকা কম কৰে
- ই আপোনাক আপোনাৰ কামকাজ আৰু সময়সূচীৰ ওপৰত অধিক নিয়ন্ত্ৰণ দিয়ে
- ই আপোনাক অৱসৰ আৰু জিৰণিৰ বাবে সময় উলিয়াবলৈ দিয়ে
- এৰি দিয়ক আৰু ঈশ্বৰক কৰিবলৈ দিয়ক!
  ***"যিহোৱাৰ আগত শান্তভাৱে থাকি তেওঁলৈ অপেক্ষা কৰা।"* – গীতমালা ৩৭:৭**
  ***"ক্ষান্ত হোৱা, মইযে ঈশ্বৰ তাক বুজা।"* – গীতমালা ৪৬:১০**

৫. ই সময় উলিয়াই দিয়ে যাতে যেতিয়া আপোনাৰ প্ৰয়োজন তেতিয়া আপুনি সময় দিব পাৰে

- ই হ্ৰস্ব-ম্যাদী সমস্যাৰ মোকাবিলা কৰিবলৈ আপোনাক সক্ষম কৰে।
- প্ৰাথমিকতাৰ বিষয়বোৰ সময়মতে হাতত লোৱাটো ই নিশ্চিত কৰে

## II. সময় ব্যৱস্থাপনাৰ নীতি

***"আৰু সকলোৰে আগত তোমাৰ বৃদ্ধি যেন প্ৰকাশিত হয়, এই কাৰণে এইবোৰ কথাত মনোযোগ কৰা, আৰু এইবোৰত ব্যস্ত থাকা"***
**১ তীমথিয় ৪:১৫**

১. আপোনাৰ কামবোৰক প্ৰাথমিকতা দিয়ক
- ইয়াৰ গুৰুত্ব অনুসৰি
- কেতিয়া কৰিব লাগে সেই অনুসৰি
- আপোনাৰ প্ৰতিশ্ৰুতি অনুসৰি

২. নিৰ্দিষ্ট লক্ষ্য নিৰ্ধাৰণ কৰক
- কামটো কেতিয়া কৰিব লাগে
- কামটোত কিমান সময় দিব লাগে
- কামটো বা কাৰ্য্যকলাপ কোনে কৰিব

৩. একেধৰণৰ কাৰ্য্যবোৰ একগোট কৰক
- দক্ষতা গঢ়ি তুলিবলৈ কাৰ্য্যকলাপবোৰ একোটা গোট কৰক
  - o ফোন কল, মেইল
  - o পৰামৰ্শদাতা অধিবেশন
  - o বাৰ্তা আৰু শিক্ষাৰ প্ৰস্তুতি
  - o সভা

- এটা ধৰণৰ কামৰ পৰা আন এটা ধৰণৰ কামলৈ জপিয়াই নাযাব
  - o আপুনি মনোযোগ হেৰুৱাব পাৰে
  - o আপুনি ইতিমধ্যে কৰা কামবোৰ পাহৰি যাব পাৰে

- এটা কামৰ পৰা আন এটালৈ যাওঁতে আপুনি কম সময় নষ্ট কৰিব
  - o এটা কাৰ্য্যকলাপৰ পৰা আন এটা কামলৈ সলনি হ'লে বহু সময় হেৰাই যায়
  - o এবাৰ আপোনাৰ এটা প্ৰক্ৰিয়াই কাম কৰিলে, সেইটো আগবাঢ়ি যোৱাটো অধিক সহজ হয়

৪. আপোনাৰ সিদ্ধান্তসমূহ প্ৰত্যেক দিনে সংগঠিত কৰক

- পিছত ল'ব পৰা সিদ্ধান্তবোৰ ***পলম কৰক***
- সিদ্ধান্ত ল'বলৈ হয়তো অধিক অৰ্হতা থকা কাৰোবালৈ সিদ্ধান্ত লোৱা কামটো ***প্ৰেৰণ কৰক***
- লগে লগে আপোনাৰ সিদ্ধান্তৰ প্ৰয়োজন থকা বিষয়ত ***প্ৰাথমিকতা দিয়ক***

৫. আপোনাৰ দৈনিক কাৰ্যসূচীত নমনীয়তা ৰাখক

- প্ৰতিটো মিনিট ব্যৱহাৰ হোৱাকৈ কাৰ্যসূচী নবনাব
- কোনো অপ্ৰত্যাশিত বিষয় আহি আপোনাৰ কাৰ্যসূচীত প্ৰভাৱ পেলাব বুলি আশা কৰক
- বিৰতি আৰু আহাৰৰ বাবে সময় ৰাখক
- আপোনাৰ প্ৰাথমিকতা অথবা কাৰ্যসূচী পৰিবৰ্তিত কৰাৰ সুযোগ ঈশ্বৰক দিয়ক
  - এটা নতুন পৰিচৰ্যাৰ সুযোগৰ জৰিয়তে
  - এটা নতুন দৃষ্টিভঙ্গীৰ জৰিয়তে

৬. বাধাবোৰ দ্ৰুতভাৱে চম্ভালিব লাগে

- পিছত সমাধান হ'ব পৰা বাধা এটা সমাধান নকৰিব
- সমস্যাটো শুনি পলম কৰিব, আনলৈ প্ৰেৰণ কৰিব নে প্ৰাথমিকতা দিব সেইটো সিদ্ধান্ত লওক
- যদি আপুনি সোনকালে সিদ্ধান্ত ল'ব পাৰে, লওঁক, কিন্তু তাৰ পাছত আগবাঢ়ি যাওক

## III. আপোনাৰ সময়ৰ ব্যৱস্থাপনা কেনেকৈ কৰিব

১. আপোনাৰ দিনটো সংগঠিত কৰক

- কৰিবলগীয়া কামবোৰৰ তালিকা কৰক
  - চিনাক্ত কৰক আজি কি সম্পূৰ্ণ কৰিব লাগিব
  - চিনাক্ত কৰক আজি কিহৰ ওপৰত কাম কৰিব লাগিব
  - চিনাক্ত কৰক আজি কি সিদ্ধান্ত ল'বলগীয়া আছে
  - চিনাক্ত কৰক সময় থাকিলে আজি আৰু কি আপুনি কৰিব খোজে

- সুপ্ৰতিষ্ঠিত লক্ষ্য আৰু প্ৰাথমিকতা থাকিব লাগে
  - কি আটাইতকৈ গুৰুত্বপূৰ্ণ সেইটো জানি লওক
  - কোনবোৰ লক্ষ্যৰ দিশত আপুনি কাম কৰি আছে সেইটো জানি লওক
  - প্ৰথমে গুৰুত্বপূৰ্ণ কামবোৰ কৰক

- চুটি বিৰতিৰ বাবে পৰিকল্পনা কৰক – আপোনাৰ শৰীৰ & মনক মাজে মাজে জিৰণিৰ প্ৰয়োজন

- আপোনাৰ সকলোতকৈ উৎপাদনশীল সময়খিনি নিৰ্ণয় কৰক আৰু সকলোতকৈ গুৰুত্বপূৰ্ণ কামবোৰ তেতিয়া কৰক
  - দিনৰ শেষত ভাগৰুৱা অৱস্থাত প্ৰকৃত গুৰুত্বপূৰ্ণ সিদ্ধান্ত ল'ব নালাগে
  - কম শক্তিৰ সময়ত কম অগ্ৰাধিকাৰযুক্ত কাৰ্য্যকলাপৰ সময়সূচী নিৰ্ধাৰণ কৰক (দুপৰীয়াৰ আহাৰ আদিৰ পিছত)

২. দক্ষ হওঁক

- একেসময়তে কৰিবলগীয়া ফোনবোৰ কৰক
- অধ্যয়ন বা বাৰ্তা প্ৰস্তুতিৰ বাবে কিছু আনে আমনি কৰিব নোৱাৰা সময় লওঁক
- অপ্ৰয়োজনীয় বিষয় বা সংঘাতৰ দিশলৈ আতৰি হোৱাৰ পৰা বিৰত থাকক
- আজি যিটো **কৰিবই লাগিব** সেইটো কৰক

৩. আনে কৰিবপৰা কাম কৰি সময় খৰচ নকৰিব

- সম্ভৱ হ'লে, আন দায়িত্বশীল নেতালৈ কাম হস্তান্তৰিত কৰক
- যদিহে অতীব প্ৰয়োজনীয় নহয়, আনে কৰিবলগা কাম কৰাৰ পৰা বিৰত থাকক
    - পুৰণি কথা এটা আছে – "কাৰোবাক উপকাৰ কৰক আৰু সেয়া আপোনাৰ কাম হৈ পৰে" (অৰ্থাৎ- আপুনি আনৰ বাবে কৰা সৰু সৰু কামবোৰ নিয়মীয়া অভ্যাস বা প্ৰতিশ্ৰুতিত পৰিণত হ'ব পাৰে যিবোৰ বন্ধ কৰাটো কঠিন)

৪. ফলপ্ৰসূভাবে সভা পৰিচালনা কৰক

- আপোনাক পথ প্ৰদৰ্শন কৰিবলৈ ভক্তি-উপাসনা আৰু প্ৰাৰ্থনা অন্তৰ্ভুক্ত কৰক
- সদায় এখন কাৰ্যসূচী প্ৰস্তুত কৰক
    - কাৰ্যসূচীত নথকা বিষয়ৰ আলোচনা কৰাৰ পৰা বিৰত থাকক
      
      কাৰণ বিষয়টোৰ ওপৰত আলোচনা কৰিবলৈ মানুহবোৰ সাজু নহয়
      
      কাৰণ সেইবোৰ সাধাৰণতে আলোচনা কৰা বিষয়টোৰ লগত জড়িত নহয়
    - এজেণ্ডা আৰু সময়সীমাৰ প্ৰতি অনুগত হৈ থাকক

- কেৱল সিদ্ধান্ত ল'ব পৰা প্ৰস্তাৱ আৰু পৰামৰ্শৰ বিষয়েহে আলোচনা কৰক
    - ইনপুট সংগ্ৰহ কৰিব নিবিচৰা বিষয় আলোচনাত নাৰাখিব
    - সভাখনক মূল বিষয়সমূহৰ ওপৰত মনোনিৱেশ কৰি থকাত সহায় কৰিব
    - আলোচনাটো সিদ্ধান্তলৈ লৈ যোৱাত সক্ষম কৰিব

- কৰিবলৈ কাম দিয়ক
    - ই প্ৰক্ৰিয়াটো আৰু দলীয় কামখিনিৰ মালিকীস্বত্ব গঢ়ি তোলে
    - ই সভাত থকা সকলোকে দায়বদ্ধ কৰি তোলে

- আলোচনা, সিদ্ধান্ত, আৰু চুক্তিসমূহ সভাৰ কাৰ্য্যবিৱৰণীৰ জৰিয়তে নথিভুক্ত কৰক
  
  o আলোচনা কৰা কথাবোৰ নথিভুক্ত কৰক
  
  o কি সিদ্ধান্ত লোৱা হ'ল নথিভুক্ত কৰক
  
  o মানুহে সন্মতি দিয়া দায়িত্বসমূহ নথিভুক্ত কৰক

## IV. ফলপ্ৰসূ সময় ব্যৱস্থাপনাৰ বাবে দুটা সঁজুলি

১. এখন টাইম-চীট প্ৰস্তুত কৰক (অথবা এখন দৈনিক বা মাহিলী কেলেণ্ডাৰ ব্যৱহাৰ কৰক)

- সপ্তাহটোত আপোনাৰ সময়ৰ হিচাব ৰাখিবলৈ বা অনুষ্ঠানসমূহৰ সময় নিৰ্ধাৰণ কৰিবলৈ ইয়াক ব্যৱহাৰ কৰক
    - আপোনাৰ সময় ক'ত কটোৱা হয় তাৰ বিশ্লেষণত ই সহায় কৰে
    - আপোনাৰ সাপ্তাহিক সময়সূচী পৰিকল্পনা কৰিবলৈ ইয়াক ব্যৱহাৰ কৰিব পাৰি

২. কৰিবলগীয়া কামৰ এখন তালিকা কৰক

- আপোনাৰ দিন, সপ্তাহ অথবা মাহটোক সংগঠিত কৰাত ই সহায় কৰিব
- সকলোতকৈ গুৰুত্বপূৰ্ণ পৰিচৰ্যা কামটো আপুনি প্ৰথমতে কৰিব পাৰিব
- দৰকাৰী কামকাজ আৰু প্ৰতিশ্ৰুতি নাপাহৰিবলৈ ই সহায় কৰিব

# **আপোনাৰ সময় ব্যৱহাৰৰ অনুশীলন**

তলৰ সাপ্তাহিক সময় পৰিকল্পনা ব্যৱহাৰ কৰক আৰু পৰৱৰ্তী সপ্তাহৰ বাবে আপুনি জনা সময় যেনে বন্ধৰ দিন, বাইবেল অধ্যয়ন, বাৰ্তা প্ৰস্তুতি, সাপ্তাহিক উপাসনা আদি ব্লক কৰক। বাকী সময়খিনি তেতিয়া আপোনাৰ প্ৰয়োজন অনুসৰি পূৰণ কৰিবলৈ সক্ষম হ'ব।

| | **সোমবাৰ** | **মঙ্গলবাৰ** | **বুধবাৰ** | **বৃহস্পতিবাৰ** | **শুকুৰবাৰ** | **শনিবাৰ** | **দেওবাৰ** |
|---|---|---|---|---|---|---|---|
| ৮:০০ **পুৱা** | | | | | | | |
| ৮:৩০ | | | | | | | |
| ৯:০০ | | | | | | | |
| ৯:৩০ | | | | | | | |
| ১০:০০ | | | | | | | |
| ১০:৩০ | | | | | | | |
| ১১:০০ | | | | | | | |
| ১১:৩০ | | | | | | | |
| ১২:০০ **আবেলি** | | | | | | | |
| ১২:৩০ | | | | | | | |
| ১:০০ | | | | | | | |
| ১:৩০ | | | | | | | |
| ২:০০ | | | | | | | |
| ২:৩০ | | | | | | | |
| ৩:০০ | | | | | | | |
| ৩:৩০ | | | | | | | |
| ৪:০০ | | | | | | | |
| ৪:৩০ | | | | | | | |
| ৫:০০ | | | | | | | |
| ৫:৩০ | | | | | | | |
| ৬:০০ | | | | | | | |
| ৬:৩০ | | | | | | | |
| ৭:০০ | | | | | | | |
| ৭:৩০ | | | | | | | |
| ৮:০০ | | | | | | | |
| ৮:৩০ | | | | | | | |
| ৯:০০ | | | | | | | |
| ৯:৩০ | | | | | | | |

# <u>আপোনাৰ সময় ব্যৱহাৰৰ নমুনা</u>

| | **সোমবাৰ** | **মঙ্গলবাৰ** | **বুধবাৰ** | **বৃহস্পতিবাৰ** | **শুকুৰবাৰ** | **শনিবাৰ** | **দেওবাৰ** |
|---|---|---|---|---|---|---|---|
| ৮:০০ **পুৱা** | | ফোন কল | | বাইবেল অধ্যয়ন | | পৰিয়াল | |
| ৮:৩০ | | ফোন কল | | বাইবেল অধ্যয়ন | | পৰিয়াল | |
| ৯:০০ | | কাৰ্যালয় | | বাইবেল অধ্যয়ন | পৰামৰ্শ দান | পৰিয়াল | উপাসনা |
| ৯:৩০ | | কাৰ্যালয় | | বাইবেল অধ্যয়ন | পৰামৰ্শ দান | পৰিয়াল | উপাসনা |
| ১০:০০ | | কাৰ্যালয় | | | পৰামৰ্শ দান | পৰিয়াল | উপাসনা |
| ১০:৩০ | | কাৰ্যালয় | | | পৰামৰ্শ দান | পৰিয়াল | উপাসনা |
| ১১:০০ | | | | | | | উপাসনা |
| ১১:৩০ | | | | | | | উপাসনা |
| ১২:০০ **আবেলি** | দুপৰীয়াৰ আহাৰ | দুপৰীয়াৰ আহাৰ | দুপৰীয়াৰ আহাৰ | দুপৰীয়াৰ আহাৰ | দুপৰীয়াৰ আহাৰ | | দুপৰীয়াৰ আহাৰ |
| ১২:৩০ | দুপৰীয়াৰ আহাৰ | দুপৰীয়াৰ আহাৰ | দুপৰীয়াৰ আহাৰ | দুপৰীয়াৰ আহাৰ | দুপৰীয়াৰ আহাৰ | | দুপৰীয়াৰ আহাৰ |
| ১:০০ | | | | পৰিদৰ্শন | | | |
| ১:৩০ | | | | পৰিদৰ্শন | | | |
| ২:০০ | | | বাৰ্তা প্ৰস্তুতি | পৰিদৰ্শন | | | |
| ২:৩০ | | | বাৰ্তা প্ৰস্তুতি | পৰিদৰ্শন | | | |
| ৩:০০ | | | বাৰ্তা প্ৰস্তুতি | | | | |
| ৩:৩০ | | | বাৰ্তা প্ৰস্তুতি | | | | |
| ৪:০০ | | | | | | | |
| ৪:৩০ | | | | | | | |
| ৫:০০ | নিশাৰ আহাৰ | নিশাৰ আহাৰ | নিশাৰ আহাৰ | নিশাৰ আহাৰ | নিশাৰ আহাৰ | | |
| ৫:৩০ | নিশাৰ আহাৰ | নিশাৰ আহাৰ | নিশাৰ আহাৰ | নিশাৰ আহাৰ | নিশাৰ আহাৰ | | |
| ৬:০০ | | | | | | | |
| ৬:৩০ | | | | | | | |
| ৭:০০ | | সভা | | | | দেওবাৰ প্ৰস্তুতি | |
| ৭:৩০ | | সভা | | | | দেওবাৰ প্ৰস্তুতি | |
| ৮:০০ | | সভা | | | | দেওবাৰ প্ৰস্তুতি | |
| ৮:৩০ | | | | | | দেওবাৰ প্ৰস্তুতি | |
| ৯:০০ | | | | | | | |
| ৯:৩০ | | | | | | | |

# অধ্যায় ১২

# <u>তথ্য ব্যৱস্থাপনা</u>

**“জ্ঞানী লোকে জ্ঞান সাঁচে”**
**হিতোপদেশ ১০:১৪**

মণ্ডলীৰ অৱহেলিত সম্পদৰ ভিতৰত তথ্য অন্যতম। এই তথ্য হ’ব পাৰে মণ্ডলীৰ সদস্যসকলৰ বিষয়ে, বা ইয়াৰ পৰিচৰ্যা, কাৰ্য্যকলাপ বা মণ্ডলীৰ সম্পদৰ বিষয়ে। যি পৰিচৰ্যাৰ বাবে আমি আমন্ত্ৰিত সেইটো কৰাত সহায় কৰিব পৰাকৈ বহুতো তথ্য আছে আৰু সেইবোৰ ক'ত আছে বা কেনেকৈ লাভ কৰিব পাৰি সেইটো জনাটো গুৰুত্বপূৰ্ণ। কিছুমান তথ্য মণ্ডলীয়ে সংগ্ৰহ কৰি সংৰক্ষণ কৰিব লাগিব, বিশেষকৈ ইয়াৰ সদস্যসকলৰ তথ্য আৰু তেওঁলোকৰ কাৰ্যকলাপ বা প্ৰতিভা আদিৰ তথ্য। আন তথ্য এতিয়া ইন্টাৰনেট অথবা পুথিভঁৰাল বা কিতাপৰ দোকানত পোৱা যায়। সময়মতে আমাৰ প্ৰয়োজনীয় তথ্য লাভ কৰিবলৈ হ’লে আমি সেইবোৰ সহজে পাব পৰা কৰি ৰাখিব লাগিব বা ক’ত পাব পাৰি সেইটো জানিব লাগিব। এইটোৱেই তথ্য ব্যৱস্থাপনাৰ প্ৰক্ৰিয়া। এই কামটো কৰিবলৈ কম্পিউটাৰ এটা অতি সহায়ক হয়, কিন্তু তথ্য সংৰক্ষণ কৰিবলৈ আপোনাক কম্পিউটাৰৰ প্ৰয়োজন নাই। আপুনি আন পদ্ধতি ব্যৱহাৰ কৰিব পাৰে যিবোৰ ঠিক তেনেকুৱাই ফলপ্ৰসূ হ’ব পাৰে। এই অধ্যায়ত আমি তথ্য ব্যৱস্থাপনাৰ গুৰুত্ব, তথ্য ব্যৱস্থাপনাৰ কিছুমান নীতি, আৰু পৰিচৰ্যাত ভৱিষ্যতে ব্যৱহাৰ কৰিবৰ বাবে কেনেকৈ তথ্য সংগ্ৰহ আৰু সংৰক্ষণ কৰিব লাগে সেই বিষয়ে চাম।

## I. তথ্য ব্যৱস্থাপনাৰ প্ৰয়োজনীয়তা

***“প্ৰত্যেক সুবিবেচকে জ্ঞানেৰে কাৰ্য কৰে”***
**হিতোপদেশ ১৩:১৬**

১. ই আপোনাৰ হাতত থকা সম্পদ সম্বন্ধে জ্ঞান বৃদ্ধি কৰে
- আপোনাৰ সদস্যসকলৰ আত্মিক বৰ(সমূহ) আৰু দক্ষতাৰ তথ্য
- মণ্ডলীৰ অন্যান্য সম্পদৰ তথ্য (কিতাপ, ভিডিঅ', বাইবেল অধ্যয়ন আদি)
- মণ্ডলীৰ কাৰ্য্যকলাপ আৰু পৰিচৰ্যাৰ তথ্য (কোন, কি আৰু ক'ত)

২. ই তথ্য বিচাৰি সময় নষ্ট কৰাৰ পৰা বচাব
- আপুনি নথিপত্ৰ বিচাৰি অত্যধিক সময় খৰচ নকৰিব
- নিৰ্দিষ্ট প্ৰয়োজনীয়তাৰ বাবে কাৰ ওচৰলৈ যাব লাগে সেইটো জানিব
- আপুনি বিচৰা তথ্য পাবলৈ মানুহৰ সৈতে যোগাযোগ কৰিব লগা নহ’ব

৩. ই আপোনাক উত্তম সিদ্ধান্ত ল’বলৈ সক্ষম কৰিব
- সিদ্ধান্তবোৰ যিমানেই ভাল তথ্যৰ ওপৰত ভিত্তি কৰি লোৱা হয় সিমানেই ভাল হয়
- প্ৰয়োজনৰ সময়ত তথ্য হাততে পোৱাটো গুৰুত্বপূৰ্ণ কথা
- অনুমান কৰাতকৈ জনাটো সদায় ভাল

৪. ভাল পৰিকল্পনাৰ বাবে ই আৱশ্যকীয়

- পৰিকল্পনা এটা যিমান ভাল তথ্যৰ ওপৰত ভিত্তি কৰি কৰা হয় সিমানেই ভাল হয়
- তথ্যৰ অভাৱৰ ফলত ফলাফল বেয়া হয়
- আপুনি যিটো নাজানে সেইটো পৰিকল্পনা কৰিব নোৱাৰে

৫. ই আপোনাক পৰিচৰ্যাৰ সুযোগ দেখা পোৱাত সহায় কৰে

- আপোনাৰ হাতত কি আছে জনাটোৱে আপোনাক সৃষ্টিশীল হোৱাত সহায় কৰে
- ই আপোনাক পৰিচৰ্যাৰ সম্ভাৱনীয়তাত মনোনিৱেশ কৰিবলৈ সমৰ্থ কৰে
    - সভ্যসকলৰ বৰ আৰু আবেগিক হাবিয়াসবোৰৰ বিষয়ে হোৱা জ্ঞানৰ ভিত্তিত
    - সম্প্ৰদায়টোৰ প্ৰয়োজনীয়তাৰ বিষয়ে হোৱা জ্ঞানৰ ভিত্তিত

## II. তথ্য ব্যৱস্থাপনাৰ নীতিসমূহ

***"তুমি জ্ঞানীবিলাকৰ লগত আলাপ কৰা, তাতে তুমি জ্ঞানী হবা "***
**হিতোপদেশ ১৩:২০**

১. আপুনি বিচৰা আৰু আপোনাক লগা তথ্যহে সংগ্ৰহ কৰক আৰু সংৰক্ষণ কৰক

- সিদ্ধান্ত লোৱাৰ বাবে প্ৰয়োজনীয় তথ্য
- মণ্ডলী চলোৱাৰ বাবে প্ৰয়োজনীয় তথ্য
- সদস্যসকলক মণ্ডলীত তেওঁলোকৰ ভূমিকা বিচাৰি উলিয়াবলৈ সহায় কৰিবলৈ প্ৰয়োজনীয় তথ্য

২. তথ্য নিয়মিতভাবে আপডেট কৰি থাকক

- তথ্য সোনকালে পুৰণি হয় আৰু কেতিয়াবা কামত নহা হৈ যায়
- তথ্য সংগ্ৰহৰ বাবে প্ৰক্ৰিয়া বিকশিত কৰা
    - শ্ৰেণীৰ উপস্থিতি পত্ৰ
    - নতুন সদস্যৰ তথ্য প্ৰ-পত্ৰ
- তথ্য সংগ্ৰহ কৰিবলৈ মণ্ডলীৰ নেতাসকলক ব্যৱহাৰ কৰক
    - পৰিচৰ্যাত অংশগ্ৰহণকাৰী
    - পৰিচৰ্যাৰ ফলাফল, কাৰ্যকলাপ
- মণ্ডলীৰ সদস্যসকলৰ বাবে বাৰ্ষিক আপডেট ফৰ্ম ব্যৱহাৰ কৰক
    - ঠিকনা সলনি
    - নতুন ফোন নম্বৰ, ইমেইল ঠিকনা

৩. ব্যক্তিগত তথ্য বচাই ৰাখক

- সভ্যই সন্মতি নিদিয়ালৈকে ব্যক্তিগত তথ্য প্ৰকাশ বা ছপা নকৰিব
- তলা লগোৱা বাকচত সংৰক্ষণ কৰক
- গোপনীয়তা ৰক্ষা কৰক

৪. তথ্যবোৰ এনেদৰে সংৰক্ষণ কৰক যাতে সহজে বিচাৰি পাব পাৰি

- কাৰ্য অনুসৰি (বিষয়, উদ্দেশ্য, ব্যৱহাৰ, আদি)
- পৰিচৰ্যা অনুসৰি
- সভ্যৰ নাম অনুসাৰে

৫. তথ্য ব্যৱহাৰ কৰাৰ এটা আচনি কৰক

- ব্যৱহাৰৰ কোনো আচনি নোহোৱাকৈ কেৱল মাত্ৰ তথ্য সংগ্ৰহ নকৰিব
- প্ৰতি প্ৰকাৰৰ তথ্য সংগ্ৰহ কৰাৰ কাৰণটো জানক
- যদি আপোনাক নালাগে, তেনেহলে সংগ্ৰহ নকৰিব বা সংৰক্ষণ নকৰিব

৬. তথ্য ব্যৱস্থাপনা কৰা

- ইয়াক সংগ্ৰহ কৰা আৰু সংৰক্ষণ কৰা হৈ আছে বুলি ধৰি নল'ব
- ইয়াক আপ টু ডেট কৰি ৰাখক
- আপোনাৰ তথ্যৰ প্ৰয়োজনীয়তাসমূহ নিয়মিতভাৱে পৰ্যালোচনা কৰক

## III. তথ্য ব্যৱস্থাপনা কেনেকৈ কৰিব

১. আপোনাক কি তথ্য লাগে বা আপুনি বিচাৰে সেইটো ঠাৱৰ কৰক

- মণ্ডলীৰ সভ্য/সভ্যা
- মণ্ডলীৰ কামকাজ
- মণ্ডলীৰ সম্পদবোৰ (কিতাপ, কোঠা, সা-সজুলি,আদি)
- সামূহিক সম্পদ (হোটেল, কনফাৰেন্স ৰুম, স্থানীয় যোগানকাৰী আদি)

২. মণ্ডলীৰ সদস্যসকলৰ তথ্য সংগ্ৰহ আৰু সংৰক্ষণ কৰা

- তেওঁলোকৰ নাম, ঠিকনা আৰু যোগাযোগৰ তথ্য (ফোন, ইমেইল)
- তেওঁলোকৰ আত্মিক বৰবোৰ
- তেওঁলোকৰ দক্ষতা আৰু অভিজ্ঞতা
- তেওঁলোকৰ মণ্ডলীৰ কাৰ্য্যকলাপ আৰু সংযোগ

৩. মণ্ডলীৰ কাম-কাজৰ তথ্য সংগ্ৰহ কৰক আৰু সংৰক্ষণ কৰক

- উপাসনাত উপস্থিতি
- বাইবেল ক্লাচত উপস্থিতি
- সৰু গোটত উপস্থিতি

৪. নিৰ্দিষ্ট তথ্য সংগঠিত আৰু স্থান নিৰ্দ্ধাৰণৰ বাবে এটা ব্যৱস্থা বিকশিত কৰা

- তথ্য ক'ত সংৰক্ষিত কৰা হয় (কম্পিউটাৰ অথবা কাগজৰ ফাইল)
- উপযোগী ইন্টাৰনেট চাইট
- তথ্য কাৰ তাত থাকে

৫. তথ্য ব্যৱহাৰ কৰিবলৈ আচনি এটা বিকশিত কৰক

- কি তথ্য সংগ্ৰহ কৰা হ'ব
- প্ৰতিটো ধৰণৰ তথ্যৰ উদ্দেশ্য কি
- তথ্য সংগ্ৰহ কৰাৰ দায়িত্ব কাৰ

৬. তথ্য ব্যৱস্থাপনাৰ দায়িত্ব কাৰোবাক অৰ্পণ কৰক

- তথ্য সংগ্ৰহ এটা চলি থকা কাম
- সকলো তথ্যৰ বাবে এটা কেন্দ্ৰীয় সমল ৰাখে
- সঠিক পৰিকল্পনা আৰু ৰক্ষণাবেক্ষণ কৰা হয়

## <u>তথ্য ব্যৱস্থাপনা আচনিৰ অনুশীলন</u>

**আপোনাৰ মণ্ডলী অথবা পৰিচৰ্যাৰ বাবে এখন তথ্য আচনি প্ৰস্তুত কৰিবলৈ তলত দিয়াখিনি ব্যৱহাৰ কৰক:**

| **সংগ্ৰহ কৰিবলগীয়া তথ্য** | **উদ্দেশ্য** | **কোনে সংগ্ৰহ কৰিব?** | **কেনেদৰে সংগ্ৰহ কৰিব?** |
|---|---|---|---|
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |